# Sishumanjari

Uploaded by

The Sahitya Sakha Samity of

Srimanta Sankaeadeva Sangha

2013

শিশু আলোচনী

ISSN 2279-0616 *Shishu Manjari*

# শিশু-মঞ্জৰী

একাদশ সংখ্যা

৫৬৪ শঙ্কৰাব্দ ঃ অক্টোবৰ ২০১২ চন

সম্পাদক

ভবেন দুৱৰী

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০১২ খ্ৰীষ্টাব্দ

**SHISHU MANJARI** **:** *A Child-Magazine of Srimanta Sankaradeva Sangha, published by Sahitya Sakha Samittee for and on behalf of Srimanta Sankaradeva Sangha : October : 2012*

*Editor : Sri Bhaben Duari* *Price Rs : 25.00*

© **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

কাতি ঃ ৫৬৪ শঙ্কৰাব্দ ঃ অক্টোবৰ, ২০১২

**প্ৰকাশক ঃ**

সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সাহিত্য শাখা সমিতি ঃ**

সভাপতি ঃ শ্ৰীজীৱকান্ত নাথ
সম্পাদক ঃ ড° জগত চন্দ্ৰ কলিতা

**সম্পাদনা সমিতি** ঃ শ্ৰীভবেন দুৱৰী, *সম্পাদক*
সদস্যদ্বয় ঃ শ্ৰীৰূপেশ্বৰ নেওগ
ঃ শ্ৰীসমৰ তালুকদাৰ

**মূল্য** ঃ ২৫.০০ (পঁচিশ) টকা

ছপা সংখ্যা ঃ ১৫০০

**প্ৰাপ্তিস্থান ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**

সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**

মাতৃ অফ্ছেট প্ৰেছ,
হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ

# শুভেচ্ছা বাণী



শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কেন্দ্ৰীয় ঊনবিংশতিতম শিশু, আই-মাতৃ আৰু যুৱ সমাৰোহৰ উপলক্ষ্যে প্ৰকাশিতব্য একাদশ সংখ্যা 'শিশু-মঞ্জৰী'ভাগ শিশু উপযোগী লেখাৰে সমৃদ্ধ হোৱাটো বাঞ্ছা কৰিছোঁ।

'শিশু-মঞ্জৰী'ৰ লগত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ অভিলাষী আঁচনিৰ সম্পৰ্ক অতি নিবিড়। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই বিচাৰে আমাৰ পৃথিৱীখন সঁচা মানুহেৰে সমৃদ্ধ হওক। সঁচা ভাৱনাৰে উপচি পৰক। এই উদ্দেশ্য সাধনৰ অৰ্থে শিশুসকলক, জীৱনৰ প্ৰকৃত অৰ্থ বুজি পাবৰ বাবে এটি সুন্দৰ মাৰ্গৰ সন্ধান দিব লাগিব। শৈশৱৰ পৰাই তেওঁলোকৰ মনৰ কোঁহে কোঁহে সিঁচি দিব লাগিব, জীৱন বোধৰ সোণালী শইচ। শৈশৱ প্ৰকৃততে জীৱনৰ প্ৰাচুৰ্যৰে ভৰা সম্ভাৱনাৰ কঠিয়াতলি। এই শৈশৱৰ উৰ্বৰ ভূমিত প্ৰেম, মৈত্ৰী, মহামন্ত্ৰৰ শিক্ষাৰে তেওঁলোকক গঢ় দিয়াৰ চেষ্টা কৰিব লাগিব। বহল পৃথিৱীখন আৰু উদাৰ আকাশখন যাতে তেওঁলোকৰ চকুৰ পটাত ভাঁহি উঠে তাৰো যত্ন কৰিব লাগিব।

সেই বাবেই 'শিশু-মঞ্জৰী'ৰ জন্ম। 'শিশু-মঞ্জৰী'য়ে শিশুসকলৰ জীৱনৰ প্ৰতিটো দিশত শ্ৰেয় সাধনাৰ প্ৰশান্তিৰে উদ্ভাসিত কৰি তোলক। শিশুৰ অবাৰিত গতিৰে অনিৰুদ্ধ ৰূপ পৰিগ্ৰহ কৰক।

সকলো পক্ষলৈকে আমাৰ আন্তৰিক শুভেচ্ছা প্ৰেৰণ কৰিলোঁ। চৰৈৱতি। ইতি,

সেৱাৰে—

শ্ৰীৰজনীকান্ত দত্ত
পদাধিকাৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

জয় গুৰু শঙ্কৰ



## শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ

# প্ৰধান সম্পাদকৰ একেষাৰ

বৰ্তমানৰ শিশু মনোবিজ্ঞানীয়ে কৈছে যে, শিশু শিক্ষাৰ মূলতঃ মাতৃয়েই প্ৰধান ধাৰক আৰু বাহক। কিন্তু হাজাৰ হাজাৰ বছৰৰ পূৰ্বেই এই কথা শাস্ত্ৰীয় তথ্যৰ দ্বাৰাও স্বীকৃত হৈ আহিছে। মাতৃগৰাকীৰ গুণ-মহত্বৰ ওপৰত সতি-সন্ততিৰ যে স্বভাৱ-চৰিত্ৰ বিকশিত হয় এই কথা ধ্ৰুৱপ। মানৱীয় গুণ-গৰিমা সমূলি নথকা দৈত্যপতি হিৰণ্যকশিপুৰ পত্নী কয়াধুৰ গৰ্ভত ভক্তশ্ৰেষ্ঠ প্ৰহ্লাদৰ জন্ম কেনেকৈ হ'ল, সেই কথা স্বয়ং প্ৰহ্লাদৰ মুখেৰে মহাপুৰুষ শঙ্কৰদেৱে কোৱাইছে।

"দয়ালু নাৰদ পিতৃ সমান।
মাতৃক দিলন্ত পৰম জ্ঞান।।
ভক্তিৰ লক্ষণ সৰে কহিল।
গৰ্ভতে মোৰ উপদেশ দিল।।
মাতৃ পাসৰিলে লভিয়া স্বামী।
ঋষিৰ প্ৰসাদে সুমৰো আমি।।"— কীৰ্ত্তন

মাতৃ গৰ্ভতেই শিশুৱে শিক্ষা লাভৰ আখৰা আৰম্ভ কৰে। ভক্ত প্ৰহ্লাদে মাতৃগৰ্ভত থাকোতে নাৰদৰ উপদেশত ভাগৱত ধৰ্মৰ সম্পৰ্কে জ্ঞান পাইছিল। সৈয়েহে শিশু প্ৰহ্লাদে লগৰীয়া শিশুসকলক ক'ব পাৰিছিল যে,

"হেনজানি শিশু সৱ এৰা আন কৰ্ম।
ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম।।" —কীৰ্ত্তন

মহাপুৰুষ শঙ্কৰদেৱ গুৰুজনাই সমাজক এই শিক্ষা প্ৰদান কৰিছিল যে, মাতৃসকলে গৰ্ভত সন্তান ধাৰণ কৰোতে ভক্তি পৰায়ণা হৈ সজ কথা শুনা, সৎ কাৰ্য কৰা, সৎ চিন্তা কৰা অতীৱ প্ৰয়োজন। পবিত্ৰ মনেৰে, পবিত্ৰ হৃদয়েৰে ভগৱৎ চিন্তা কৰা মাতৃসকলে নিশ্চয় উপযুক্ত সন্তান জন্ম দিব পাৰে। গুৰুজনাৰ এই দৰ্শন আজিৰ সমাজে গ্ৰহণ কৰাটো অতীৱ বাঞ্ছনীয়। নতুন প্ৰজন্মই আজি বিপৰীত দিশে গতি কৰাটো সকলোৱে লক্ষ্য কৰিছে। সামাজিক জীৱন বিপথগামী হোৱাটো সকলোৱে স্বীকাৰ কৰিছে। এনে ক্ষেত্ৰত নৈতিক আৰু আধ্যাত্মিক জ্ঞানৰ ওপৰত অধিক গুৰুত্ব দিব লগা হৈছে। সমাজ ব্যৱস্থাক স্খলনৰ পৰা ৰক্ষা কৰিবলৈ পিতৃ-মাতৃসকল সচেতন নহ'লেই নহ'ব। যোৰপুৰি হাত পোৱাৰ অৱস্থা। এই কথা যেন সকলোৱে উপলব্ধি কৰে। এয়ে কামনা।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই এই উদ্দেশ্যেই শিশু-কল্যাণৰ ওপৰত গুৰুত্ব দিছে। মাতৃসকলক সংগঠিত কৰিবলৈ আইমাতৃ সমাৰোহ পাতিছে। সমাৰোহৰ জৰিয়তে নৈতিক-আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা দোহাৰি সমাজ সংস্কাৰত গুৰুত্ব দিবলৈ আইমাতৃসকলক আহ্বান জনাইছে। মহাপুৰুষসকলৰ আদৰ্শৰ শিক্ষাৰে শিশু, যুৱক-যুৱতী আৰু আইমাতৃসকলক প্ৰভাৱান্বিত কৰি এখন সুস্থ, সুষম সমাজৰ পৰিকল্পনা কৰিছে। গুৰু পৰিচয়ৰ যোগে ৬ (ছয়) বছৰৰ পৰা ১২ (বাৰ) বছৰৰ শিশুসকলক সদাচাৰী, শিষ্টাচাৰী, মানৱতাবাদী হ'বলৈ প্ৰেৰণা যোগাইছে। প্ৰাৰ্থনাৰ জৰিয়তে শিশু মনত সৃষ্টিকৰ্তাৰ অৱস্থিতি, কৰুণা আৰু উত্তৰোত্তৰ উন্নতিৰ ধাৰণা সংস্থাপিত কৰিছে। শিশুসকলৰ উপযোগীকৈ সৰু সৰু গ্ৰন্থ-পুস্তিকা প্ৰকাশ কৰিছে। 'শিশু-মঞ্জৰী'ৰ বৰ্তমান সংখ্যাটি একাদশ সংখ্যা হিচাপে প্ৰকাশ পাইছে।

০৩-১০-২০১২

সেৱাৰে--
শ্ৰীহৰিপ্ৰসাদ হাজৰিকা
প্ৰধান সম্পাদক

# সম্পাদকৰ নিৱেদন...

শিশু-মঞ্জৰী আলোচনীখনে দহটা বছৰ অতিক্ৰম কৰি একাদশ বৰ্ষলৈ গতি কৰিছে। কাৰ্যকাল অনুসৰি এই সংখ্যাটিৰ সম্পাদনাৰ দায়িত্ব আমাৰ পূৰ্বৰ সমিতিৰ হাততে ন্যস্ত থাকিল। আগৰ সংখ্যাৰে যোগেদি কি আগবঢ়াব পাৰিলো সেয়া পাঠকসকলেহে জানে, আমি জনাৰ উপায় নাই। অৱশ্যে গঠনমূলক সমালোচনা আমি আশা কৰোঁ। তেতিয়াহে শুধৰণি নাইবা উত্তৰণৰ সম্ভাৱনা থাকে। এইবাৰো কিবা বিশেষ আকৰ্ষণ থাকিব যেন মনে নধৰে। যি নহওক চেষ্টাৰ কৃপাণালি কৰা নাই।

শিশু-মঞ্জৰীৰ এটাই মাত্ৰ উদ্দেশ্য— উঠি অহা শিশুচামক এজন সুনাগৰিক হিচাপে গঢ় দিয়াত কিছু হ'লেও অৰিহণা যোগোৱা। বিশেষকৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মাদৰ্শৰ প্ৰতি আকৃষ্ট কৰা। আধুনিকতাৰ ধামখুমিয়াত হেৰাই যাব খোজা মানৱীয় প্ৰমূল্যবোধবোৰৰ বিষয়ে শিশুসকলক জনাই দিয়াৰ কথা সঙ্ঘই বিবেচনা কৰিছে। গতিকে শিশু-মঞ্জৰীয়ে জ্ঞান-বিজ্ঞানৰ লগতে মানুহ গঢ়াৰ ভূমিকাও গ্ৰহণ কৰিছে। সঙ্ঘৰ প্ৰতিখন মঞ্চতে শিশুসকলৰ সহযোগ, উচ্চাস আৰু উদ্দীপনাই তাকে প্ৰমাণ দিছে।

সকলো পিতৃ-মাতৃয়ে নিজৰ সন্তানক সাধ্য আৰু সামৰ্থ অনুসাৰে মানুহ কৰাৰ চেষ্টা কৰে। কেৱল সেয়াই সকলো ক্ষেত্ৰতে পৰ্যাপ্ত নহয়। সমাজ হিচাপে সমাজৰো দায়িত্ব আৰু কৰণীয় আছে। তেনে এক দায়বদ্ধতাৰ কথা স্বীকাৰ কৰিয়ে সঙ্ঘই শিশুসকলৰ কথাও ভাবিছে আৰু কিছু কৰাৰ আঁচনি গ্ৰহণ কৰিছে। শিশু-মঞ্জৰী সেই আঁচনিৰে এক বিশেষ অঙ্গ।

শিশুসকল স্বভাৱতে জ্ঞান পিপাসু আৰু অনুসন্ধিৎসু। জানিবলৈ, বুজিবলৈ শিশুসকলে সততে আগ্ৰহ কৰে। জানিব লগা আৰু জনাব লগাখিনি সহজভাৱে শিকাই দিয়া আৰু বুজিব লগাখিনি সৰলভাৱে বুজাই দিয়াটো অভিভাৱকসকলৰ কাম। সেয়া ব্যক্তি বিশেষ নাইবা সমাজেই হওক সকলোৰে দায়িত্ব আৰু কৰ্তব্য।

এনে এক মানসিকতাৰে আমি শিশু-মঞ্জৰীখনি সজোৱাৰ কথা ভাবিছিলোঁ। কিন্তু সেয়া মূৰকত পূৰাদমে হৈ নুঠিল। তাৰ দোষৰ ভাগ আমি নিজে কান্ধ পাতি লৈছোঁ। যি নহওক,

কেইটামান কথাত আমি গুৰুত্ব দিছোঁ, সেয়া হৈছে— শিশুসকলৰ মানসিক বিকাশ, চৰিত্ৰ গঠন, স্বাস্থ্যৰ প্ৰতি যতন, পৰিষ্কাৰ-পৰিচ্ছন্নতা, পৰিৱেশ সজাগতা, নিয়মানুবৰ্তিতা, ব্যক্তিত্ব বিকাশ, জীৱনৰ লক্ষ্য স্থিৰ কৰা আৰু লক্ষ্য প্ৰাপ্তিৰ বাবে যত্ন এনেবোৰ কথাই সামৰিব খোজা হৈছে।

যি সপোন ৰচিব জানে সিহে সপোনক বাস্তৱ ৰূপ দিব পাৰে। তাৰ বাবে সুস্থ চিন্তাৰ প্ৰয়োজন। কিবা এটা কাম কৰিব লগাহ'লে কামটোৰ বিষয়ে 'ভবা' কামটোৱে প্ৰথম। ভাবিলেহে ভাবনাক ৰূপায়িত কৰিব পাৰিব। মই কি হ'ম, হোৱা উচিত, কেনেকৈ হ'ম, কি ব্যৱস্থা কৰিলে হ'ব পাৰিম— এই ব্যৱস্থাবোৰ ক'ত আছে, কেনেকৈ লাভ কৰিম, কোনে সহায় কৰিব এই তথ্যবোৰ আহৰণ কৰিব লাগিব। বিশেষকৈ সময়সূচী তৈয়াৰ কৰি লোৱা অতি আৱশ্যক। সময় সকলোৰে বাবে একেই; ই কাৰোবাৰ বাবে ২৩ ঘণ্টা আৰু কাৰোবাৰ বাবে ২৫ ঘণ্টা নহয়। গতিকে পঢ়া-শুনা, খোৱা-লোৱা, শোৱা-উঠা, খেলা-ধূলা কৰা, ফুৰা-চকা আদি সকলো কামৰে সময়সূচী তৈয়াৰ কৰি সেইমতে কাম কৰিব লাগে। তেতিয়াই নিজৰ গতি-বিধি কামৰ ফলাফল নিজেই জানিব পাৰিব। এই বাৰ্তাকে শিশু-মঞ্জৰীৰ যোগেদি শিশুসকললৈ প্ৰেৰণ কৰিছোঁ।

শেষত সাহিত্য শাখাৰ সভাপতি শ্ৰীযুত জীৱকান্ত নাথ আৰু সম্পাদক ড° জগত চন্দ্ৰ কলিতা বাপদ্বয়ৰ দিহা-পৰামৰ্শ আৰু সম্পাদনা সমিতিৰ অন্য দুগৰাকীবাপ ৰূপেশ্বৰ নেওগ আৰু ড° সমৰ তালুকদাৰৰ সহোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমি দুঃখিত যে কেইবাটিও উন্নতমানৰ প্ৰবন্ধ দেৰিকৈ আমাৰ হাতত পৰা বাবে প্ৰকাশ কৰিব পৰা নহ'ল।

সত্যসন্ধা প্ৰেছৰ কৰ্মী শ্ৰীৰমেন মেধি বাপে অক্ষৰ বিন্যাস আৰু ৰূপসজ্জাৰ লগতে মাতৃ অফছেট প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰীযুত কমলাকান্ত বৰা বাপজনাই যথা সময়ত ছপা-বন্ধা কামখিনি কৰি দিয়াৰ বাবে দুয়োজনালৈকে আন্তৰিক শলাগ যাচিলোঁ।

সমস্ত অপৰাধ মাৰ্জনাৰ প্ৰাৰ্থনাৰে।

সেৱাৰে—

ভৱেন দুৱৰী
(৯৪৩৫৪-০৩০১১)

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

'শিশু-মঞ্জৰীৰ পাতে পাতে..



কবিতা কুঞ্জ :


- তেজৰে কমলাপতি ঃ ৰজনীকান্ত দত্ত/১
- শিশুৰ জীৱন ঃ কৰুণাকান্ত কলিতা/২
- শিশু-মঞ্জৰী ঃ ৰাণী কাশ্যপ/৩
- শঙ্কৰদেৱ ঃ বিলাসী পাঠক/৩
- পৃথিৱীৰ সূৰ্য ঃ দীনেশ কলিতা/৩
- শঙ্কৰদেৱ সঙ্ঘ ঃ অম্লান কাকতি/৪
- সোণাৰাম চুতীয়া ককা ঃ অমিয়া দুৱৰী/৪
- অসম ঃ বলীন গগৈ/৪
- ভূপেনদা ঃ গীতাশ্ৰী দুৱৰা/৪
- মামণি বাইদেউ ঃ মৰমী কোঁৱৰ/৫
- হীৰুদা ঃ বাপন তিমুং/৫
- বিহু ঃ কাকলি বৰা/৫
- আমাৰ ককা ঃ জানমণি হাজৰিকা/৫
- সময় ঃ বিতোপন মুণ্ডা/৫
- বন্ধ ঃ পাপৰি বৰা/৬
- স্বাস্থ্য ঃ দিগন্ত সোণোৱাল/৬
- লটং-পটং ঃ কামিনী ৰাভা/৬
- প্ৰাৰ্থনা ঃ শূলধৰ হাজৰিকা/৬


গীতাঞ্জলি :


- অঙ্ক-গীত ঃ ৰাগ-মাহুৰ ধনশ্ৰী; একতালি/৭
- দিহানাম/৭
- বিহুনাম ঃ গণেশ গগৈ/৮
- বিয়ানাম ঃ মুন্‌মী বৰা/৮


গল্প/প্ৰবন্ধৰ সুগন্ধ :


- বিদ্যালয় ঃ সোণমইনা লাহন/৯
- ক্ষুদ্ৰ সঞ্চয় ঃ লাৱণ্য টেৰণ/১০
- বিষ্ণু-ভক্ত অম্বৰীশ ঃ দামোদৰ কলিতা/১১
- আলোকিত জীৱনৰ প্ৰথম খোজ ঃ বৰদা শইকীয়া/১২
- সফলতাৰ কাহিনীবোৰ অনুপ্ৰেৰণাদায়ক ঃ অভিজিত শৰ্মা বৰুৱা/১৫
- সেই মৰমিয়াল ছোৱালীজনী ঃ মহেন কোঁৱৰ/১৭
- শ্ৰীকৃষ্ণৰ শিশুলীলা ঃ ৰাজেন দত্ত/১৮

জয় গুৰু শঙ্কৰ

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

'শিশু-মঞ্জৰীৰ পাতে পাতে..




- সৎসঙ্গ ঃ কেশৱ মোহন কলিতা/২০
- গঙ্গাটোপ ঃ উমাকান্ত বৰা/২৩
- এজনী সৰু ছোৱালী আৰু এখন পাঠশালাৰ কাহিনী ঃ বিনয় মোহন শইকীয়া/২৫
- ভক্তিৰ প্ৰতীক ধ্ৰুৱ ঃ ৰামেশ্বৰ দাস/২৭
- সাহিত্য, ব্যক্তি আৰু সমাজ ঃ মুকুন্দ দাস/২৯
- গজেন্দ্ৰ উপাখ্যান ঃ বিন্দুপ্ৰভা হাজৰিকা/৩১
- উদাৰ আতৈ ঃ জীৱকান্ত নাথ/৩৩
- মূল্যবোধৰ শিক্ষা আৰু শান্তিপূৰ্ণ জীৱন ঃ ড° সত্যজিৎ ভূঞা/৩৬
- সেউজীয়া মোৰ মন ঃ বিনন্দীয়া মোৰ ধৰিত্ৰী ঃ ড° ভবেন কলিতা/৮
- পৰিৱেশ আৰু আমাৰ চিন্তা ঃ নিৰ্মলা দাস/৪০
- যদুবংশ বিনাশ আৰু শ্ৰীকৃষ্ণৰ নিজধামলৈ প্ৰত্যাৱৰ্তন ঃ বোধেশ্বৰ কাকতি/৪৩
- ধেমালিৰ ছলেৰে শিকোঁ আঁহা ঃ জ্যোৎস্না মেদক/৪৬
- ইংলেণ্ডৰ সমাজখনৰ পৰা আমি কি শিকিব পাৰো ঃ অনুজ গোস্বামী/৪৮
- সোণালী নীতি আচৰণে সোণালী শৈশৱ ঃ মহেন্দ্ৰ শইকীয়া/৫১
- ৰামধেনু (শিশু সঙ্গীতালেক্ষ্য) ঃ বিনোদ ভাগৱতী/৫৪
- জয়ধ্বজৰ বিষ্ণু ভক্তি (কুৰ্ম পুৰাণ) ঃ গোবিন্দ দত্ত/৫৭
- শিশুৰ বিকাশত পিতৃ-মাতৃ আৰু সামাজিক পৰিৱেশ ঃ ক্ষীৰদাপ্ৰভা দাস/৫৯
- বেদনা উল্কা ঃ গোবিন্দ চন্দ্ৰ ডেকা/৬১
- সন্তানৰ বন্ধু হ'ব পাৰিছেনে? ঃ অমৰেন্দ্ৰ কলিতা/৬২


***ENGLISH SECTION :***


- PRAYER /63
- MY BEST FRIEND : Preety Phukon /64
- HAPPINESS : Jibanjyoti /64
- SWEET HOME : Mrinal Gohain /64
- INDIA : Monjit Doley /64
- BULBUL THE FOOL : Monimala Handique /65
- WODERFUL TREE : Prakriti Purna /65
- AIM IN LIFE : Bidyasagar Das /66
- DO YOU KNOW ? : Hema Prasad Borah /67
- MORAL EDUCATION : A NEED OF TIME : Gobinda Medhi /69

# তেজৰে কমলাপতি

**ৰজনীকান্ত দত্ত**
*পদাধিকাৰ*
*শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*

'উঠৰে উঠ বাপু গোপাল হে
নিশি পৰভাত ভৈল।'
মাতৃ যশোদাৰ মনৰ কোণত জাগে
অপত্য স্নেহৰ আৱেগ-বিহ্বল কৰুণা।
শিশু তুমি,
পূব আকাশৰ প্ৰভাতী সুৰুয
হেঙুলীয়া বিনন্দীয়া হিৰণ-কিৰণ।
দিগন্ত বিদাৰি আহে ৰক্তিম জেউতি,
ইপাৰত তুমি জ্যোতিস্মান,
সিপাৰত কলা ঘুমুটিয়া এখন পৃথিৱী
স্বৰ্গৰ জখলা বগাই নামি আহা
আশা আৰু প্ৰত্যাশাৰ এখন পথাৰ
উৰ্বৰ উন্মুক্ত
তুমি কৃষ্ণ!
'ভালি নাচে, নাচে ভাল মদন গোপাল'
এই নাচত জীৱন্ত আহ্বান আছে,
মাটি আৰু আকাশক একেকাৰ কৰা
এখন দলং
তুমি শিশু, তুমি কৃষ্ণ
একেই ৰহস্য।
প্ৰেম আৰু প্ৰেমাস্পদ
সপোন আৰু অস্তিত্ব
তোমাতে হেৰাই যায়।
তুমি শৈশৱৰ শেতেলি হাঁহি আৰু কান্দোনেৰে
যাত্ৰা আৰম্ভ কৰিছা।
যাত্ৰাৰ জয় গীতে শৈশৱক জগাই তুলিব।
তুমি শিশু, অবিনাশী পদধ্বনি তোমাৰ গতিত।
কিমান যে দন্তবক্ৰ, শিশুপাল
কিমানবোৰ যে কংস ওফৰি পৰিব।
ভ্ৰান্তিৰ জগতখনত পাৰিজাত ফুলিব,
তগৰ-নগৰ, অপৰাজিতাই জকমকাব
সহস্ৰ দেৱকীৰ মুখমণ্ডল হাঁহিৰে ওপচি পৰিব,
যুগে যুগে যশোদাৰ মথনিৰ জৰী চক্ৰাকাৰে ঘূৰি থাকিব।
মাখনেৰে ভৰি পৰিব আমাৰ পৃথিৱী।
আমাক এজোপা পত্ৰ-পুষ্পেৰে ভৰা বটবৃক্ষ লাগে
তাৰ তলত বহি ভাগৰুৱা জীৱনৰ অৱসান ঘটাম।
আমাক এজাক হাঁহিভৰা, হৃদয় ভৰা শিশু লাগে।
আমাৰ যাত্ৰা অবিৰত যাত্ৰা
আমাৰ লক্ষ্য সুন্দৰ এখন পৃথিৱী,
গোধনেৰে ভৰা সৰস পৃথিৱী,
শিশু প্ৰাণেৰে ভৰা জীৱন্ত পৃথিৱী।
উঠা, জাগা, আগবাঢ়া।■

# শিশুৰ জীৱন

করুণাকান্ত কলিতা
*প্ৰাক্তন পদাধিকাৰ*
*শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ*

মৰমৰ শিশু
গঢ়া তোমাৰ জীৱন
সত্য সুন্দৰক
জনোৱা স্বাগতম
পিতৃ-মাতৃৰ তুমি
নয়নৰ মণি
'প্ৰাণধন'
বংশ-পৰিয়াল-সমাজৰ
গৌৰৱমণি
অমূল্য ৰতন্
দেশ আৰু জাতিৰো
হৃদি স্পন্দন
ভৱিষ্যতৰ আশা সূৰ্য
দীপ্তিমান
তোমাৰ হাঁহিত
সৰগ নামে
তোমাৰ কণ্ঠত
অমৃত নিগৰে
তোমাৰ দৃষ্টিত
বিদ্যুৎ চমকে
তোমাৰ হৃদি-মনত
চিৰসুন্দৰে
সুৰধ্বনি তোলে
শুনা সেই সুৰধ্বনি
আত্মিক গুণৰ
ঝন ঝননি
সেই গুণেৰে
হোৱা গুণান্বিত
মূল্যবোধেৰে
হৃদি-মন
কৰা অলংকৃত
মধুৰ হ'ব
তোমাৰ জীৱন
শিক্ষা অৰ্জনত
দিয়া মনোযোগ
শিক্ষাই দিয়ে জ্ঞান
জ্ঞান অবিহনে
পশুৰ জীৱন
আধুনিক শিক্ষা
জ্ঞানৰ লগতে
আধ্যাত্মিক জ্ঞানৰ
কৰা অনুশীলন
গুৰু শ্ৰীমন্ত শঙ্কৰে
দিছে এই জ্ঞান
হৰি ভক্তি অমূল্য ৰতন্
শিশু কালৰে পৰা
কৰা আচৰণ
কলা-সংস্কৃতি
গীত-নৃত্য-বাদ্যৰো
চৰ্চাত দিয়া মন
শৰীৰ চৰ্চাৰ বাবেও
কৰা যতন্
গঢ়ি উঠিব
তোমাৰ মধুৰ জীৱন
আদৰ্শৰ উৎস
সুন্দৰ জীৱন। ■

# শিশু-মঞ্জৰী

ৰাণী কাশ্যপ, *পঞ্চম মান*

‘শিশু-মঞ্জৰী’ মৰমৰ লগৰী
তুমি আকৌ কেতিয়া আহিবা
লগত মোলৈ কি কি আনিবা
সাধুকথা, নীতি-কথা নে ৰূপ-কথা?
যোৰাবাৰ লগ পালো তোমাক
ৰঙিয়াত ৰঙৰ মাজত
কিযে মজা তোমাৰ সঙ্গ-ৰং-ৰূপ-ৰস!
এইবাৰ লগ পাম তোমাক
হাজোৰ ৰাজু-বিজুহঁতৰ লগত।
বাট চাই ৰ’লোঁ
তোমাৰ সঙ্গ লাভ কৰি
ৰঙেৰে-ৰসেৰে ৰঙিয়াল হ’বলৈ।■

# শঙ্কৰদেৱ

বিলাসী পাঠক

হে শঙ্কৰদেৱ, কি নামেৰে মাতিম তোমাক,
তুমিয়েতো ডেকাগিৰী
তুমিয়েতো গঙ্গাধৰ
তুমিয়েতো ভূঞাৰ শিৰোমণি,
তুমিয়ে নোহোৱা নে
আকাৰ-ইকাৰ বিহীন
কবিলা লিখা সেই শিশুটি?
তুমিয়ে দিলা ভোৰ-তাল
তুমিয়ে দিলা নৃত্য-ভাওনা
তুমিয়েতো দিলা কলা-কৃষ্টিৰ সম্ভাৰ।
জাতি-ধৰ্ম বৰ্ণ নিৰ্বিশেষে
সকলোকে কৰিলা সংস্কাৰ।■

# পৃথিৱীৰ সূৰ্য

দীনেশ কলিতা

শঙ্কৰদেৱ সৌৰজগৰত সূৰ্য নহ’লেও
পৃথিৱীৰ সূৰ্য
এটা উজ্জ্বল নক্ষত্ৰ।

সূৰ্যৰ দৰে
গোটেই জগত আলোকিত কৰে
সাম্যবাদৰ পোহৰেৰে

পোহৰ আটায়ে পায়
সৰু-বৰৰ চিন নাই
যিদৰে আদিত্যই পোহৰ বিলাই

চৌদিশে বিচ্ছুৰিত হোৱা
সাম্যবাদৰ পোহৰত
আজিও জিলিকি আছে জগত

পিছলৈও থাকিব
মানুহে সভ্যতাৰ সমাজ গঢ়িব
কিন্তু, পৃথিৱী সূৰ্যৰ
সৌৰ শক্তি
আহৰণ কৰিব লাগিব।■

## শঙ্কৰদেৱ সঙ্ঘ

অম্লান কাকতি, *চতুৰ্থ মান*

শঙ্কৰদেৱ সঙ্ঘ আমাৰ মঞ্চ
শঙ্কৰদেৱ আমাৰ গুৰু আৰু
তেৰেঁ আমাৰ আদৰ্শ।
'এক দেৱ এক সেৱ' এয়ে মহামন্ত্ৰ।
নাই কোনো জাতিভেদ, উচ্চ-নীচ
নাই কোনো ভেদাভেদ, মান-অভিমান।
মানুহ আমি ঈশ্বৰৰ সন্তান
ঈশ্বৰৰ সেৱা আমাৰ ধৰ্ম
মানৱ সেৱাই আমাৰ কৰ্ম।■

## অসম

বলীন গগৈ, *সপ্তম মান*

অসম আমাৰ দেশ
গছে-বনে, নৈ-নিজৰাৰে
মনোমোহা বেশ।
নানা জাতি-উপজাতিৰ
মহামিলনৰ ক্ষেত্ৰ.
ইয়াতে উপজিলো
ইয়াতেই মৰিম
অসম আমাৰ তীৰ্থ।
অসমৰ উন্নতিৰ হকে
কাম কৰি যাম।
অসমৰ বাবে প্ৰয়োজন হ'লে
দিম জীৱন বলিদান।■

## সোণাৰাম চুতীয়া ককা

অমিয়া দুৱৰী

ককা সোণাৰাম চুতীয়া
এতিয়া সাতানব্বৈ বয়সীয়া।
গহীন-গম্ভীৰ জ্ঞানৰ মন্দিৰ
প্ৰচাৰ কৰি ফুৰে হৰি-ভকতিৰ।
তেৰেঁ আমাৰ বৈষ্ণৱ পণ্ডিত,
পাণ্ডিত্য গুণেৰে মহিমামণ্ডিত।
জ্ঞানৰ চকলেট দি ফুৰে
মোমায়ে ভাগিনক দিয়াৰ দৰে।
ককা আমাৰ চিৰনমস্য
ককাই পাৰ কৰক শত-বৰ্ষ।■

## ভূপেনদা

গীতাশ্ৰী দুৱৰা, *অষ্টম শ্ৰেণী*

ভূপেনদাৰ গান
মানুহৰ বাবে।
গানটোৰ নাম—
'মানুহে মানুহৰ বাবে'।
গানটোৰ মানে হ'ল—
ভাল পাব লাগে
মানুহে মানুহক,
কাম কৰিব লাগে
মানুহৰ ভালৰ বাবে।■

# মামণি বাইদেউ

মৰমী কোঁৱৰ, *পঞ্চম মান*

মামণি আইদেউ
মৰমৰ বাইদেউ
ধৈৰ্যত তুমি ধৰিত্ৰী
সাহিত্যত তুমি সাবিত্ৰী।
কলমৰ খোঁচত চিয়াঁহীৰ সোঁতত
বোৱাই থৈ সাহিত্যৰ নৈ
গুচি গ'লা বহু দূৰ-দূৰণিলৈ।■

# বিহু

কাকলি বৰা, *তৃতীয় মান*

আমাৰ বিহু তিনিটি
প্ৰথম বিহু ৰঙালী
ব'হাগৰ বৰ আনন্দৰ।
দ্বিতীয় বিহু কাতি
পালন কৰোঁ ৰাতি,
বন্তি জ্বলাওঁ— পোহৰ বিলাওঁ।
তৃতীয় বিহু ভোগালী,
মাঘ মাহৰ ঠাণ্ডাত
মেজি সাজি ফুৰ্তি কৰোঁ
ভেলাঘৰত জুই পুৱাই
ভোজ খাওঁ গধূলি।■

# আমাৰ ককা

জানমণি হাজৰিকা

ককা অ' ককা সাধু এটা কোৱা
সাধু শুনি পাওঁ আমি কিমান যে
মজা
শুনা তেন্তে নাতি
আছিল এটা হাতী
হাতী বৰ গুণী
সকলো থাকে শুনি।
কলগছ ধানগছ আৰু খাই পানী
ডাঙৰ ডাঙৰ গছবোৰ শুঁৰেৰে
আনে টানি
দাঁত দুটা দীঘল হয় শুঁৰৰ কাষেদি
সিহঁতকে কোৱা হয়
ডাঙৰ দঁতাল হাতী।
শুনিলানে নাতি, হাতীৰ কাহিনী ?
ককা অ' ককা লাগিল বৰ মজা
গধূলি গধূলি সাধু সদায় ক'বা।■

# হীৰুদা

বাপন তিমুং, *সপ্তম মান*

হীৰুদা মানে কবিতা
কবিতা মানেই হীৰুদা
হীৰুদাই ৰচিলে
সুগন্ধি পখিলা।
কোৱাচোন মোক বুজাই
পখিলা জানো গোন্ধাই
কবিতাৰ সুগন্ধহে
দিছিল বিলাই।■

# সময়

বিতোপন মুণ্ডা, *ষষ্ঠ শ্ৰেণী*

সময় যায় বৈ
কাৰো বাবে নাথাকে ৰৈ।
সময় থাকোতে সখি
পখিটিক ধৰিবা ৰাখি;
উৰি গ'লে আকাশলৈ
নাহে দুনাই তোমাৰ কাষলৈ।
পঢ়া শুনা যদি নকৰা সময়ত,
দুখ পাবা জীৱনৰ বাটত।■

## বন্ধ

পাপৰি বৰা, *সপ্তম মান*

চকা বন্ধ, পথ বন্ধ, অসম বন্ধ
আজি উজনি কাইলৈ নামনি,
পঢ়া খতি, লটি-ঘটি, হাৰা-শাস্তি।
তাৰ সলনি
বন্ধ কৰক দুৰ্নীতি—
ৰাইজৰ উপকাৰ হ'ব।
বন্ধ কৰক নলাত পলিথিন পেলোৱা
জমা-পানীবোৰ সুখেৰে ব'ব।
বন্ধ কৰক প্ৰদূষণ—
আমি শান্তিৰে উশাহ ল'ব পাৰিম।■

## লটং-পটং

কামিনী ৰাভা, *সপ্তম মান*

বগা কাছৰ ক'লা চলং
বেগী নৈৰ দীঘল দলং
পাৰৈহে অলপ গ'লে
পাবাগৈ দৰং।
তাতো আছে দুই-এক
কথা-কামত লৰং-ফৰং
বাছি খাবা জাগি শুবা
নহ'লে কিন্তু তলি উদং।■

## প্ৰাৰ্থনা

শূলধৰ হাজৰিকা

অকণমাণি মই
মোৰ অকণমানি হিয়া
সজ মন সদ কথা
প্ৰভু মোক দিয়া।
ভণ্ডলোকৰ ৰেহ-ৰূপ দেখি
লাগিছে ভাগৰ
ঘৰে ঘৰে দ্বন্ধ-হাই
কিযে অধম পামৰ
আকাশৰ সৌ তৰাটিয়েও যেন
টুকিছে চকুৰ পানী
মেঘৰ আঁৰে আঁৰে
ধিমিক ধামাক পোহৰেৰে
দিছে যেন তাৰেই বাণী।
নাই মৰম নাই স্নেহ
মানৱতাৰ নাই দাম
হত্যা লুণ্ঠনেৰে
পতিপত্তিশালী হোৱাই একমাত্ৰ কাম।
হিংসা দাবানলে
ছাৰখাৰ কৰিছে
এখনৰ পিছত সিখন গাঁও
সামান্য এখন কাপোৰেৰে
দেহাটো মেৰিয়াই পলাইছে
ক'তনো পৰিত্ৰাণ পাম
তুমি প্ৰভু দয়াৰ সাগৰ
কৰা দয়া আমাক ইবাৰ।■

## স্বাস্থ্য

দিগন্ত সোণোৱাল, *অষ্টম শ্ৰেণী*

সকলোৰে কই বোলে স্বাস্থ্যই ধন
স্বাস্থ্যৰ প্ৰতি সদায় ল'বা যতন।
সময়মতে খাবা সময়মতে শোবা
সময়মতে খেলা-ধূলা সময়মতে পঢ়া
তেতিয়াহে সুফল সকলোতে পাবা।
দেহৰ বাবে আছে শ্ৰমৰো প্ৰয়োজন
শ্ৰম কৰিলেহে ভাল হয় দেহৰ গঠন।
সদায় সময়মতে কৰিবা ব্যায়াম
কামৰ পাছত অলপ কৰিবা আৰাম।
দেহা থাকিলেহে কৰিব পাৰিবা বেহা,
দেহা ভাগিলে হ'ব সকলো তিতা-কেঁহা।■

অঙ্ক-গীত

## ৰাগ-মাহুৰ ধনশ্ৰী; একতালি

ধ্ৰুং ঃ কয়লি পয়ান যদুৰাই
কৰে শাৰঙ্গ সঙ্গে প্ৰিয়া চলি যাই।
পদ ঃ শ্যামল অঙ্গ সুৰঙ্গ পীত বাসা
বিজুৰি উজয় নয় ঘন পৰকাশা।।
অৰুণ কৰণ মঞ্জিৰ কৰু ৰোল।
তাহে মজোক মন শঙ্কৰে বোল।।

— *পাৰিজাত হৰণ*

শব্দাৰ্থ ঃ

কয়লি ঃ কৰিলে; পয়ান ঃ যাত্ৰা; যদুৰাই ঃ কৃষ্ণ; কৰে ঃ হাতত; শাৰঙ্গ ঃ কৃষ্ণৰ ধনুখনৰ নাম; সঙ্গে ঃ লগত; চলি ঃ চলিল, গ'ল; সুৰংগ ঃ মিলি যোৱা ৰং; পীতৰাসা ঃ (পীত-হালধীয়া, ৰাসা-কাপোৰ, বসন) হালধীয়া বস্ত্ৰ; পৰকাশ ঃ প্ৰকাশ; অৰুণ ঃ ৰঙচুৱা; চৰণ ঃ ভৰি; মঞ্জিৰ ঃ নূপুৰ; কৰু ঃ কৰে; ৰোল ঃ শব্দ; তাহে ঃ তাতে, বোল ঃ কয়।।

সৰল গদ্যৰূপ ঃ

যদুৰায় কৃষ্ণই যাত্ৰা আৰম্ভ কৰিলে। হাতত শাৰঙ্গ ধনু আৰু লগত পত্নী (সত্যভামাও) গৈছে। কৃষ্ণৰ শ্যামল শৰীৰ। হালধীয়া ৰঙৰ কাপোৰে শুৱাই পৰিছে।আকাশত ডাৱৰৰ মাজত বিজুলী উজ্বলাদি উজ্বলিছে। অৰুণ চৰণ যুৰিত নূপুৰ জুন জুনাইছে। শঙ্কৰদেৱে কৈছে— এই চৰণ যুৰিতেই মোৰ মন মজি থাকক।।■

# দিহানাম

দিহা (এক চাপৰি) ঃ
মাতৃ নামে সত্যসন্ধা পিতা কুসুম্বৰ।
বৰদোৱাত আৰিৰ্ভাৱ শ্ৰীমন্ত শঙ্কৰ।।
পদ ঃ জয় জয় বট্ৰদ্ৰৱা বৈকুণ্ঠ দূতয়।
সেহি স্থানে নিজ গুৰু ভৈলন্ত উদয়।।
সেহিস্থানে নিজ গুৰু পাতিলন্ত হাট।
ৰাম নাম মহাৰত্ন বেসাইলন্ত তাত।।
চাৰিফালে চাৰিহাটী মহাভক্ত গণ।
চৈধ্যয় প্ৰসঙ্গ কৰে নামৰ কীৰ্ত্তন।।
দিহা (তিনি চাপৰি) ঃ
জয় জয় শঙ্কৰদেৱ জগতৰে গুৰু।
বৈকুণ্ঠৰ পতি প্ৰভু ভক্ত কল্পতৰু।।
পদ ঃ মধ্যে পদশীলা দক্ষিণত থান ঘৰ।
মণিকূট গৃহ বান্ধি ৰহিলা শঙ্কৰ।।
উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ।
মধ্যৰাত্ৰি নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ।।
দক্ষিণে যাত্ৰাৰ দৌল গুৰু নিৰ্ম্মিলন্ত।
সাতো বৈকুণ্ঠৰ পট আঁকিয়া থৈলন্ত।।
দিহা (খৰ চাপৰি) ঃ
শঙ্কৰদেৱ কিনো তোমাৰ লীলা।
অত' ৰাতি ভকতক নামেৰে মুহিলা।।
*  *
পদ ঃ পশ্চিমে শিলিখা বৃক্ষ হালিয়া আছয়।
তাহান্তে আউজি গুৰু পুস্তক লিখয়।।
নিজ গুৰু চৰণতে কৰি আছো আশ।
কহয় পুৰুষোত্তম দাসৰো দাস।।■

# বিহুনাম

গণেশ গগৈ, *পঞ্চম মান*

■ চ'ত গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
ৰঙালী বিহুৰে কথা.

■ উজায়ে আহিলে মাছে কি মগৰে
উজায়ে আহিলে শিশু,
কান্ধতে ঢোলেটি মুখতে পেঁপাটি
পালেহি ব'হাগৰ বিহু।

■ অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ ব'হাগৰ বিহুটি
নাপাতি কেনেকৈ থাকো।

■ বিহুৰে বিৰিণা পাতে সমনীয়া
বিহুৰে বিৰিণা পাত,
বিহু থাকে মানে বিহুকে বিনাবি
বিহু গ'লে বিনাবি কাক।

# বিয়ানাম

মুন্মী বৰা

সজোৰা দুনৰী ঘট 'মঙ্গল কৰিয়া'[২]
জ্বলোৰা সহস্ৰ বন্তি ঘৃত তৈল দিয়া।

ৰামকৃষ্ণ ৰিণিকি ৰিণিকি ৰামকৃষ্ণ দেখিছো যমুনা
হৰিমোৰ ঐ বৈ আছে কদমৰ তলে।
ৰামকৃষ্ণ যাওঁ বেগে ধৰি ৰামকৃষ্ণ নেপাওঁ খৰে কৰি
হৰিমোৰ ঐ ক'তে বা যমুনা নৈ।
চাউল ছাতি মাৰি আঁহা আইদেউ বঁহাহি
ফুলাম পাটি পৰি আঁহা আইদেউ বঁহাহি
আনাগৈ আইদেউক মাতিহে, আঁহা আইদেউ বঁহাহি
ৰাইজক সেৱা কৰাহি, ৰাইজক সেৱা কৰি আশীৰ্বাদ লোৱাহি? ■

# বিদ্যালয়

সোণমইনা লাহন, ষষ্ঠ মান

বিদ্যাৰ 'আলয়' বাবেই বিদ্যালয় বুলি কোৱা হয়। আলয় মানে 'ঘৰ'। বিদ্যালয় হৈছে বিদ্যা দান আৰু গ্ৰহণ কৰা ঠাই। আমি বিদ্যালয়ক পঢ়াশালি বুলিও কওঁ। 'শালি' মানে 'ঘৰ' বুজায়। পঢ়া-শুনা কৰা ঘৰ বাবে পঢ়াশালি বুলিও কয়। বিদ্যালয় শিক্ষকে পঢ়ায় আৰু ছাত্ৰ-ছাত্ৰীয়ে পঢ়ে।

অতি পুৰণি কালত আজিৰ দৰে বিদ্যালয় নাছিল। অতীজত ছাত্ৰই গুৰু ঘৰত থাকি শিক্ষা গ্ৰহণ কৰিছিল। তেতিয়া শিক্ষকক গুৰু আৰু ছাত্ৰক শিষ্য বোলা হৈছিল। আজিও সেই আলমতে শিক্ষকক শিক্ষাগুৰু বুলি কোৱা হয়। গুৰু আৰু শিষ্যৰ সম্পৰ্ক পিতা-পুত্ৰৰ সম্বন্ধৰ সমতুল্য আৰু অতি পৱিত্ৰ।

বিদ্যা দান আৰু গ্ৰহণ এটি মহান আৰু পৱিত্ৰ কৰ্তব্য। শিক্ষকে যি শিক্ষা দান কৰে ছাত্ৰ-ছাত্ৰীয়ে তাকে অতি নিষ্ঠাৰে গ্ৰহণ কৰা উচিত। শিক্ষা দান আৰু গ্ৰহণ এটা চিৰন্তন ৰীতি; এখন নদীৰ দৰে চিৰপ্ৰৱাহমান। এই ধাৰা অতীজৰে পৰা চলি আহিছে আৰু ভৱিষ্যতলৈও চলি থাকিব। তেনে হ'লেহে জ্ঞানৰ বিস্তাৰ আৰু মানৱ জাতিৰ কল্যাণ হ'ব। শিকা আৰু শিকোৱা কামটো বিদ্যালয় স্তৰৰপৰা উচ্চ-বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় পযায়লৈ সকলোতে চলি থাকে। আৰম্ভে পৰ্যাক্ৰমে শিক্ষাৰ মানদণ্ড উচ্চৰ পৰা উচ্চতৰ হয়।

ছাত্ৰ-ছাত্ৰীসকলে পাঠ দানৰ সময়ত একাগ্ৰতাৰে পাঠৰ বিষয়বস্তু ভালকৈ বুজি ল'বলৈ যত্নপৰ হ'ব লাগে। নিজৰ দৈনন্দিন পাঠ অতি ভালকৈ বুজি লোৱা উচিত। কিবা নুবুজিলে শিক্ষকক সুধি ল'বলৈ সংকোচ কৰিব নালাগে। নুবুজাকৈ থাকি গ'লে পৰীক্ষাত ভাল ফল পাব নোৱাৰি আৰু শিক্ষাও আধৰুৱা হৈ ৰয়। আধৰুৱা শিক্ষাৰে বাস্তৱ জীৱনত সফলতা লাভ কৰিব নোৱাৰি। গতিকে ছাত্ৰ-ছাত্ৰীসকলে এই কথাটো মনত ৰখা উচিত।

আমাৰ সমাজত এষাৰ কথা প্ৰচলিত আছে— "পঢ়াই, পঢ়ে আৰু ৰুৱে পাণ এই তিনিবিধে নিশ্চিন্তে আন।' অৰ্থাৎ পঢ়া আৰু পঢ়োৱাৰ সময়ত একান্তভাৱে পঢ়িব আৰু পঢ়োৱাব লাগে। তেতিয়া পূৰ্ণ শিক্ষা লাভ কৰিব পাৰি। বিদ্যালয়তে আমি সু-শিক্ষা লাভ কৰোঁহঁক। গতিকে বিদ্যালয় আমাৰ বাবে এটি মহৎ অনুষ্ঠান।■■

## নীতি কথা

তুমি এতিয়া ক'ত আছা বুলি ভাবিছা বাৰু? ভেমত ওফন্দি যদি ওপৰত আছো বুলি ভাবিছা, তেন্তে তললৈ যোৱাৰ প্ৰথম খোজ আৰম্ভ হ'ল আৰু যদি নম্ৰভাৱে তলত আছোঁ বুলি ভাবিছা তেন্তে তোমাৰ ওপৰলৈ যোৱাৰ প্ৰথম খোজ এই মুহূৰ্তৰ পৰাই আৰম্ভ হ'ল।

# ক্ষুদ্ৰ সঞ্চয়

লাৱণ্য টেৰণ, *শিক্ষয়িত্ৰী*

"এটুপ এটুপ কৰি
ডাৱৰৰ পানী পৰি
ভৰি গ'ল বহল সাগৰ...."

এই কবিতাফাকি তোমালোকে শুনিছা নহয়নে? অলপ অলপকৈ বৰষুণৰ পানী পৰি নৈ, বিল, পুখুৰীবোৰ পানীৰে উপচি পৰা তোমালোকে দেখিছাহঁক। ক্ষুদ্ৰ-সঞ্চয়ও তেনেকুৱাই। অলপ অলপকৈ নিয়মীয়াকৈ পইচা সঞ্চয় কৰিলে সিয়ে এটা সময়ত বৃহৎ সংখ্যাৰ হয়গৈ। তেনেকৈ অলপ অলপকৈ কৰা সঞ্চয়কে ক্ষুদ্ৰ-সঞ্চয় বুলি কোৱা হয়।

আজিকালি চৰকাৰেও ক্ষুদ্ৰ-সঞ্চয় আঁচনি যুগুত কৰি সাধাৰণ ৰাইজৰ উপকাৰ সাধন কৰিছে। ডাকঘৰ, বেঙ্ক আদিৰ যোগেদি তেনে সঞ্চয় কৰাৰ ব্যৱস্থা আছে। তোমালোকেও ক্ষুদ্ৰ-সঞ্চয় আঁচনিৰ যোগেদি অলপ অলপকৈ নিয়মীয়াভাৱে ধন সঞ্চয় কৰাৰ অভ্যাস কৰিব পাৰা। সেই ধনৰ লগত চৰকাৰে এটা অঙ্কৰ ধন অতিৰিক্ত হিচাপে জমা দিব। তাকে সুত বুলি কোৱা হয়। এদিন দেখিবা সেই ধনৰ পৰিমাণ ভালেখিনি বাঢ়ি গৈছে। সেই ধনৰ হিচাপ এখন বহীত ৰখা হয়। তাকে পাচবুক বুলি কয়। তোমাৰ হিচাপত কিমান টকা জমা হৈছে তাকে তুমি সময়ে সময়ে জানিবা পাৰিবা। তোমাৰ হিচাপৰ ধন প্ৰয়োজন হ'লে তুমি তাৰ পৰা উলিয়াই কামত লগাব পৰাৰো ব্যৱস্থা আছে। এনে সুবিধাবোৰৰ বিষয়ে আমি জানিব লাগে আৰু তেনে সুবিধাবোৰ আমি গ্ৰহণ কৰিব লাগে সঞ্চয় কৰিবলৈ অভ্যাস কৰিব লাগে। এনে ক্ষুদ্ৰ সঞ্চয়ৰ দ্বাৰা আমি আমাৰ লাগতিয়াল বস্তু সময়ত যোগাৰ কৰি ল'ব পাৰো।

তোমালোকে পৰুৱাবোৰে মুখত কিবা এটা কামুৰি গাতৰ ফালে দৌৰা দেখিছা নিশ্চয়। সিহঁতেও আপলকালৰ বাবে খাদ্য সঞ্চয় কৰে। আপদ কালত পৰুৱাবোৰে সেই সঞ্চয় কৰি থোৱা খাদ্যকে গ্ৰহণ কৰি বাচি থাকে। এটা টেমা বা টেকেলীত এটা ফুটা কৰি সদায় এটকাকৈ ভৰাই যাবাচোন আৰু এবছৰৰ মূৰত টেমাটো খুলি চাবা, দেখিবা তোমাৰ টেমাত গোট খালে ৩৬৫ টকা। এনেকৈয়ে সঞ্চয় কৰা হয়।

বেঙ্কবোৰে ক্ষুদ্ৰ-সঞ্চয়ৰ ধনৰাশি লগলগাই বিভিন্ন উন্নয়নমূলক কামত বিনিয়োগ কৰে। ঘৰ সাজিবলৈ, গাড়ী কিনিবলৈ ইত্যাদি বিভিন্ন ধৰণৰ ঋণ আদি দিয়াৰ ব্যৱস্থা কৰে। আমিও তেনেদৰে সঞ্চয়ৰ যোগেদি নিজেও উপকৃত হ'ব পাৰো, নাইবা বিনিয়োগ কৰি লাভবান হ'ব পাৰোঁ।

মা-দেউতাৰ লগত আলোচনা কৰি তোমালোকেও সঞ্চয় কৰাৰ অভ্যাস গঢ়ি তোলাহঁক।■■

# বিষ্ণু-ভক্ত অম্বৰীশ

দামোদৰ কলিতা, *নৱম শ্ৰেণী*

সপ্তদ্বীপ পৃথিৱীৰ অধীশ্বৰ ৰজা অম্বৰীশ মহা বিষ্ণুভক্ত। এসময়ত দ্বাদশী ব্ৰত পালন কৰিছিল। এদিনাখন গোটেইদিন অতিক্ৰম কৰি অৰ্দ্ধদণ্ডমান সময় দ্বাদশী ব্ৰত পালনৰ আগে আগে দুৰ্বাসা ঋষি আহি ৰজাৰ ওচৰত উপস্থিত হ'ল। হৰ্ষ উল্লাসেৰে ৰজাই মুনিক সেৱা-সৎকাৰ জনাই ভোজনৰ বাবে প্ৰাৰ্থনা জনালে। ঋষিয়ে স্নান সন্ধ্যা কৰাত বহুতো সময় উকলি গ'ল। আনপিনে ৰজাই দ্বাদশী ব্ৰত পালন সমাপন কৰিলে। কিছু সময়ৰ পিছত দুৰ্বাসা ঋষি আহি উপস্থিত হ'ল। তেওঁৰ ৰজাৰ ফালে চাই তেওঁৰ অনুপস্থিতিত ৰজাই ব্ৰত ভঙ্গৰ কথাটো জানিব পাৰি খঙত হুতাশন হৈ মূৰৰ এটা জোঁট (চুলিৰ জোঁট) ছিঙি ৰজা অম্বৰীশক প্ৰচণ্ড শাপ দিলে। ভক্ত ৰজাই ঋষিৰ চণ্ড শাপকো ভয় নকৰি ভগৱন্তৰ নাম স্মৰণ কৰি থকাত ভগৱন্তৰ বিষ্ণু চক্ৰই ঋষিক দণ্ড বিধান কৰিবলৈ বিষ্ণুচক্ৰ অনল সমান হৈ খেদি আহিল। ভয়তে ঋষিয়ে পলাবলৈ ধৰিলে। আগে আগে ঋষি, পিছে পিছে বিষ্ণুচক্ৰ। চক্ৰৰ খেদাত ৰ'ব নোৱাৰি ব্ৰহ্মাৰ ওচৰত শৰণ লৈ প্ৰাণ ৰক্ষাৰ বাবে কৰুণভাৱে অনুৰোধ জনালে। ব্ৰহ্মাই তেওঁৰ দ্বাৰা সম্ভৱ নহয় বুলি ক'লে। উপায় নাপাই প্ৰাণৰ ভয়ত কৈলাশপতি মহাদেৱৰ চৰণত পৰি চক্ৰৰ হাতৰ পৰা প্ৰাণ ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনালে। মহাদেৱেও তেওঁৰ দ্বাৰা চক্ৰ নিবাৰণ কৰাটো অসম্ভৱ বুলি কৈ তেওঁক বিষ্ণুৰ ওচৰলৈ যাবলৈ উপদেশ দিলে।

ঋষি গৈ বিষ্ণুৰ চৰণত পৰি কান্দি কান্দি ক'বলৈ ধৰিলে— হে প্ৰভু, মই বৰ বিপদত পৰিছোঁ। আপোনাৰ চক্ৰ নিবাৰণ কৰি মোৰ প্ৰাণ ৰক্ষা কৰক। ঋষিৰ কাতৰ অনুৰোধ উপেক্ষা কৰি নাৰায়ণে ক'লে— হে দুৰ্বাসা, মোৰ পৰম ভকত অম্বৰীশৰ বাহিৰে অইন কোনোৱে তোমাক ৰক্ষা কৰিব নোৱাৰিব। কাৰণ মই স্বতন্ত্ৰ নহয়, ভক্তৰ অধীনহে। তুমি যাৰ ওচৰত অপৰাধ কৰিছা তেওঁৰ ওচৰলৈ গৈ ক্ষমা খোজা। মোৰ ভক্ত অতি দয়ালু। তেওঁ তোমাক নিশ্চয় ক্ষমা কৰিব।

ভগৱন্তৰ কথামতে ঋষিয়ে উধাতু খাই ৰজাৰ ওচৰলৈ লৰি গৈ ৰজাৰ ভৰিত খামোচ মাৰি ধৰি বিনাই বিনাই ক'বলৈ ধৰিলে— হে ৰাজন, মই পৰম পাপী ক্ৰোধৰ বশৱৰ্তী হৈ অজ্ঞানত অকাৰণত তোমাক চণ্ডশাপ দি মই যি মহাপাপ সঞ্চয় কৰিলো, তাৰ ফল মই পালো আৰু ভক্তদ্ৰোহী আচৰণ নকৰো। এইবাৰৰ বাবে মোক মৃত্যুৰ পৰা ৰক্ষা কৰি তোমাৰ চিৰকীৰ্তি উজ্বল কৰা। ৰজাই ঋষিৰ মহাদুখত অভিভূত হৈ ক্ষমা কৰাত বিষ্ণু চক্ৰ নিবাৰণ পৰিলে আৰু মুনিৰ প্ৰাণ ৰক্ষা কৰিল। বিষ্ণু ভক্ত ৰজাই চন্দ্ৰ-দিবাকৰৰলৈ খ্যাতি অৰ্জন কৰিলে। ৰজা অম্বৰীশে হৰিভক্তিৰ গুণতে ঋষি শাপৰপৰা নিষ্কৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। (খঙে নিজৰহে বেছি ক্ষতি কৰে, গতিকে খং ত্যাগ কৰা উচিত।)■■

# আলোকিত জীৱনৰ প্ৰথম খোজ

বৰদা শইকীয়া

শিৰোমণি ভূঞাৰ উত্তৰাধিকাৰীক অন্য শিষ্যৰ দৰে থকা-মেলা কৰিবলৈ দিয়াৰ বাবে বা অন্য শিষ্যৰ দৰে সৰা-মচা, ধোৱা-পখলা কৰিব দিয়াৰ বাবেহে যে গুৰু কন্দলিৰ মনত দ্বিধা-সংকোচভাৱে খোপনি পুতিছিল এনে নহয়, টোললৈ অহাৰ দিন ধৰি শঙ্কৰৰ অসাধাৰণ কাৰ্য-কলাপে তাৰাৰ প্ৰতি গুৰুৰ এক বিশেষ ধাৰণাই খোপনি পুতিছিল। পৰম বিস্ময়, অজস্ৰ কৌতুহল, দ্বিধা-সংকোচ, এবাহে গুৰুজনৰ হৃদয় সঙ্কুচিত কৰি পেলাইছিল। নৈষ্ঠিক, সৎ, বিষ্ণুভক্ত কন্দলিয়ে নিজৰ ধ্যানৰ বলত হয়তো গম পাইছিল শঙ্কৰ সাধাৰণ মানৱ নহয়। অসাধাৰণ প্ৰতিভাৰ অধিকাৰী, অতিমানৱ শঙ্কৰৰ গাত নিশ্চয় ভগৱানৰ অংশ আছে। এজাক শিষ্যৰ মাজত শঙ্কৰৰ প্ৰতি গুৰু কন্দলিৰ আচুতীয়া স্নেহ। শঙ্কৰৰ চাল-চলন, মেধা স্মৃতিৰ প্ৰতি গুৰু আকৃষ্ট।

"বোপাই টোলৰ নীতি-নিয়মৰ মাজত তুমি কিজানি কষ্ট অনুভৱ কৰিছা।" কন্দলিয়ে শঙ্কৰক সুধিলে।

"নাই, নাই গুৰুদেৱ, এই কথা কিয় কৈছে? আপোনাৰ আশ্ৰয়ত থাকি আপোনাৰ নিৰ্ভয়দানত মই নতুন জীৱন লাভ কৰিছোঁ।"

শঙ্কৰক গুৰুৱেনো স্নেহ নকৰিব কিয়? কোনো এটা পাঠেই এবাৰতকৈ দুবাৰ পঢ়াব লগা হোৱা নাই। খুব সোনকালে সকলো শিক্ষা আয়ত্ব কৰিব পাৰিছে— সকলো বুজি লৈছে। এদিনাখন গুৰুৱে সকলোবোৰ শিষ্যকে এটি শ্লোক লিখিবলৈ ক'লে। সেয়া শঙ্কৰ বিদ্যালয়লৈ যোৱাৰ মাত্ৰ কেইদিনমান পিচৰ কথা। আখৰ চিনিছেহে মাত্ৰ। গুৰুৱে শঙ্কৰৰ পৰা শ্লোক আশা কৰা নাই। কিন্তু গুৰু আৰু আনবোৰ সহপাঠীক আচৰিত কৰি শঙ্কৰে লিখিছে—

"কৰতল কমল কমল দল নয়ন।
ভৱদৱ দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সমভয় ভয় ভয় সমৰহ সততয়।।
খৰতৰ বৰ শৰ হত দশবদন।
খগচৰ নগধৰ ফনধৰ শয়ন।।
জগদঘমপ হৰ ভৱ ভয় তৰণ।
পৰপদ লয় কৰ কমলজ নয়ন।।
ভকতৰ ভয়হৰ ভগৱন শৰণ।
শঙ্কৰ কহৰহ নমৰহ মৰণ।।"

আ-কাৰ, উ-কাৰ নোহোৱাকৈ অৰ্থবহ শ্লোকটো লিখি গুৰুৰ হাতত বৰ স্বাভাৱিকভাৱে অৰ্পণ কৰিলে। গুৰুৰ আশ্চৰ্যৰ সীমা নোহোৱা হ'ল। কবিতাটোৰ অৰ্থ উপলব্ধি কৰি গুৰু অভিভূত হ'ল। 'তেল-লোণ নোহোৱা শুদা ব্যঞ্জনৰে ইমান স্বাদ' এয়া জানো সাধাৰণ ল'ৰাৰ কাম হ'ব পাৰে? যি মূলা বাঢ়ে তাৰ দুপাততে চিন' বুলি কথা এষাৰ আছে। আকাৰ-উকাৰ নোহোৱাকৈ এই কবিতা লিখা বালকজন নিশ্চয় এদিন ডাঙৰ পণ্ডিত হ'ব। ছাত্ৰৰ কৃতিত্বত গুৰুৰ আনন্দ লাগিল। শঙ্কৰৰ গাত নিশ্চয় ভগৱান প্ৰদত্ত শক্তি আছে নহ'লে এই কাম সম্ভৱ নহয়। এই মনোভাব, এই বিশ্বাস আৰু গাঢ় হ'ল যিজিনা গুৰুৱে দেখা পাইছিল এক অভাৱনীয় দৃশ্য।

গুৰুৱে দেখা পাইছিল শঙ্কৰে গা-ধুই আহি শিল এচটাত বহি চুলি ফণিয়াইছে। তেওঁ অতি আচৰিত হ'ল— শঙ্কৰে দেখোন দুখন হতেৰে গাৰ পানী মচিছে, আন দুখন হাতেৰে মূৰৰ চুলি ঠিক কৰিছে। গুৰুৱে নিজৰ গাতে চিকুটি চাইছিল, এয়া বাস্তৱ নে মনৰ ভ্ৰম? মাত্ৰ ক্ষন্তেকৰ বাবেহে বিষ্ণুৰ চাৰিহাতৰ দৰে শঙ্কৰৰ চাৰিহাত দেখিবলৈ সক্ষম হৈছিল গুৰুদেৱ। হয়তো ভগৱানৰ অংশৰূপে জনম লাভ কৰা শঙ্কৰৰ প্ৰকৃত ৰূপটো গুৰুৱে অন্তদৃষ্টিৰে দেখা পাইছিল। আন এদিন আকৌ গুৰুৱে দেখা পাইছিল, শঙ্কৰে পঢ়াশালিতে টোপনি গৈ আছে। দুপৰীয়াৰ ৰ'দ পৰা শঙ্কৰৰ শৰীৰটোত মস্ত নাগ এটাই ফণা মেলি ছাঁ দিছে। বাৰে বাৰে শঙ্কৰৰ কাৰ্যই গুৰুৰ হৃদয় ঝঙ্কাৰিত কৰিলে। শঙ্কৰৰ ফালে দৃষ্টি নিক্ষেপ কৰিলেই গুৰুৱে দেখা পাই শঙ্কৰৰ গাৰ পৰা ওলোৱা অপৰূপ জ্যোতিয়ে তেওঁক বিমুগ্ধ কৰিছে, গুৰু মোহাচ্ছন্ন হৈছে শঙ্কৰৰ প্ৰতিটো কথাত। তেওঁ নিজৰ মনতে ঠিৰাং কৰিলে এই অসাধাৰণ বালকটিক সাধাৰণ শিষ্যৰ সৈতে একে শাৰীতে থ'লে দোষে চুব। এদিন সকলো শিষ্যক একলগ কৰি গুৰুৱে ক'লে— আজিৰপৰা শঙ্কৰক সৰা-মছা ইত্যাদি কামৰপৰা ৰেহাই দিয়া হৈছে আৰু শঙ্কৰক সকলোৱে 'শঙ্কৰদেৱ' বুলিব লাগে। ছাত্ৰসকলৰ মনৰ ভাবৰ বুৰবুৰণিৰ সৃষ্টি হ'ল। কোনোৱে ভাল পালে, কোনোৱে বেয়া পালে আকৌ কাৰোবাৰ মনত ঈৰ্ষাৰ সৃষ্টি হ'ল। উচ্চ জাতৰ শিষ্য থাকোতে গুৰুৱে সাধাৰণ ভূঞা বংশৰ সন্তানকহে 'দেৱ' উপাধি দিলে ই কেনে কথা!

গুণীয়েহে গুণীৰ মোল বুজি পায়। প্ৰকৃত শিক্ষাগুৰু ব্ৰাহ্মণ পণ্ডিত মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰৰ ভিতৰৰ মানুহজন চিনি পাইছিল। সেয়ে যাক যেনেকৈ স্বীকৃতি প্ৰদান কৰিব লাগে, কৰিছিল। ৰাঘবাচাৰ্যৰ অধীনত এদল শিষ্যৰ ঈৰ্ষাও মষিমূৰ হৈছিল দৈৱগুণ প্ৰভাৱত। সেই সকলেও অৱশেষত শঙ্কৰক 'শঙ্কৰদেৱ' বুলিয়েই সন্মান আৰু শ্ৰদ্ধা জনাইছিল।

'শঙ্কৰদেৱ' আখ্যা পালেও শঙ্কৰৰ মনত গৰ্ব-অহংকাৰৰ ভাব জগা নাই। শঙ্কৰ, শঙ্কৰেই; খেৰসুতিৰ নাতি বোপাইকণ। গুৰুৰ আদেশমতে টোলত থাকিলেও, অধ্যয়নত মনপুতি লাগিলেও আইতাকলৈ মনত পৰিলেই শঙ্কৰৰ মনত বেজাৰ লাগে। নিচেই কেচুৱাৰেপৰা আইতাকৰ বিশাল দেউকাৰ আঁৰত ডাঙৰ-দীঘল হোৱা শঙ্কৰে আইতাকক এক মুহূৰ্তও পাহৰিব নোৱাৰে। শঙ্কৰক টোলত থৈ বিদায় লোৱা মুহূৰ্তৰ আইতাকৰ চকুহালিৰ কথা শঙ্কৰৰ চেৰেং চেৰেঙকৈ মনত পৰি থাকিল। শঙ্কৰৰে চকুত চকুপানী দেখিলে আইতাকে দুখ পাব বুলিহে শঙ্কৰে স্থিতপ্ৰজ্ঞৰ দৰে ধৈৰ্য, সহ্য, গুণেৰে আইতাকক বিদায় দিছিল। শঙ্কৰে নোখোৱাৈলৈ খাবলৈ বৈ থকা, গা-মূৰ পিহি নিচুকণি গীতেৰে শঙ্কৰক টোপনি নিওৱা আইতাকৰ কথা মনত পৰিলেই শঙ্কৰৰ টোলত মন নবহা হয়। তাতে ৰাম ৰাম আদি বন্ধুসকলক ইমান সহজতে এৰিব পাৰিনে? নিজৰ দায়িত্ব পালন কৰি টোলত থাকিলেও আনবোৰ শিষ্যৰ দৰে একেৰাহে শঙ্কৰে টোলত নাথাকে। মাজে মাজে নিজ গৃহলৈ উভতি যায়। আইতাকে মুখত দেখুৱাই শঙ্কৰক খং কৰিলেও গুৰু মহেন্দ্ৰ কন্দলিৰ পৰা শঙ্কৰৰ অধ্যয়ন সম্পৰ্কত জানিব পাৰি সুখী হয়। মাজে মাজে এইদৰে শঙ্কৰক পাই তেওঁৰ হৃদয়খন শাঁত পৰে। গুৰু কন্দলিয়ে মনতে ভাবে স্বয়ং কৃষ্ণই যিদৰে সন্দিপণী মুনিৰ আশ্ৰমত থাকি শাস্ত্ৰ অধ্যয়ন কৰিছিল শঙ্কৰেও তেওঁৰ আশ্ৰয়ত তেনেকৈ অধ্যয়ন কৰিছে। কিয়নো অতি কম দিনতে শঙ্কৰে চাৰিবেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণ, ওঠৰ কাব্য, ওঠৰ কোষ, চৈধ্য ব্যাকৰণ, ওঠৰ সংহিতা, ৰামায়ণ, মহাভাৰত, মহাকাব্য তন্ন তন্নকৈ অধ্যয়ন কৰি জ্ঞানৰ আলোকেৰে উজ্বলি উঠিছিল, যাৰ বাবে গুৰুদেৱ অভিভূত হৈছিল।

অধ্যয়নত থকা কালতে শঙ্কৰদেৱে— মাকণ্ডেয় পুৰাণৰপৰা মূল কথাভাগি গ্ৰহণ কৰি ধৰ্মৰ চাৰি খুটি 'হৰিশ্চন্দ্ৰ উপাখ্যান' ৰচনা কৰিছিল।

যোল্ল বছৰ বয়সত অধ্যয়ন সমাপ্ত কৰি শঙ্কৰে গুৰুগৃহৰপৰা বিদায় ল'লে। সোণ, ৰূপ, তাম, বস্ত্ৰ, ধন আদি দ্ৰব্যৰে গুৰু দক্ষিণা আগবঢ়াই ভক্তি অৰ্ঘৰে শঙ্কৰে গুৰু কন্দলিৰপৰা বিদায় মাগিলে।

একান্ত আন্তৰিকতাৰে আশীৰ্বাদ জনাই গুৰুৱে শঙ্কৰক বিদায় দিলে। জগতৰ উদ্ধাৰৰ বাবে ভগৱানে তোমাক জনম দিছে। জগতৰ কল্যাণৰ বাবে, মানৱৰ সেৱা, কল্যাণৰ বাবে ভগৱানে তোমাক শক্তি দিব।"

গুৰুৰ আশীৰ্বাদ শিৰত গ্ৰহণ কৰি শঙ্কৰে এক নতুন যাত্ৰাত খোজ দিলে। প্ৰভাতৰ সুৰুযৰ আলোকৰে গোটেই পৃথিৱীখন আলোকিত হ'ল। মুকলি আকাশ, মুকলি পৃথিৱীয়ে শঙ্কৰৰ যাত্ৰাত আদৰণি জনালে।■■

---


সহায়ক গ্ৰন্থ ঃ
১। পূৰ্ণাঙ্গ কথা গুৰুচৰিত ঃ ড° সঞ্জীৱ কুমাৰ বৰকাকতি।
২। সৰ্ব গুণাকৰ ঃ ড° নিৰুপমা মহন্ত


## ফকৰা-যোজনা

- অল্প আৰ্জন, বিস্তৰ ভোজন।
  সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ।।
- গুৰুতকৈ শিচ সিয়ান
  খুঁচৰি খুঁচৰি লয় জ্ঞান।

## সাঁথৰ

১। কি সম্পদ দান কৰিলে বাঢ়ি যায়?
২। তই ক'লৈ নালাগে, মই ক'লে লাগে?

উত্তৰঃ
১। বিদ্যা
২। ওঁঠ দুটা

# সফলতাৰ কাহিনীবোৰ অনুপ্ৰেৰণাদায়ক

অভিজিত শৰ্মা বৰুৱা, *অভিযন্তা*

তোমালোকৰ বহুতে হয়তো ভবা— "আমাৰ মগজুৰ ক্ষমতা কম, কথাবোৰ মগজুত নোসোমায়, সেয়ে আমি কথাবোৰ মনত ৰাখিব নোৱাৰো, মনত ৰাখিবৰ বাবে যদি কিবা 'জিন' থাকে তেন্তে সেই জিন আমাৰ বোধকৰো নাই। অমুকে ভাল পৰিৱেশ পাইছে, আমি কেনেকৈ তেওঁতকৈ বেছি ভাল কৰিব পাৰিম। ইত্যাদি ইত্যাদি! এইবোৰ কথা যদি ভাবিছাও, তোমালোকে বিশেষ ভুল ভবা নাই। কিন্তু আচল কথা কি জানা? তোমালোকৰ জীৱনৰ লক্ষ্যত উপনীত হ'বৰ বাবে সেইবোৰতকৈ আন কিছুমান কথাৰহে বেছি প্ৰয়োজন।

প্ৰখ্যাত বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে তেওঁৰ ব্ৰিলিয়েণ্ট চিন্তাৰ নিদৰ্শন দেখুৱাই আপেক্ষকতা তত্ত্বৰ দৰে এটা জটিল, কিন্তু যুগান্তকাৰী তত্ত্ব আৱিষ্কাৰ কৰিছিল। আচলতে তেওঁ আৰু বহু গুৰুত্বপূৰ্ণ তত্ত্ব আৱিষ্কাৰ কৰিছিল। কিন্তু আপেক্ষকতা তত্ত্বকে এক নম্বৰত ধৰা হয়। তেওঁৰ গৱেষণাগাৰ আছিল তেওঁৰ মূৰটোৱেই! তাতে এই সকলোবোৰ গুৰুত্বপূৰ্ণ চিন্তা লুকাই আছিল। মানুহে ভাবিছিল তেওঁৰ মগজুটো চাগৈ বেলেগ 'বস্তু' হ'ব! মানুহৰ ইচ্ছাৰ প্ৰতি সঁহাৰি জনায়েই নেকি, আইনষ্টাইনে তেওঁৰ মগজুটো গৱেষণাৰ বাবে দান দি গৈছিল। তেওঁৰ মৃত্যুৰ পাচত তেওঁৰ মগজুটো চিকিৎসা বিজ্ঞানীৰ দলে পৰীক্ষাও কৰিলে। কিন্তু মানুহৰ উৎসাহত কিছু পৰিমাণে চেঁচাপানী পেলাই তেওঁলোকে বিশেষ তাৎপৰ্যপূৰ্ণ একো কথা ধৰা পেলাব নোৱাৰিলে। ১৯৯৯ চনৰ এক প্ৰতিবেদন মতে তেওঁৰ মগজুটো গড় আকাৰতকৈ অলপহে (১৫ শতাংশ) ডাঙৰ আৰু মগজুৰ এক অঞ্চল পেটাৰ্ন কিছু বেলেগ। কিন্তু কিহৰ বাবে তেওঁ ইমান প্ৰখৰ আৰু গভীৰ চিন্তা কৰিব পাৰিছিল তাৰ সদুত্তৰ পোৱা নগ'ল। আমি কিন্তু সেই পৰীক্ষাৰপৰা আন এটা ডাঙৰ কথাও জানিলোঁ। আইনষ্টাইনৰ মগজুৰ যথেষ্ট অঞ্চলেই হেনো খৰচ হোৱা নাছিল। মানে কোষবোৰ ব্যৱহৃত হোৱা নাছিল। বৃদ্ধ বয়সলৈকে ইমান চিন্তা-চৰ্চা কৰাৰ পাছতো যেতিয়া তেওঁৰ মগজুৰ ইমান অংশ খালীয়েই থাকিল, তেন্তে আমাৰ মগজুবোৰত যে কিমান বেছিল খালী ঠাই আছে! গতিকে মগজুত ঠাই নথকা কথাটো আমি ভাবিবকে নোৱাৰোঁ। ভঁৰাল খালী থকাৰ পাছতো যদি কৃষকে তাত ধান নথয়, সেইটো কাৰ দোষ?

তোমালোকক মেৰী কুৰীৰ বিষয়েও দুটামান কথা ক'লে পাচৰ কথাখিনি ক'বলৈ আৰু ভাল হ'ব। ৰেডিয়ামৰ আৱিষ্কাৰক হিচাপে জগত বিখ্যাত মেৰী কুৰীৰ এন অনন্য কৃতিত্বও আছে। বিজ্ঞানৰ দুটা শাখাত (পদাৰ্থ বিজ্ঞান আৰু ৰাসায়ন বিজ্ঞান) ন'বেল বঁটা লাভ কৰা তেওঁ একমাত্ৰ বিজ্ঞানী। মেৰী কুৰীয়ে যেতিয়া পোলেণ্ডত জন্ম লাভ কৰিছিল, সেই সময়ত পোলেণ্ড ৰাছিয়াৰ অধীনত আছিল। পোলেণ্ডৰ স্থানীয় লোকে জ্ঞান-বিজ্ঞানৰ চৰ্চা কৰাটো একেবাৰে দুৰূহেই আছিল। বিশেষকৈ ছোৱালীয়ে তাত উচ্চ শিক্ষা লাভ কৰাটো অসম্ভৱ আছিল। গতিকে মেৰী কুৰীয়ে কলেজত পঢ়িবলৈ বৰ মন থকাৰ পাচতো পঢ়িব নোৱাৰিলে। অভাৱৰ

বাবে তেওঁ বেলেগ মানুহৰ ঘৰত পৰিচাৰিকা হিচাপেও কাম কৰিবলগীয়া হৈছিল। কিন্তু তেওঁ নিজৰ দৃঢ় ইচ্ছা কেতিয়াও বাদ দিয়া নাছিল। সেই তীব্ৰ মনোবলৰ বাবেই তেওঁ কিছু বছৰৰ পাচত বহুতো 'মেনেজ' কৰি শেষ পৰ্যন্ত পঢ়িবলৈ পেৰিছ পালেগৈ। তাতো তেওঁ যি ধৰণৰ এটা কোঠাত আৰু যেনে পৰিৱেশত আছিল যে তেওঁৰ লগৰ আনে তাত থকাৰ কথা হয়তো ভাবিবই নোৱাৰিলেহেঁতেন। কেবামহলাৰ ওপৰত থকা সস্তীয়া কোঠাটোলৈ তেওঁ বয়-বস্তুবোৰ কেঁকোজেকোঁকৈ লৈ গৈছিল। বেলেগক নিবলৈ দিলে যে পইচা ভৰিব লাগিব। সৰু কোঠাটোত তেওঁ নিজেই ৰান্ধি-বাঢ়ি খায়, পঢ়ে আৰু এখন সৰু বিছনাত শুৱে। পোলেণ্ডত তেওঁৰ বহুত সময় এনেয়ে নষ্ট হ'ল। এতিয়া আৰু সময় নষ্ট কৰিব নোৱাৰি! গতিকে তেওঁ বৰ কষ্ট কৰি পঢ়িছিল, পাঠ্যক্ৰম যিমান পাৰি সোনকালে শেষ কৰিছিল। অকলে থাকি, নিজে ঘৰৰ সকলো কাম কৰিও তেওঁ কিমান ভাল ৰিজাল্ট কৰিলে! স্নাতক হ'ল। তাৰ পাছত সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে। ছৰবোন বিশ্ববিদ্যালয়ৰ 'ব্ৰিলিয়েণ্ট' ছাত্ৰী হিচাপে পৰিগণিত হ'ল। পিয়েৰী কুৰীৰ লগত তেওঁৰ বিয়া হোৱাৰ পাছত অৱস্থা কিছু ভাল হ'ল। কিন্তু তাৰ পাছতো ৰেডিয়াম আৱিষ্কাৰ কৰোতে তেওঁ কম নিষ্ঠা-ধৈৰ্য প্ৰদৰ্শন কৰিলেনে? কিন্তু শেষত কি হ'ল? এঃ সেইবোৰ মইনো কি কম! তোমালোক আটায়ে জানাই!

গতিকে আমি কি বুজিলো? মানে মগজুক লৈ আমাৰ কাৰো তেনে সমস্যা নাই। তাত বহু ঠাই খালী হৈ আছে। আমি কথাবোৰ তাত ভালদৰে প্ৰণালীবদ্ধভাৱে ভৰালেই হ'ল। তোমালোকৰ ঘৰতে যদি তুমি বস্তুবোৰ খেলিমেলিকৈ দলিয়াই থৈ দিয়া, প্ৰয়োজনৰ সময়ত জানো বিচাৰি পাবা? গতিকে মগজুতো তুমি যদি তথ্যবোৰ ঠিকমতে আৰু প্ৰণালীবদ্ধভাৱে কথাবোৰ নোথোৱা, মগজুৰনো সঠিক সময়ত প্ৰয়োজনমতে সেইবোৰ উলিয়াই দিবলৈ কি গৰজ পৰিছে? আৰু এটা কথাও কিন্তু আমি গম পাই গ'লো। মেৰী কুৰীৰ জীৱনৰ পৰা আমি বুজিলো যে লক্ষ্যত উপনীত হ'বৰ বাবে মেধাতকৈও বেছি গুৰুত্ব দৃঢ় সংকল্প, ধৈৰ্য সংকল্প, ধৈৰ্য, একাণপতীয়া মনোভাব আদিৰহে। তোমালোকে ভাবিছা নেকি যে পোলেণ্ডৰ সেই অখ্যাত গাঁৱৰ মেৰী কুৰীতকৈ বেছি মেধাৰ মানুহ পৃথিৱীত আৰু নাছিল? নিশ্চয় আছিল। কিন্তু মেৰীয়ে তেওঁৰ দৃঢ় সংকল্প, লক্ষ্যত উপনীত হোৱাৰ দুৰ্বাৰ ইচ্ছা, কষ্ট আৰু একাগ্ৰতাৰে সেই সুউচ্চ স্থান লাভ কৰিব পাৰিলে, একক অনন্য কৃতিত্ব স্থাপন কৰিব পাৰিলে। তোমালোকৰ যদি সিমান নহ'লেও কিছু অন্তত তেনে গুণ থাকে, তেন্তে নিশ্চয় নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিবা। আৰু যদি তোমালোকৰ দৃঢ় সংকল্প, লক্ষ্য পূৰণৰ ইচ্ছা, একাগ্ৰতা, পৰিশ্ৰম নাথাকে, তেতিয়া হ'লে...! শুনিবলৈ বেয়া লাগিলেও উপায় নাই, তেতিয়া আনে কি ভগৱানেও সহায় কৰিব নোৱাৰে!

তোমালোকৰ বয়সটোৰেই এনেকুৱা যে যিমানেই মন বান্ধা, মাজে মাজে মন থৌকি-বাথৌ হ'বই, সংকল্পই মাজে মাজে দৃঢ়তা হেৰুৱাব খুজিবই। গতিকে জ্ঞানীলোকে দিয়া এটা উপায়কে তোমালোকক দিওঁ। প্ৰখ্যাত মানুহৰ সফলতাৰ কাহিনীবোৰ সঘনাই পঢ়িবা। তেনে ধৰণৰ সঁচা কাহিনীবোৰ পঢ়াটো এটা অভ্যাসেই কৰি লোৱা। সেয়া হ'ব তোমাৰ মনৰ বাবে এক সুস্বাদু, স্বাস্থ্যকৰ আহাৰ।

এটা কথা, আমি যে অলপ আগতে মেৰী কুৰীৰ সফলতাৰ কাহিনী অলপ হ'লেও উনুকিয়াইছিলো, তোমালোকৰ মনবোৰে সামান্য হ'লেও 'আহাৰ' পোৱা যেন লগা নাইনে বাৰু?■■

# সেই মৰমিয়াল ছোৱালীজনী

মহেন কোঁৱৰ

'ফাদাৰ এতিা আমি কোন ফালে যাম?' প্ৰায় দহ-এঘাৰ বছৰীয়া ছোৱালীজনীয়ে চুবুৰীটোৰ গিৰ্জাৰ পুৰুহিতজনক প্ৰশ্ন কৰিলে। অ' হয় ব'লা, আমি নিকল পথৰ ফালে যাওঁ। তাতগৈ পুতলা ঘৰটোৰ কাযতে ৰ'ব লাগিব। তেনেতে সন্মুখৰ ফালে ৰ'জাৰ নামৰ গৰখীয়া ল'ৰাজনক দেখি ফাদাৰে সুধিলে— 'কি হ'ল ৰ'জা, আজি দেখোন তোমাৰ কুকুৰটো লগত নাই?'

চকুদুটা চলচলীয়া কৰি ৰ'জাৰে উত্তৰ দিলে— 'ফাদাৰ তাৰ অৱস্থা একেবাৰে বেয়া। কেইটামান দুষ্ট ল'ৰাই শিলগুটি দলিয়াই তাৰ ভৰি এখন ভাঙি দিছে। শিলগুটি লাগি তাৰ গাটোৰো কেইবা ঠাইত ঘাঁ হৈ গৈছে। এতিয়া সি লৰচৰ কৰিব নোৱাৰি এঠাইত পৰি আছে। আৰু যন্ত্ৰণাত তাৰ গাটো কঁপি আছে।

'পিছে এতিয়া কি কৰিম বুলি ভাবিছা। কুকুৰটো ভাল কৰা উপায় আছেনে নাই?' ফাদাৰে বেজাৰ মনেৰে সুধিলে। 'কিনো ক'ম ফাদাৰ, তাক ভাল কৰাৰ কোনো উপায় নাই। ইমান যে কষ্ট হৈছে তাৰ। তাক মাৰি পেলোৱাৰ বাহিৰে আন উপায় নাই। তেতিয়াহে তাৰ যন্ত্ৰণা শেষ হ'ব বুলি ভাবিব পাৰিম।

ইমান পৰে সেই দহ-এঘাৰ বছৰীয়া ভনীজনীয়ে দুয়োজনৰ কথা-বতৰাবোৰ নীৰবে শুনি আছিল। পিছে কুকুৰটোক মাৰি পেলাব খোজাৰ কথা শুনি তাই চিঞৰি উঠিল— 'এনে কথা মুখলৈ নানিবা। ব'লা কুকুৰটোৰ ওচৰলৈ মোক লৈ ব'লা। তাক ভাল কৰাৰ উপায় এটা উলিয়াম।'

ৰ'জাৰে সেই সৰু ভনীজনীক সঁচাকৈয়ে তেওঁৰ ঘৰলৈ লৈ গ'ল। ভনীজনীয়ে কুকুৰটোৰ দুখ পোৱা ভৰিখনত মৰমেৰে কোমলকৈ হাত বুলালে। তাৰ পিছত গৰম পানীত কাপোৰ তিয়াই কুকুৰটোৰ উখহি থকা ভৰিখনত সেক দিবলৈ আৰম্ভ কৰিলে। প্ৰায় কেইঘণ্টামান জুৰি তেনেকৈয়ে সেক দিলে সেই কণমানি ভন্টিজনীয়ে। ৰাতিলৈ তাৰ বিষ পাতলিল আৰু সি থিয় হ'ব পৰা হ'ল। মৰমেৰে কুকুৰটোৰ দুখখিনি অনুভৱ কৰি থাকোঁতে তেওঁৰ মনলৈ আহিছিল মানুহৰ দুখ-যন্ত্ৰণাৰ কথাও। দুফালে বৈছিল দুধাৰী চকুলো। আৰু সেই সময়তে তেওঁ যেন প্ৰতিজ্ঞাবদ্ধ হৈছিল মানুহৰ দুখৰ উপশম ঘটাবলৈ চেষ্টা কৰাটোৱেই হ'ব তেওঁৰ জীৱনৰ একমাত্ৰ ব্ৰত।

সেই কণমানি ছোৱালীজনীয়ে একালত আৰম্ভ কৰিলে নাৰ্ছিং সেৱা। বিপদ কালত বেমাৰ-আজাৰত মানুহ আৰু জীৱ-জন্তুক সহায় কৰিবলৈ আগবাঢ়ি অহা সেই স্নেহশীলা মহীয়সী নাৰীগৰাকীয়েই হ'ল ফ্লোৰেন্স নাইটিংগেল। পৃথিৱীয়ে নাপাহৰে তেওঁক। মানৱ সেৱাই ঈশ্বৰ সেৱা।■■

# শ্ৰীকৃষ্ণৰ শিশুলীলা

ৰাজেন দত্ত

(ক) মাটিখোৱা ঃ

শ্ৰীকৃষ্ণই যেতিয়া থিয়দি খোজকাঢ়ি ফুৰিব পৰা হ'ল তেতিয়া একে সমনীয়া শ্ৰীদাম, সুদাম, বসুদাম, সুবল্ল আদি লগৰ লগৰীয়া হ'ল। দাদাক বল্লভদ্ৰও লগতে খেলি ফুৰে। গৰু চৰাবলৈ যায়। কৃষ্ণই সকলোৰে ভিতৰত মুখীয়াল আৰু আদৰৰ। কৃষ্ণই কোৱা কথাৰ অবাধ্য কোনো নহয়।

এদিন কৃষ্ণই কৃষ্ণই তেওঁৰ গৰ্ভৰ ভিতৰতে গোটেই বিশ্বব্ৰহ্মাণ্ডখন দেখুৱাবৰ অভিপ্ৰায়ে মাটিৰ লাদ এটি খালে। লগৰীয়াবোৰে দেখিলে দাদাক বলাইয়েও দেখিলে। তাৰে এজনে কৃষ্ণৰ মাক যশোদাক লগাই দিলেগৈ যে— 'কৃষ্ণই আজি মাটি খালে।' মাকে আহি কৃষ্ণৰ হাতত ধৰি— 'কিয় মাটি খালি' বুলি সোধাত কৃষ্ণই ক'লে যে মাটি খোৱা নাই। মিছাকৈহে লগাইছে। বুলি কোৱাত সকলো লগৰীয়াৰ লগতে বলভদ্ৰও খাইছে বুলি ক'লে। তেতিয়া যশোদাই মুখখন চাওঁ বুলি কোৱাত মেলি দেখুৱালে। মাকে কৃষ্ণৰ মুখ চাই দেখে গৰ্ভৰ ভিতৰত পৃথিৱী আকাশ, চন্দ্ৰ, সূৰ্য, গ্ৰহ-নক্ষত্ৰ সকলো আছে। ভয়তে যশোদাই চকু মুদিলে। কৃষ্ণই যে ঈশ্বৰ এনে ধাৰণা হ'ল। সকলো গোপ-গোপীৰ আগত যশোদাই ক'বলৈ ল'লে। কৃষ্ণইও এই বিভূতি ঐশ্বৰিক শক্তি দেখুৱাবলৈ মাটি খাইছিল।

(খ) ভূমি লেটোৰা ঃ

আন এদিন কৃষ্ণই কি কৰিলে শুনা। মাকে ঘৰুৱা কাম-বনত লাগি আছে। কৃষ্ণই মনে মনে ভিতৰ সোমাই এটা কলহৰ লৱণু খাই আছে। এনে সময়তে মাক সোমাই যোৱাত মাৰিব বুলি ভাবি ভয়াতুৰ হৈ ফেকুঁৰী ফেকুঁৰী কান্দি মাকক ক'লে— আই, কালি তুমি দিয়া এই কলহটোত মই লৱণুকেইটা ভৰাই থৈছিলো। এতিয়া দেখোন ইয়াৰ ভিতৰত লৱণু নাই। মোৰ লৱণু কোনে খালে? মই কি খাওঁ বুলি কান্দিবলৈ ধৰিলে।

মাকে নাকান্দিবা বাপু মই আন লৱণু দিম বুলি কোৱাত বেছিকৈহে কান্দিলে। আকৌ হাতৰ বাঁহীটো লুকুৱাই ক'লে— আই মোৰ দেখোন বাঁহীটোও নাই। মোৰ আজি কি কপাল? কি দশা হ'ল? এই বুলি পুনৰ কান্দিবলৈ ধৰিলে। যশোদাই একেটি মাত্ৰ পুত্ৰৰ দুখ সহিব নোৱাৰি মাটিৰ পৰা দাঙি ধুলি-বালি জোকাৰি কোলাত ল'লে, বাংশীটো ওলাল। এতিয়া লৱণুৰ বাবে কান্দিবলৈ এৰা নাই। যশোদাই শান্তনা দি কৈছে— কৃষ্ণ নাকান্দিবা। এতিয়া নন্দই গাখীৰ লৈ আনিব। মই তোমাক নতুন লৱণু কৰি দিম। কৃষ্ণই কিন্তু নহয়— মোক এতিয়াই ভিতৰত থকা চৰুটোকে দিয়া। যশোদাই এচৰু লাৰু পূজাৰ বাবে থৈছিল। সেই পূজাৰ লাৰু নিদিলে মানে নেৰিলে। মাকে তাকে দিয়াত লগৰীয়াবোৰৰ সৈতে যিমান পাৰে হেঁপাহ পলুৱাই খালে। নিজৰ ঘৰতে ঈশ্বৰ কৃষ্ণ থকাত আন দেৱতাৰ পূজা নিবাৰণ কৰিলে।

(গ) পিম্পৰা গুচোৱা ঃ

আন এদিনৰ কথা। এঘৰ লোকৰ গোপজন কামত ওলাই গ'ল। গৃহস্থনী গোপীজনীও ল'ৰাটি শুৱাই থৈ কাষত কলহ লৈ দুৱাৰখন জপাই যমুনা

নৈৰ পৰা পানী আনিবলৈ যোৱা কৃষ্ণই দেখিলে। সেই সুযোগতে কৃষ্ণই ভিতৰ সোমাই ক'ত কি খোৱা বস্তু আছে চাই ফুৰিছে। শুৱাই থকা ল'ৰাটোক ঢকিয়াই ভুকুৱাই জগালে, সি কান্দি আছে, পিছত কলহ এটাত লৱণু কিছুমান পালেগৈ। ততালিকে কেইটামান খালে। এনেতে পানী লৈ আহি গোপীজনী ঘৰত সোমাল। পানী থৈ কৃষ্ণক সুধিলে— তুমি কোনহে? কৃষ্ণই ক'লে— মই বলাইৰ ভায়েক। তুমি কিয় ইয়ালৈ আহিলা বুলি সোধাত ক'লে— 'মই আমাৰ ঘৰ পাহৰি এইটোৱেই আমাৰ ঘৰ বুলি সোমালো।' 'লৱণু কিয় খাইছা' বুলি সোধাত ক'লে— মই লৱণু খোৱা নাই, এই পৰুৱাবিলাকে লৱণু খাই থকা দেখি মই পৰুৱাহে খেদাইছোঁ, মই খোৱা নাই। 'তোমাৰ মুখত লৱণুৰ গোন্ধ আছে'। কৃষ্ণই ক'লে— 'তুমি লৱণু খাইছিলা। তোমাৰ স্বামীয়ে মৰাৰ ভয়ত মোৰ কথা কৈ সাৰিব খুজিছা। নিজৰ মুখ গোন্ধাইছে লোকক চোৰ ধৰিছা, মই কৈ দিম।' 'পুনৰ ল'ৰাটো কিয় জগালা?' কৃষ্ণই ক'লে— মোৰ গৰু এটা হেৰাইছে, পোৱা নাই। সি দেখিছিলনেকি সুধিবলৈ জগালো।'

কৃষ্ণৰ এনে উপস্থিত বুদ্ধি দেখি গোপী অবাক হ'ল। ওচৰৰ গোপীকেইগৰাকী মাতি আনি সকলো ক'লে। পিচত কেওগৰাকী গোপীয়ে 'লৱণু দিম বুলি আশা দি নচুৱালে। কৃষ্ণৰ নাচ মনোমহা। নাচ চাই হেঁপাহ বাঢ়িহে গ'ল। লৱণু খাবলৈ দি পুনৰ নচুৱাই থাকোতে সন্ধ্যা লাগিল।

যশোদাই কৃষ্ণ নহা দেখি বিচাৰিবলৈ বাটে বটে ওলাই গ'ল। দুই এজন পথিকক কৃষ্ণৰ বাতৰি সোধাত ক'ব নোৱাৰো বুলি ক'লে। যশোদাৰ মন উগুল-থুগুল লাগিল। আকৌ গোপী এজনী অহা দেখি সোধাত যেনিবা খবৰটি পালে। সেইমতে যশোদা গৈ নাচি থকা অৱস্থাত পালেগৈ। গোপীকেইজনীক গালি-গালাজ পাৰি কৃষ্ণক লৈ আহি গা-পা ধুৱাই তেল অগৰু সানি কাপোৰ পিন্ধাই পঞ্চামৃত খাবলৈ দিলে। এনেদৰে অনেক লীলা কৰি শ্ৰীকৃষ্ণই ব্ৰজবাসীক আনন্দ দিলে।■■

## ঃ সাধু বচন ঃ

দহটা কাম বাদ দি হ'লেও স্নান কৰিব লাগে,
এশটা কাম বাদ দি হ'লেও ভোজন কৰিব লাগে,
এহাজাৰ কাম বাদ দি হ'লেও গুৰু সেৱা কৰিব লাগে,
সকলো কাম বাদ দি প্ৰথমে ঈশ্বৰ সেৱা কৰা উচিত।

# সৎসঙ্গ

কেশৱ মোহন কলিতা

সনাতন! যি আছিল, আছে, থাকিব। যি অক্ষয়, অব্যয়। এই ভেটিৰ ওপৰত প্ৰতিষ্ঠিত বা এই ভেটিক ধাৰক হিচাপে যি ৰীতি-নীতি, ধ্যান-ধাৰণা গঢ়ি উঠিছে সেয়ে সনাতন ধৰ্ম। 'ধাৰণাত ধৰ্ম্ম ইতি আহুঃ' যিয়ে ধৰি ৰাখে, যাক ধাৰণ কৰা হয় সেয়ে ধৰ্ম। আনহাতে 'ধীয়তে জনৈ ইতি ধৰ্ম্মঃ'। ব্যক্তিয়ে ধাৰণ কৰাটোৱে ধৰ্ম। উপনিষদীয় এই সিদ্ধান্তৰ আলমতে কিছুমানে পণ্ডিতালি জাহিৰ কৰে যে ব্যক্তিয়ে ধাৰণ কৰাটোৱে ধৰ্ম। যেনে চোৰে চুৰ কৰে সেইটো তাৰ ধৰ্ম। খুটাটোৱে চালিখন ধৰি ৰাখিছে, খুটাটোৰ চালিখন ধৰি ৰখাটো ধৰ্ম। মুঠৰ ওপৰত ধৰ্মত নিজৰহে অধিকাৰ। আনৰ হাত নাই। যেয়ে যি ধৰ্ম পালন কৰিব ইচ্ছা কৰে সেইটোৱে পালন কৰিব পাৰে। কিন্তু প্ৰকৃতাৰ্থত এয়েনে ধৰ্মৰ ব্যাখ্যা? এই ব্যাখ্যা সুবিধাবাদীৰহে। ই প্ৰকৃত ধৰ্ম ব্যৱস্থা নহয়। কোটি কোটি বছৰৰ পথ পৰিক্ৰমাত মানৱে সাধনাৰ জৰিয়তে যি ধৰ্ম পথৰ নিদৰ্শন কৰিছে সেই পথ বেদ উপনিষদৰ বুকুত নিৰ্ণিত হৈ আছে। মানৱৰ কৰণীয় কি? কোন দিশে অগ্ৰসৰ হ'লে জীৱৰ কল্যাণ সাধন হয় এইয়ে সাধনালব্ধ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য। বেদবেত্তা ঋষিসকলে জীৱৰ উৰ্দ্ধগতি পথৰ নিৰ্ণয় কৰি কৈছে— "জন্মেন জায়তে শূদ্ৰঃ সংস্কাৰেণ দ্বিজ উচ্চতে'। অৰ্থাৎ সংস্কাৰ নহ'লে মানৱ প্ৰাণী পশুতুল্য হৈ থাকে। সংস্কাৰেহে দ্বিতীয় জন্ম পোৱাই আৰু মানৱ প্ৰাণীলৈ উত্তৰণ ঘটে।

বেদব্যাস, পৰাশৰ ঋষিৰ পুত্ৰ। বদৰিকাশ্ৰমত বহি জীৱনৰ বিয়লি বেলাত বিগত জীৱনৰ হিচাপ-নিকাচত ব্যস্ত জীৱনৰ পোৱা-নোপোৱা, সুখ-দুখ, লগতে কৃত কৰ্মৰ। অস্থিৰ উদাস মন অপাৰ উৰ্মিমালা চিন্তা সাগৰত। ব্ৰহ্ম চিন্তনতো বাৰে বাবে ব্যহত হয় মনন সংযোগ। সেই সময়তে আগমন দেৱৰ্ষী নাৰদৰ। ব্যাসদেৱে দেখিছে—

"হাতে দিব্য বীনা যন্ত্ৰ মুখে ৰাম নাম।
হৃদয়ত কৃষ্ণমূৰ্তি স্ফুৰ্ত্তি অবিশ্ৰাম।।
প্ৰেমে দ্ৰবে চিত্ত আতি ৰোমাঞ্চ শৰীৰ।
ধাৰাই শ্ৰৱন্তে আছে নয়নৰ নীৰ।।"

শ্ৰীমদ্ভাগৱতত বৰ্ণিত এয়াই নাৰদৰ ৰূপ। এক সংস্কাৰিত জীৱনৰ ৰূপ। জন্মা-জন্মান্তৰৰ সাধনাৰ ফল। এই ৰূপ প্ৰকৃতাৰ্থত ব্ৰহ্মবাদী ঋষিৰ ৰূপ। বৈষ্ণৱৰ ৰূপ, ভকতৰ ৰূপ। নাৰদৰ হাতৰ বীণা কৰ্ম সংস্কাৰৰ প্ৰতীক। উদাসীন নাৰদ বৈষ্ণৱ নাৰদ। ভগৱন্ত পুৰুষৰ গুণানু কীৰ্তন প্ৰচাৰক ব্ৰহ্মচাৰী, ভকতিৰ বিস্তাৰক নাৰদ। সংসাৰ বৈৰাগী নাৰদৰ কৰ্ম সংস্কৃতি বীণা বাদন। বীণাতো কৃষ্ণৰ গুণানুকীৰ্তন। এইদৰে সাংসাৰিক বৈষ্ণৱ ভকতৰো সংস্কৃতি প্ৰকৃতাৰ্থত কৰ্ম। সংসাৰ যাত্ৰাত প্ৰয়োজনীয় নৃত্য কৰ্মত প্ৰতি নিয়ত ৰত। মুখত ৰাম নাম হৃদয়ত কৃষ্ণ মূৰ্তি আৰু গোটেই অভিব্যক্তিত কৃষ্ণময় ভকতি প্ৰকাশ। নিৰলস সাধনাতহে ই সম্ভৱ। ই কৃচ্ছ সাধন নহয়, অধ্যৱসায়হে। নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতাৰে গাৰ্হস্থ্য জীৱনৰ প্ৰতিক্ষণতে কৰা দৈনন্দিন কাম সমাপন। সকলোতে কৃষ্ণ ভাৱনাতে সংপৃক্ত। শ্ৰীমদ্ভগৱতগীতাত অষ্টম অধ্যায়ৰ ২৭ নং

শ্লোকত ভগৱান শ্ৰীকৃষ্ণই সখা অৰ্জ্জুনক উপদেশ দিছে—

"য়ৎ কৰোছি য়দশ্নাসি য়জ্জুহোষি দদাসি য়ৎ।
য়ত্তপস্যসি কৌন্তেয় তৎকুৰুষ্য মদৰ্পণম্।।"

হে কুন্তিনন্দন, তুমি যিহকে কৰা, যিহকে যজ্ঞত আহুতিৰূপে দিয়া, যি খোৱা, যি দান কৰা, যি তপস্যা কৰা সেই সকলোবিলাককে মোত অৰ্পণ কৰি কৰা। অৰ্থাৎ মানৱ জীৱনৰ সকলো কৰ্ম, ধ্যান-ধাৰণা, যোগ, খোৱা-লোৱা আদি সকলো কৃষ্ণত অৰ্পণ কৰাৰ পৰামৰ্শ ভগৱান কৃষ্ণই অৰ্জুনক দিছে। শ্ৰীকৃষ্ণৰূপী পৰমাত্মাৰ জীৱাত্মাৰূপী অৰ্জুনৰ প্ৰতি সংসাৰ যাত্ৰাত মানৱৰ প্ৰকৃতাৰ্থত কৰণীয় পথৰ নিৰ্দেশ। জীৱাত্মাৰ প্ৰতি পৰমাত্মাৰ এই নিৰ্দেশকে পৰম কৃপালু জগতগুৰু শ্ৰীমন্ত শঙ্কৰে—

"ওৰা নৰলোক হৰি ভজিয়োক
ধৰা ইটো উপদেশ।
এৰা আল জাল জীৱা ক'ত কাল
জৰা ভৈলা পৰবেশ।।"

বুলি সমস্ত মানৱকে আহ্বান জনাই উপদেশ দিছে— উঠোতে কৃষ্ণ, বহোতে কৃষ্ণ, দেখোতে কৃষ্ণ, খাওঁতে কৃষ্ণ, কৰ্মত কৃষ্ণ, মুঠতে দৈনন্দিন প্ৰতিক্ষণতে কৃষ্ণ ভাৱনাৰে, কৃষ্ণতে উদ্বুদ্ধ হৈ, কৃষ্ণতে অৰ্পণ কৰি জীৱন যুদ্ধত প্ৰবৃত্ত হোৱা। এই ভাৱে অভ্যাস কৰিলে সৰ্বব্যাপি কৃষ্ণ, হৃদয়ত অধিষ্ঠিত কৃষ্ণ, মানস পটত প্ৰতিভাত হৈ ভকতিৰ অমিয় প্ৰেম নিজৰাত বিলীন হৈ ব্যক্তিৰ অভিব্যক্তিত প্ৰস্ফুটিত হয়। তেতিয়া শ্ৰীমদ্ভাগৱতত বৰ্ণিত নাৰদৰ ৰূপ বৈষ্ণৱ ভকততে দেখা পোৱা যায়— যেনেকৈ দৈ গাখীৰৰ পাত্ৰৰ ধাকনিখন দাঙি চালেই বুজিব পাৰি গাখীৰ গুণাগুণ। এই ৰূপ প্ৰতিফলনৰ প্ৰতীক হিচাপে ব্ৰহ্মজ্ঞ ঋষিসকলে 'হৰেকৃষ্ণ হৰেৰাম' খোদিত নামাৱলী বস্ত্ৰ পৰিধান কৰাৰ ব্যৱস্থা কৰিছিল। কাৰণ দেখোতাজনৰ শ্ৰদ্ধা বা অবহেলাৰে হওক নাম স্মৰণ হ'বই আৰু লগে লগে পুণ্য সঞ্চয় হ'ব। শ্ৰদ্ধা অৱনত কৃষ্ণ সেৱকৰ ভকতি প্ৰসাদতে মুখাৱয়বত ভিতৰৰ অভিব্যক্তি প্ৰবাহমান বিগলিত ভকতি ধাৰা প্ৰথম দৰ্শনতে দৃষ্টিগোচৰ হয়। মুখত ৰাম নাম হৃদয়ত কপটাচাৰ হ'লে এই ৰূপ জন্ম-জন্মান্তৰটো সম্ভৱ নহয়।

নাৰদৰ ৰূপাৱস্থা প্ৰাপ্ত হ'ব লাগিলে দৈনন্দিন জীৱনত কৰ্মৰ মাজেৰে সৎসঙ্গ ল'ব লাগে। নিয়মানুবৰ্তী জীৱনৰ অধ্যৱসায়ৰ সাধনাত ব্ৰতী হোৱাৰ পথৰ নিৰ্দেশনা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই দিছে—

"সাধু সঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা
পৰিহৰা পাষণ্ড আচাৰ।

মাধৱদেৱ পুৰুষজনাইও নাম-ঘোষাত উপদেশ দিছে—

"সন্ত উপদেশে হৰি চৰণে ভজিয়ো।
হৰি নাম নিৰ্ম্মল আনন্দে মজিয়ো।।"

— নাম-ঘোষা, ৪৩০

সৎসঙ্গৰ প্ৰভাৱৰ কথা গীতা-ভাগৱতত অলেখ উদাহৰণ আছে। সৎসঙ্গ কেতিয়া কোন ক্ষণত লাভ হয় কোনোৱে নাজানে। পূৰ্বজন্মৰ সংস্কাৰ প্ৰয়োজন। সৌভাগ্যৰ বিষয় যে পঞ্চদশ শতিকাৰ মাজভাগত অসম জন্মগ্ৰহণ কৰা শ্ৰীমন্ত শঙ্কৰে, গুৰু বৈষ্ণৱ পণ্ডিত মহেন্দ্ৰ কন্দলিৰ টোলত চাৰি বেদ, চৌধ্য শাস্ত্ৰ, ওঠৰ পুৰাণ অধ্যয়ন কৰি, শাস্ত্ৰ তত্ত্ব উদ্ধাৰ কৰিছিল। শাস্ত্ৰসমূহত নিৰ্ণিত বেদান্তৰ ঋষিসকলৰ সাধনাৰ ফল উদ্ধাৰ কৰি সমস্ত মানৱকে পথ নিৰ্দেশনা দিছে। আমি কেৱল সেই ধাৰাত স্নান, পান, আচমন কৰি অৱগাহন কৰাৰহে প্ৰয়োজন। মাধৱপুৰুষেও ঘোষণা দিছে—

"শুনা পৰমাৰ্থ তত্ত্ব শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জন সকল।
হৰিৰ কীৰ্ত্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্মল।।"

— নাম-ঘোষা, ৩৩

এই উপদেশ সাৰোগত কৰি সাক্ষাৎ ভকতি প্ৰেমৰ স্বৰূপ নাৰদৰ সংগ লাভ হ'ব। সনাতন ধৰ্মৰ ভক্তি সৰোবৰ প্ৰেমামৃত পান কৰাৰ সৌভাগ্য উদয় নিশ্চিতভাৱে হ'ব। কাৰণ 'শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি' প্ৰচাৰ কৰিছে কৃষ্ণ ভকতি। 'শঙ্কৰ' সৎ সঙ্গ লাভ হ'লে জীৱনৰ বিয়লি বেলা উগুল-থুগুল ভাবত বৈ থকা ব্যাসদেৱে লাভ কৰা প্ৰেমপূৰ্ণ ভকতিৰ স্বৰূপ নাৰদৰ দৰ্শন পোৱাৰ সমৰ্থক হ'ব। শঙ্কৰ সৎসঙ্গ লাভ হ'লে তাৰা নিৰ্দেশিত শ্ৰীমদ্ গীতাৰ ভগৱান শ্ৰীকৃষ্ণৰ অৰ্জুনৰ প্ৰতি নিৰ্দেশিত শেষ তত্ত্ব— 'সৰ্বধৰ্ম্মান পৰিত্যজ্য মামেকং চৰণংব্ৰজ'ত নিমজ্জিত হ'লে কৃষ্ণতেই কায়, বাক্য, মন অৰ্পিত হ'ব। তেতিয়া ব্যাসদেৱে যেনেকৈ নাৰদৰ উপদেশত নিজৰ ভিতৰতেই শক্তিসমূহ দেখি শিয়ৰি উঠিছিল—

"বাম পাশে মায়া দক্ষিণত ভক্তিমাৰ।
দেখি ব্যাস ঋষি সচকিত ভৈলা গাৰ।।
মায়ায়ে বান্ধন্ত ভক্তি মাতৃ মেলাৱন্ত।
দুহানো মধ্যস্থভাৱে আছা ভগৱন্ত।।
বন্ধৰ মোক্ষৰ দেখি ব্যাস ঋষি।
ভাগৱত মহাগ্ৰন্থ কৰিলা হৰিষি।।"

আৰু এই তত্ত্ব লৈয়ে নিগম কল্পতৰু সুস্বাদু পৰিপক্ক ফল শ্ৰীমদ্ভাগৱত মানৱক দান কৰিলে। থিক এইদৰে আমিও সৎসঙ্গ 'শঙ্কৰ'ক লাভ কৰিব পাৰিলে জগত মহীয়ান কৰিব নোৱাৰিলেও নিজে এই মানৱতাবাদী জীৱন লাভ কৰাটো নিশ্চিত। তেতিয়া হয়তো অনুশীলনৰ জৰিয়তে নাৰদৰ ৰূপ নিজৰ সন্মুখৰ দাপোণখনতে প্ৰত্যক্ষ হ'ব পাৰে। এয়াই সনাতন ধৰ্মৰ উপনিষদীয় সিদ্ধান্ত। আৰু ই সম্ভৱ মাত্ৰ সৎসঙ্গ শঙ্কৰৰ জৰিয়তেহে।■■

যতেক অনৰ্থ আছে সংসাৰত
তাতে তিনিবিধ সাৰ।
কাম ক্ৰোধ লোভ আপুন নাশন
জানি কৰা পৰিহাৰ।।

—নাম-ঘোষা, ৮০২

(ভাবাৰ্থ ঃ সংসাৰত কাম, ক্ৰোধ আৰু লোভ এই তিনিবিধ অসাৰ বস্তু, নিজৰ মঙ্গলৰ বাবে ইহঁতক ত্যাগ কৰা উচিত।

# গঙ্গাটোপ

**উমাকান্ত বৰা,** *বিষয়া, জন-সম্পৰ্ক*

সৃষ্টিকৰ্তাই চাৰিবিধ জীৱ এই পৃথিৱীৰ বাবে সৃষ্টি কৰিছিল। সেয়া হ'ল— উৰণ, বুৰণ, গজন আৰু ভ্ৰমণ। আকাশত উৰি ফুৰাবিধ জীৱ উৰণ, পানীত থকাবিধ বুৰণ, মাটিত গজাবিধ গজন আৰু মাটিত মানুহৰ নিচিনাকৈ খোজকাঢ়ি ফুৰাবিধ জীৱক গমন বুলি কোৱা হ'ল। এই চাৰিবিধ জীৱৰ ভিতৰত 'গমন' জীৱবিধক শ্ৰেষ্ঠ বুলি কোৱা হয়। ইয়াৰ ভিতৰত আকৌ মানুহ প্ৰজাতিয়েই জীৱশ্ৰেষ্ঠ।

বুৰণ জীৱবিধক জলচৰ বুলিও কোৱা হয়। যিবিলাক জীৱ পানীত বাস কৰি বিচৰণ কৰি ফুৰে তেনেবিলাক জীৱই জলচৰ। পানীত বাস কৰি বিচৰণ কৰা জীৱৰ ভিতৰত আমি সাধাৰণত মাছকেই বেছি জানো। এই মাছ প্ৰজাতিৰ তিমিমাছ পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ জীৱ বুলি এতিয়ালৈকে কোৱা হৈছে।

মানুহৰ দৰে মাছৰো এখন সমাজ আছে। মাছবিলাকৰ বিভিন্ন সমস্যাৰ সমাধান, অভাৱ-অভিযোগ আৰু সিহঁতৰ ভূত-ভৱিষ্যতৰ বিষয়ে আলোচনা-বিলোচনা কৰিবলৈ মানুহৰ নিচিনাকৈ তেওঁলোকৰ মাজত আলোচনা-বিলোচনা কৰিবলৈ সভা-সমিতি অনুষ্ঠিত কৰে। এবাৰ তেনে এখন সভা অনুষ্ঠিত কৰি সমগ্ৰ মাছ প্ৰজাতিক উপস্থিত হ'বলৈ আয়োজকসকলে নিমন্ত্ৰণ জনাইছিল। নিৰ্দিষ্ট দিনৰ নিৰ্দিষ্ট সময়ত চাৰিওফালৰ পৰা মাছ প্ৰজাতিৰ আগমন হ'বলৈ ধৰিলে। তেওঁলোকে সেইদিনটোৰ সকলো কাম-বন পিছ পেলাই সভালৈ যাবলৈ সাজু হৈছিল। ইতিমধ্যে কিছুমানে আগতিয়াকৈ যাবলৈ আৰম্ভ কৰিলেই। কিছুমানে সপৰিয়ালে, কিছুমানে বন্ধু-বান্ধৱৰ সৈতে আৰু কিছুমানে অকলেই যাবলৈ আৰম্ভ কৰিলে। কিছুমানে আকৌ ইজনে-সিজনক জোৰ কৰি গাঁতৰ পৰা উলিয়াই আনি সভালৈ যাবলৈ উৎসাহিত কৰিলে।

সকলোবোৰ মাছ ৰং-ৰহইচ্ কৰি জাকপাতি সভালৈ যোৱা দেখি ভেদেঙকালি আইটীয়েও সভালৈ যাবলৈ ইচ্ছা কৰিলে। কিন্তু তাইৰ অন্তৰঙ্গ বন্ধু-বান্ধৱী নথকাৰ বাবে সাজি-কাচি যাওঁ-নাযাওঁকৈ গোমোঠা মাৰি নিজৰ গাঁতৰ ভিতৰত বহি আছিল। ইমান ডাঙৰ সভাখনলৈ যাবলৈ ইচ্ছা থাকিও যাব নোৱাৰি মনতে গুণা-গুঠা কৰি আছিল। "মই ইমান এলাগি, আপচুনে, মোক কোনেও লগ লোৱা নাই! কোনো এটা লগ নহ'লে অকলে নিমাত মাতকৈ ইমান ডাঙৰ সভাখনলৈ কেনেকৈ যাওঁ? কথা এটা পাতিবলৈ, মাত এষাৰ দিবলৈকো লগ এজন লাগে। অৱশ্যে বাটৰ পৰাই দুই এজনে যাবলৈ লগ নোলোৱা নহয়। কিন্তু সিহঁতৰ সৈতে মোৰ সিমান অন্তৰঙ্গতো নাই, ঘনিষ্ঠতাও নাই আৰু সিহঁতে আন্তৰিকতাৰে লগ বিচাৰি মোক মতা নাই। মাতিব লাগে কাৰণেই মাতিছে।

প্ৰথমে চেঙেলিয়ে মাতিছিল— "গেদ্‌গেদী বাই, সভালৈ যায় কি নাযায়?" তাৰ প্ৰথম সম্বোধনটোতে গেদগেদী বাইৰ গা এঙাই গৈছিল। তাৰ লগত যাওঁনো কেনেকৈ? তাতে আকৌ চেঙেলী মহা চয়তান বুলি নাম আছে। ক'তবা কি অঘটন ঘটায় তাৰ কোনো ঠিক নাই।

গৰৈ গোবৰ্দ্ধন কাইয়েও লগ লৈছিল— "বোলো ভেদেঙকালি আই, ঘৰত আছে নে নাই? আছে যদি সভালৈ যায় কি নাযায়?" থম্‌থম মদন, গৰৈ গোৰৰ্দ্ধন এওঁ একাঠি চৰা। এওঁৰ লগত যোৰাতকৈ অকলেই যোৰাই ভাল। মাত বোল নাই, ভেমত ওফন্দি গৰগৰাই যাব মই তাৰ পিছে পিছে লিটিকাই দৰে আল ধৰি যাব লাগিব। কোনো মাত নিদি ভেদেঙকালিয়ে গাঁতৰ ভিতৰতে সোমাই থাকিল।

এইবাৰ আহিল ঘটিয়া শিঙৰা। বাটৰ পৰাই লগালে মাত— "খালৈ ভাঙি আই, সভালৈ যায় কি নাযায়?" কোনো সঁহাৰি নিদি খালৈ ভাঙিয়ে মনতে ভাবিলে— ঘাটে ঘাটে পানী খোৱা এই ঘটিয়াটোৰ লগত যাওঁ কেনেকৈ? টুপাই বুৰ মৰাটোৱে বাটত ক'ত কেনেকৈ মূৰ পোলোকা মাৰে ঠিকনা নাই। শ'লটোৱে খালৈ ভাঙিৰ গাঁতৰ ওচৰতে দ'ক লৈ থকা দেখি শিঙৰাই কোনফালে পলাই অন্তৰ্ধান হ'ল ততকে ধৰিব নোৱাৰিলে। শ'লটোৱে গুজৰি সোঁৱৰাই দিলে— "কোন ক'ত আছ, সোনকালে সভালৈ ওলাই আহ।

গাগলে গলগলীয়া মাতেৰে ক'লে— "হেৰৌ মাটিখাইতী, ঘৰৰ ভিতৰত ঘৰ গুনা হৈ কিনো গুণা-গুঠা কৰি আছ। ওলাই আহ, দুয়ো একেলগে সভালৈ যাওঁ।" মাটিখাইতীয়ে ভাৱিলে এবাৰ— ইয়াৰ লগতে যাওঁ নেকি? পিছে এইপাতে বাটে বাটে গল খেকাৰি মাৰি আমনিহে কৰিব।

এইদৰে ইটোৰ পিছত সিটো মাছ আহি গেদগেদীক সভালৈ যাবলৈ লগ ধৰিলে। ককিলাই ডাঁৰৰ খবৰ ডাঁৰে ডাঁৰে দি কোন কোন সভালৈ গৈছে তাৰ ধাৰা বিৱৰণী দি গ'ল। মাগুৰ, কাৱৈ, ৰৌ, বৰালি, পুথি-খলিহা আনকি ভেচেলীজনীয়ো অকলেই সভালৈ গৈছে। নাৰ', বাট' আৰু কান্ধুলীক বাটতে লগ পাই আহিছে। এই খালৈভাঙিহে ঘৰৰ ভিতৰত সোমাই খৰলি খাই আছে। ইতিমধ্যে প্ৰায়বিলাক মাছেই সভালৈ ওলাই গৈছে। মাছৰ অহা-যোৱা প্ৰায় সেৰেঙা হৈ আহিল। শেষৰ ফালে লোদোৰ-পোদোৰ গঙ্গাটোপে পাতিহাঁহৰ নিচিনাকৈ ফেৰেক-ফাৰককৈ গেদগেদীৰ গাঁতৰ ওচৰ পালেহি। তাই ভিতৰত থকা বুলি উমান পাই অকনমান দ'কলৈ ভাৱিলে— আজি হেন দিনত তাই অকলে ভিতৰত কিয় সোমাই আছে? বোধহয় সভালৈ যাবলৈ তাইৰ পছন্দৰ লগ পোৱা নাই।" গেৰুগেঠুকৈ গঙ্গাটোপে মাত লগালে— হেৰৌ কাঞ্চনমতি বাই, সভালৈ যায় কি নাযায়? এনে মনত লগা শুৱলা সম্বোধনটো শুনি কাঞ্চনমতিয়ে ভুমুকিয়াই গঙ্গাটোপক দেখি হাঁহিৰ সেলেঙী লগাই ওলাই আহিল। "মোৰ গঙ্গাকাইহে আচল। গুণীহে গুণৰ মূল বুজে। ব'লা আমি দুয়ো লগ-লাগি সভালৈ যাওঁ।" খালৈভাঙিৰ অলৌ-তলৌ দেখি গঙ্গাটোপ ভেমত ওফন্দি পৰিল। তেতিয়াৰ পৰাই গঙ্গটোপ ভেমত আজিও ওফন্দি থাকিল।■■

আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।

— *চক্ৰেটিছ*

# এজনী সৰু ছোৱালী আৰু এখন পাঠশালাৰ কাহিনী

বিনয় মোহন শইকীয়া, *অভিযন্তা*

(মূল জাপানী ভাষাত প্ৰকাশ পোৱা এখন গ্ৰন্থ ‘ত’ত্তু’-চ্চান’ত জাপানৰ এখন অগতানুগতিক বিদ্যালয়ৰ সঁচা কাহিনী বৰ্ণনা কৰা হৈছে। গ্ৰন্থখনৰ মূল চৰিত্ৰ হৈছে এজনী সাত বছৰীয়া সৰু ছোৱালী আৰু সেই ছোৱালীজনীৰ নাম হৈছে ত’ত্তু’ চ্চান। উল্লেখ কৰি থোৱা ভাল হ’ব যে গ্ৰন্থখনৰ লেখিকা তেৎছুকো কুৰ’য়ানাগিৰ সৰু কালৰ নাম আছিল ত’ত্তু’ চ্চান। গ্ৰন্থখন প্ৰকৃততে লেখিকাগৰাকীৰ নিজৰ সৰুকালৰ স্মৃতি ৰোমন্থনহে। সমগ্ৰ পৃথিৱীৰ গ্ৰন্থপ্ৰেমীয়ে আঁকোৱালি লোৱা বিখ্যাত গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰিছে শ্ৰীযুতা তোষপ্ৰভা কলিতাই।)

ত’ত্তু’ চ্চান এজনী সাত বছৰীয়া ছোৱালী। ত’ত্তু’ চ্চানক প্ৰথমতে যিখন পাঠশালাত নামভৰ্তি কৰা হৈছিল তাত তেওঁ বেছি দিন টিকিব নোৱাৰিলে। তেওঁৰ দুষ্টালি ভৰা কাণ্ড-কাৰখানাত অতিষ্ঠ হৈ পাঠশালাখনৰপৰা যেতিয়া তেওঁক পঠাই দিয়া হ’ল, তেওঁৰ মাক বৰ বিপাঙত পৰিল। বহু বিচাৰ-খোচাৰ কৰাৰ মূৰত অৱশেষত ত’ত্তু’ চ্চানৰ মাকে এখন পাঠশালাৰ সন্ধান পালে। পাঠশালাখনৰ নাম হৈছে— ত’মে’গাঝুএন’।

পাঠশালাখনৰ চাইনব’ৰ্ডখন দুজোপা গছে ধৰি আছিল আৰু তাৰ শ্ৰেণীকোঠাকেইটা আছিল কেইটামান ৰে’লৰ ডবা। প্ৰথম দৃষ্টিতে ত’ত্তু’ চ্চানৰ পাঠশালাখন বৰ ভাল লাগিল। পাঠশালাখনত ভৰ্তি হোৱাৰ আগতে তাৰ প্ৰধান শিক্ষক শ্ৰীযুত ছ’ছাকু ক’বায়াশ্বিয়ে ত’ত্তু’ চ্চানৰ লগত কথা পাতিব খুজিলে। কথা পতা মানে, প্ৰধান শিক্ষকগৰাকীয়ে— ‘তোমাৰ যি মন যায় কোৱা।’ বুলি ত’ত্তু’ চ্চানক কথা ক’বলৈ দিলে। ত’ত্তু’ চ্চানে অনৰ্গল কথা কৈ যাবলৈ আৰম্ভ কৰিলে। কথাত অলপ যতি পৰিলে প্ৰধান শিক্ষকে ‘তাৰ পিছত’ বুলি সুধে আৰু ত’ত্তু’ চ্চানে পুনৰ কথা কোৱা আৰম্ভ কৰে। এনেদৰে সেইদিনা ত’ত্তু’ চ্চানে প্ৰায় চাৰি ঘণ্টা সময় কথা কৈছিল বুলি পিছত তেওঁ গম পাইছিল।

ত’ত্তু’ চ্চান নতুন পাঠশালাখনৰ ছাত্ৰী হ’ল। ৰে’লৰ ডবাত বহি পাঠ শিকাৰ উত্তেজনা মাৰ নৌযাওঁতেই ‘মহাসাগৰৰপৰা কিবা অলপ’ আৰু ‘পাহাৰৰপৰা কিবা অলপ’ লৈ দুপৰীয়াৰ আহাৰ খাবলৈ যেতিয়া আটাইবোৰ গোল হৈ বহিল, ত’ত্তু’ চ্চানে গম পালে এই পাঠশালাখন আগৰখনৰ দৰে নহয়, বেলেগ। পিছদিনা পাঠশালালৈ আহি ত’ত্তু’ চ্চানে গম পালে যে তাত পঢ়া-শুনাৰ নিৰ্দিষ্ট কোনো সময় নাই। শ্ৰেণী শিক্ষকে আহিয়েই ছাত্ৰ-ছাত্ৰীয়ে দিনটোত কৰিবলগীয়া কামৰ তালিকা এখন দিয়ে, ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পছন্দ অনুসৰি কামবোৰ কৰি যায়। মূল কথাটো হৈছে দিনটোত কামখিনি সম্পূৰ্ণ কৰা, কোনটো কাম কোনে কেতিয়া কৰিলে সেয়া প্ৰয়োজনীয় নহয়।

পাঠশালাখনৰ আৰু বহুত কথাই ত’ত্তু’ চ্চানক আকৰ্ষণ কৰিবলৈ ধৰিলে। তেওঁলোকে এদিন খোজকাঢ়ি ভ্ৰমণ কৰিবলৈ গ’ল। অন্য এদিন পাঠশালাখনলৈ অনা নতুন ডবা এটা চাবলৈ ৰাতি তেওঁলোকে খপ দিলে। অন্য কেইটামান দিনত পাঠশালাৰ সাঁতোৰা পুখুৰীত আটায়ে মহা অভিযানলৈ ওলাল, সাগৰপাৰৰ গৰম পানীৰ উঁহত গা ধুবলৈ গ’ল। এদিন তেওঁলোকে সাহসৰ

পৰীক্ষাত অংশ ল'লে, য'ত ভুত হোৱা কেইটাইও ভয়তে কান্দিবলৈ ধৰিলে।

ইমানবোৰ ঘটনাৰ অন্তত ত'ত্তো' চচানৰ প্ৰথম ছমাহ পাৰ হ'ল।

পাঠশালাখনৰ বহু কথাই আনৰ লগত নিমিলে। ত'ত্তো' চচানৰ লগত দহজন সহপাঠীৰ দুজন আছিল শাৰীৰিকভাৱে প্ৰতিবন্ধী। কিন্তু প্ৰধান শিক্ষকৰ উৎসাহ আৰু অনুপ্ৰেৰণাই তেওঁলোকক নিজৰ প্ৰবিন্ধকতাৰ কথা পাহৰাই ৰাখি শিক্ষা গ্ৰহণত সমানে আগ্ৰহী কৰি তুলিছিল। প্ৰধান শিক্ষকে সকলো ছাত্ৰ-ছাত্ৰীকে সমানে আগুৱাই নিয়াত গুৰুত্ব দিছিল। বছৰেকীয়া খেল-ধেমালি প্ৰতিযোগিতাত এজন প্ৰতিবন্ধী ছাত্ৰই আটাইতকৈ বেছি সংখ্যক পুৰস্কাৰ পোৱাটো মন কৰিবলগীয়া কথা আছিল। খেল-দিৱসৰ পুৰস্কাৰসমূহো আছিল আনতকৈ বেলেগ, বন্ধাকবি, লাও, আলু, এমুঠি পালেং আদি আছিল পুৰস্কাৰ।

পাঠশালাখনত ত'ত্তো' চচানৰ এটা বছৰ পাৰ হ'ল। এদিন তেওঁলোকক পঢ়াবলৈ এজন নতুন শিক্ষক আহিল। খেতিৰ কথা পঢ়াবলৈ অহা এই শিক্ষকজন আচলতে এজন খেতিয়কহে আছিল। ত'ত্তো' চচানে পাঠশালালৈ অহা-যোৱা কৰোঁতে তেওঁক পথাৰত কাম কৰি থকা প্ৰায়ে দেখা পাইছিল।

পাঠশালাৰ দ্বিতীয় বছৰটোও আছিল অসংখ্য বিচিত্ৰ ঘটনাৰ সমাহাৰ। এদিন তেওঁলোকে পথাৰলৈ গৈ নিজে ভাত আৰু মাংসৰ চুৰুহা ৰান্ধি খালে। ত'ত্তো' চচানে এখন চালাদ প্ৰস্তুত কৰিলে। সেই বছৰতে দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল। ত'ত্তো' চচানে এদিন লগৰীয়া ছাত্ৰ-ছাত্ৰীৰ সৈতে লগ হৈ যুদ্ধত আহত সৈন্যৰ খবৰ কৰিবলৈ গ'ল। এদিন দুপৰীয়া আহাৰ খোৱাৰ সময়ত প্ৰধান শিক্ষকৰ পিঠিত উঠিবলৈ আহি ত'ত্তো' চচানে তেখেতক ক'লে— "মই যেতিয়া ডাঙৰ হ'ম, তেতিয়া মই এইখন পাঠশালাৰ শিক্ষয়িত্ৰী হ'ম', আৰু দুয়ো দুয়োৰে কনিষ্ঠা আঙুলি লগ লগাই জাপানী প্ৰথমতে প্ৰতিজ্ঞা কৰিলে।

ইতিমধ্যে দ্বিতীয় মহাযুদ্ধ পূৰাদমে আৰম্ভ হৈ গ'ল। পাঠাশালাৰ চকীদাৰ ৰিঅ্যাকো যুঁজলৈ যাবলৈ চৰকাৰৰপৰা আদেশ দিয়া হ'ল। ৰিঅ্যৰ বিদায়ৰ দিনা এখন চাহমেলৰ আয়োজন কৰা হৈছিল আৰু সেই মেলত সকলো ছাত্ৰ-ছাত্ৰীয়ে যিয়ে যি পাৰে কৈছিল। যুদ্ধৰ বিভীষিকাই কণ কণ শিশুৰ হাঁহি আৰু গানেৰে মুখৰিত হৈ থকা সেই অকণমানি পাঠশালাখনকো ৰেহাই নিদিলে। আমেৰিকাৰ এখন বোমাৰু বিমানে নিক্ষেপ কৰা বোমাই এদিন সেই পাঠশালাখন পুৰি ছাৰখাৰ কৰি পেলালে। নিজৰ মৰমৰ পাঠশালাখন জ্বলি থকা চাই চাই প্ৰধান শিক্ষক ক'বায়াশ্বিয়ে পুতেকক সুধিছিল— "ইয়াৰ পিছত আমি কেনেকুৱা স্কুলঘৰ সাজিম?"

জুইৰ শিখাই পাঠশালাখন পুৰিলেও ক'বায়াশ্বিৰ সপোন পুৰি নোহোৱা কৰিব নোৱাৰে, তেওঁ আকৌ এখন পাঠশালা সাজি উলিয়াব আৰু শিশুৰ হাঁহি-গানেৰে ঠাইখনে প্ৰাণ পাই উঠিব... এই আশাৰে গ্ৰন্থখন শেষ হৈছে।■■

(গ্ৰন্থখনৰ লগত সন্নিৱিষ্ট উপসংহাৰত ত'ত্তো'-চ্চান আৰু তেওঁৰ সহপাঠীকেইজনৰ ভৱিষ্যৎ জীৱনৰ বিষয়ে উল্লেখ কৰা হৈছে। এইখিনি প্ৰয়োজনীয় কথা, কাৰণ এনে এখন অগতানুগতিক স্কুলত শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ বিষয়ে জানিবলৈ কৌতূহল ওপজা স্বাভাৱিক। সেই উপসংহাৰৰপৰা গম পোৱা যায় যে, ত'ত্তো'-চ্চানৰ সহপাঠীসকল হ'লগৈ অভিযন্তা, শিক্ষয়িত্ৰী, বিজ্ঞানী, বিশেষজ্ঞ, সাহিত্যিক, উচ্চপদস্থ চৰকাৰী বিষয়া, কলাকাৰ আদি। ত'ত্তো'-চ্চান নিজে হ'লগৈ দূৰদৰ্শনৰ অনুষ্ঠান পৰিচালিকা আৰু পিছলৈ ইউনিচেপৰ শুভেচ্ছা ৰাষ্ট্ৰদূত।)■

# ভক্তিৰ প্ৰতীক ধ্ৰুৱ

ৰামেশ্বৰ দাস

স্বায়ুম্ভ মনুৰ পুত্ৰ উত্তানপাদ ধৰ্মজ্ঞ ৰজাৰ দুগৰাকী পত্নী আছিল। উত্তানপাদ ৰজাৰ পত্নী সুৰুচিৰ গৰ্ভত অতিকৈ মৰমৰ প্ৰিয়পুত্ৰ উত্তমৰ জন্ম হয় আৰু সুনীতিৰ পুত্ৰ ধ্ৰুৱ। উত্তানপাদ ৰজাৰ পত্নী সুনীতিতকৈ সুৰুচি অতি মৰমৰ আছিল। এদিনাখন ৰজাই ৰাজসিংহাসনত বহি থকা অৱস্থাত উত্তমে ৰজাৰ কোলাত উঠিছিল। সেই দেখি ধ্ৰুৱইও ৰাজপুত্ৰ হেতুকে ৰজাৰ কোলাত বহিব খুজিছিল। কিন্তু ৰজাই ধ্ৰুৱক সুৰুচিৰ সন্মুখতে অনাদৰ কৰিলে। সেই সময়তে ৰজাৰ ওচৰত থকা ৰাণী সুৰুচিয়ে ধ্ৰুৱক অতি কঠোৰ ভাষাৰে ক'লে— 'তুমি মোৰ গৰ্ভস্থ পুত্ৰ নোহোৱা বাবে ৰজাৰ কোলাত বহাৰ যোগ্যতা নাই। এই জন্মত তোমাৰ ৰাজ সিংহাসনত বহা সম্ভৱ নহ'ব।'

বিমাতাৰ বাক্যবাণ শুনি ধ্ৰুৱৰ অন্তৰত অতিশয় খং উঠিল। ধ্ৰুৱ খঙত কঁপি থকা দেখি মাতৃ সুনীতিয়ে আহি সুধিলে। তুমি কাৰ বাবে ইমান খং কৰিছা? তেতিয়া সকলো বৃত্তান্ত মাতৃক অৱগত কৰিলে। মাতৃয়ে ক'লে— 'হে পুত্ৰ ধ্ৰুৱ! সুৰুচিৰ পুত্ৰ উত্তমতকৈ তুমি কম পুণ্যবান, গতিকে কোনো দিনে ৰাজ সিংহাসন পোৱাৰ আশা কৰা উচিত নহয়। তাৰ বাবে অন্তৰত দুখ নকৰিবা।'

ধ্ৰুৱই ক'লে— হে মাতৃ! মোৰ মনৰ শান্তিৰ বাবে তুমি যি কথা কৈছা, সেইবোৰ বিমাতাই দুৰ্বাক্যৰে থকা-সৰকা কৰা মোৰ হৃদয় ক্ষত-বিক্ষত কৰিছে। মোৰ সেইজন ভায়েই পিতৃৰ ৰাজ সিংহাসন লাভ কৰক, মই সেই স্থান লাভ কৰিবলৈ কাহানিও অভিলাষ নকৰোঁ। মই মোৰ নিজৰ কৰ্মৰ দ্বাৰা সেই উচ্চ স্থান লাভ কৰিবলৈ ইচ্ছা কৰো, যি স্থান মোৰ পিতৃয়েও লাভ কৰিবলৈ সক্ষম হোৱা নাই।

ধ্ৰুৱই এইদৰে মাকক কৈ ৰাজহাউলিৰপৰা বাহিৰ ওলাল আৰু নগৰৰ বাজ হৈ গৈ এখন অতব্য বননিত সোমাল। বালক ধ্ৰুৱ কৃষ্ণাজিন কুশৰ আসনত বহাৰ লগে লগে ব্ৰহ্মশক্তিৰ সপ্ত ঋষিক দেখিবলৈ পালে।

বালক ধ্ৰুৱই ক'লে— 'হে দ্বিজশ্ৰেষ্ঠ মুনিসকল! অৰ্থলাভ বা ৰাজ্য লাভৰ বাবে মোৰ কোনো অভিলাষ নাই। কিন্তু মই এনে এখন ঠাই পাবলৈ ইচ্ছা কৰো যিঠাই আগেয়ে কোনেও কেতিয়াও উপভোগ কৰা নাই। সেই উৎকৃষ্ট শান্তিৰ স্থান কেনেদৰে পাম, মোক আপোনাসৱে উপদেশ দি সহায় কৰক।'

জগত শ্ৰেষ্ঠ সপ্তঋষিয়ে শিশু ৰাজপুত্ৰ ধ্ৰুৱক কিদৰে পৰম ব্ৰহ্ম 'বিষ্ণু'ক ধ্যান কৰিব লাগিব উপদেশ দিলে।

মৰিচি ঃ হে উত্তানপাদ ৰাজপুত্ৰ, পৰম ব্ৰহ্ম বিষ্ণুক একান্ত চিত্তে ধ্যান কৰিব লাগিব। নিশ্চয় সফল হ'বা।

অত্ৰি ঃ পৰম পুৰুষ বিষ্ণু তোমাৰ আৰধনাত সুপ্ৰসন্ন হ'লে আৰাধিত স্থান পোৱাৰ যোগ্যতা অৰ্জন কৰিবা।

অঙ্গিৰা ঃ সমগ্ৰ জগতখন অব্যয়াত্মাৰ অন্তৰ্গত, সেয়ে জগতপতি বিষ্ণুৰ স্তৱ আৰম্ভ কৰা।

পুলস্ত্য ঃ যিদনা পৰম ব্ৰহ্ম হৰি তেওঁৰ আৰাধনা

কৰিলেহে সফল হ'বা।

ক্রতু ঃ যিজনা যজ্ঞপুৰুষ জনাৰ্দন, তেওঁ তুষ্ট হ'লে, মনুষ্যৰ অপ্ৰাপ্য বুলি কোনো কথাই নাথাকে।

পুলহ ঃ জগতপতিক আৰাধনা কৰি দেৱৰাজ ইন্দ্ৰই পৰম ঐন্দ্ৰত্ব স্থান লাভ কৰিছে, সেয়ে ধ্ৰৱই ভগৱান বিষ্ণুক আৰাধনা কৰিব লাগে।

বশিষ্ঠ ঃ পৰমব্ৰহ্ম ভগৱান বিষ্ণুক পৰম শুদ্ধ চিত্তে আৰাধিত হ'লে, ত্ৰৈলোক্যৰ মধ্যৱৰ্তী যিকোনো স্থান পাবলৈ ইচ্ছা কৰে, সেয়া সম্ভৱ হ'ব পাৰে।

ধ্ৰুৱই মূল্যৱান উপদেশসমূহ ঋষিসকলৰ মুখে শুনি তাৰাসৰক দণ্ডৱতে প্ৰণিপাত কৰি সেই বননিৰপৰা ওলায় গ'ল। তেওঁ নিজকে কৃতাৰ্থ মানিলে বুলি বিবেচনা কৰিলে। সপ্তঋষিসকলৰ আজ্ঞা মানি পৱিত্ৰ ভূমিলৈ আগমন কৰিলে।

মধুসংজ্ঞক মহাপুণ্য স্থান যমুনা নদীৰ পাৰলৈ বুলি যাত্ৰা কৰিলে। যমুনাৰ পাৰৰ সেই মধুবন মধুসংজ্ঞক দৈত্যৰ দ্বাৰা অধিষ্ঠিত হৈছিল বাবে পৃথিৱীত মধুবন বুলি খ্যাত। শত্ৰুঘ্নই মধুৰ পুত্ৰ লৱণ ৰাক্ষসক নিহত কৰি মথুৰা নামৰ নগৰ নিৰ্মাণ কৰে, য'ত দেৱাদি দেৱ ভগৱান শ্ৰীকৃষ্ণৰ সান্নিধ্য আছে। 'সৰ্ব্ব পাপহৰ' তীৰ্থত তেওঁ তপস্যা আৰম্ভ কৰে। যিদৰে সপ্তঋষিসকলে তেওঁক উপদেশ দিছিল।

পঞ্চ বছৰীয়া বালকৰ তপস্যাৰ বলত তাত থকা নদ-নদী তপোবন বিচলিত হৈ পৰিছিল আৰু দেৱ-দেৱতা সকলো ক্ষোভিত হৈ পৰিছিল। ধ্ৰুৱৰ মাতৃ তেওঁৰ তপস্যাৰ স্থানত গৈ তেওঁক এই কঠোৰ তপস্যা ত্যাগৰ বাবে কাতৰ অনুৰোধ কৰিছিল। কিন্তু ধ্ৰুৱ তপস্যাত অচল-অতল আছিল। ইন্দ্ৰ প্ৰমুখ্য দেৱতাসকল গৈ ভগৱান বিষ্ণুক এই বালকৰ তপস্যা ভঙ্গ কৰাৰ বাবে প্ৰাৰ্থনা জনালে।

ভগৱান বিষ্ণুৱে দেৱতাসকলক বিমুখ কৰি ক'লে— মই বালক ধ্ৰুৱক আকাংক্ষিত বৰ প্ৰদান কৰিম।

জগতপতি ভগৱান সৰ্বাত্মা চতুৰ্ভুজ দেহধাৰী হৰিয়ে বালকৰ একান্ত অতি নিৰ্মল তপস্যাত সন্তোষিত হৈ তেওঁৰ চতুৰ্ভুজ মূৰ্তি ধাৰণ কৰি উপস্থিত হ'ল। হে উত্তানপাদ পুত্ৰ, মঙ্গল হওক। মই তোমাৰ তপস্যাত সন্তুষ্ট, মই বৰ দান কৰিবলৈ প্ৰস্তুত। তোমাৰ মনো কামনাৰ্থে প্ৰাৰ্থনা কৰা।

ভক্তপ্ৰাণ ধ্ৰুৱই ভগৱান বিষ্ণুক দেখি পৰম শ্ৰদ্ধা-ভক্তি সহকাৰে দণ্ডৱতে প্ৰণিপাত জনালে। হে জগতপতি, মোক এনেকুৱা বৰ প্ৰদান কৰক যাতে মই সদায়ে আপোনাৰ স্তৱ বা প্ৰাৰ্থনা কৰিবলৈ শক্তি পাওঁ। মই এজন সামান্য বালকে কেনেকৈ প্ৰাৰ্থনা কৰিম, তাৰে জ্ঞান প্ৰদান কৰক। এইদৰে ধ্ৰুৱই জগতপতি পৰম ব্ৰহ্ম বিষ্ণুৰ শ্ৰীচৰণত প্ৰাৰ্থনা নিৱেদন জনালে।

ভগৱান বিষ্ণুৱে ধ্ৰুৱক ক'লে— তোমাৰ মনোবাঞ্ছাৰ কথা মই জানো; গতিকে যি স্থানৰ বাবে কামনা কৰিছা তাক নিশ্চয় পাবা। সপ্তৰ্ষি মণ্ডলৰ কাষতে তোমাক স্থান দিয়া হ'ব। পাঁচ বছৰীয়া বালক ধ্ৰুৱৰ তপস্যা ইমান পৱিত্ৰ আছিল, যে তেওঁৰ খ্যাতি অনন্ত কাল জুৰি ত্ৰিজগতত জিলিকি আছে।

সেয়েহে আমাৰ সমাজৰ শিশুসকলক বাল্য কালতে ভক্তিৰ জ্ঞান সু-আদৰ্শ দিয়া উচিত। তেতিয়াহে আমি এখন সুস্থ সমাজ আশা কৰিব পাৰো।■■

# সাহিত্য, ব্যক্তি আৰু সমাজ

মুকুন্দ দাস, *শিক্ষক*

সাহিত্য মানৱ জাতিৰ আমোঘ সৃষ্টি, মানৱ মনৰ মননশীল অভিব্যক্তি। সাহিত্য কাক বুলি প্রশ্ন কৰিলে তাৰ উত্তৰ নির্দিষ্ট সংজ্ঞাৰে দিয়াটো কঠিন। কেৱল সাহিত্যৰ ক্ষেত্রতে নহয়, সংজ্ঞাৰ দ্বাৰা কোনো বস্তুৰে সম্পূর্ণ পৰিচয় পোৱা নাযায়। সাহিত্যৰ বিষয়ে মাথো ইয়াকে ক'ব পৰা যায় যে যুগ যুগ ধৰি মানুহে অন্তৰৰ সকলো অনুভূতি সাহিত্যৰ মাধ্যমতে প্রকাশ কৰি আহিছে। সমসাময়িক ব্যক্তি আৰু সমাজৰ আধাৰত লেখকৰ কাপত বিভিন্ন লেখা প্রকাশ হৈ আছে। সেয়ে সাহিত্য এটা জাতিৰ সভ্যতা-সংস্কৃতি বাহক, জাতিৰ পৰিচায়ক। যি জাতিৰ সাহিত্য উচ্চ খাপৰ সেই জাতিৰ অস্তিত্ব আৰু মর্যাদাও উচ্চ খাপৰ। আনহাতে যি জাতিৰ সাহিত্য অনুন্নত সেই জাতিৰ পৰিচয়ো তথৈবচ। ভাষা-সাহিত্যৰ মাজেৰে কোনো এটা জাতিয়ে সম্যক পৰিচয় দাঙি ধৰিবলৈ সক্ষম হ'ব পাৰে। যি জাতিৰ ভাষা-সাহিত্য নাই সেই জাতিৰ পৰিচয় নথকাৰ দৰে। সাম্প্রতিক যুগত সাহিত্য অবিহনে সভ্যতাৰ পথত আগবাঢ়ি যোৱাটো উন্নত জাতিয়ে কল্পনাই কৰিব নোৱাৰে।

ব্যক্তিৰ সমষ্টিয়েই হ'ল সমাজ। সেয়ে ব্যক্তিৰ জীৱনৰ লগত সাহিত্যৰ সম্বন্ধ ওতঃপ্রোত। সমাজ-জীৱনৰ ওপৰত গভীৰ ৰেখাপাত কৰিব পৰাকৈ সাহিত্যিকে সাহিত্য সৃষ্টি কৰিব লাগে। ব্যক্তিৰ ধ্যান-ধাৰণা, আশা-আকাংক্ষা সাহিত্যত পৰিস্ফুট হোৱাটো বাঞ্ছনীয়। যি সাহিত্যই সৃষ্টি কৰা নহওঁক কিয় তাত ব্যক্তিৰ হৃদয়ৰ কথা থাকিব লাগে। ব্যক্তিৰ সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আদি দিশৰ ওপৰত সাৱলীলভাৱে আলোকপাত কৰিব লাগে সাহিত্যত। সাহিত্য যিহেতু সমাজৰ দাপোন স্বৰূপ; সেয়ে সাহিত্যৰ দাপোণত সমাজ আৰু মানৱ জীৱনৰ ছবি প্রতিবিম্বিত হোৱাটো বাঞ্ছনীয়। সাহিত্য মানুহৰ বাবে সৃষ্টি কৰা হয়। সেয়ে প্রায়ে ব্যক্তি আৰু সমাজৰ বিভিন্ন পটভূমিত সাহিত্য সৃষ্টি কৰা হয়।

সাহিত্যিকসকল সমাজৰ আন মানুহৰ দৰে হোৱা সত্ত্বেও তেওঁলোক সমাজ আৰু মানৱ জাতিৰ কল্যাণৰ স্বার্থত ব্যতিক্রমী হোৱা দেখা যায়। যিসকল মহান লেখক তথা যুগান্তকাৰী সাহিত্যিক সেইসকলে নিজৰ সুখ-স্বাচ্ছন্দ্য নেওচি সাহিত্য কর্মত আজীৱন অতিবাহিত কৰিব লগা হয়। সেইসকল সাহিত্যিকে যুগান্তকাৰী সাহিত্য সৃষ্টিৰ মাজেৰে নিজৰ লগতে একোটা জাতিক মহীয়ান কৰিব পাৰিছে। উদাহৰণ স্বৰূপে শ্বেইক্সপীয়াৰে অকলে ইংৰাজী সাহিত্যৰ ভঁৰাললৈ যিবোৰ উচ্চ পর্যায়ৰ কবিতা, নাটক আদি ৰচনা কৰি থৈ গৈছে সেইবোৰৰ বাবে ইংৰাজ জাতি সমগ্র বিশ্বতে মহীয়ান হৈ আছে। সেইদৰে এণ্টন চেখভ, ঋষি টলষ্টয়, মেক্সিম গর্কী আদি বিশ্ববৰেণ্য সাহিত্যিকে ৰচনা কৰা সাহিত্যৰাজিৰ বাবে ৰুছ জাতি গৌৰৱান্বিত। আমি ভাৰতীয় সকলো মহাকবি কালিদাসৰ অমৰ সৃষ্টিসমূহৰ বাবে গৌৰৱান্বিত। এনে ধৰণৰ উদাহৰণ বিশ্ব সাহিত্য জগতত অলেখ পোৱা যায়। বিশ্বৰ যশস্বী সাহিত্যিকসকলৰ জীৱন ধাৰাৰপৰা সহজে অনুমান কৰিব পাৰি যে প্রতিগৰাকী সাহিত্যিকৰে সামাজিক দায়বদ্ধতা

অসীম। সাহিত্য যিহেতু মানুহ আৰু সমাজৰ বাবে ৰচনা কৰা হয়; সেয়ে সাহিত্যিকৰ লেখাত সমাজৰ সকলো শ্ৰেণীৰ মানুহে নিজৰ সুখ-দুখ, হাঁহি-কান্দোন আদি অনুভূতি বিচাৰি পায় আৰু কেতিয়াবা পাঠকে সাহিত্যিকৰ ভাবৰ লগত একাত্ম হ'ব পাৰে। সাহিত্যিকৰ বিভিন্ন সৃষ্টিৰ মাজত সমসাময়িক সমাজখনক উচ্চস্তৰলৈ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সাহিত্যিকৰ দায়িত্ব অপৰিসীম।

সাহিত্য চৰ্চা বা সাহিত্য কৰ্মত আত্ম-নিয়োগ কৰাটো এটা পৱিত্ৰ আৰু মহান কাম। এই কামত নিৰৱচ্ছিন্নভাৱে জড়িত থাকিব পাৰিলে সময়ত এগৰাকী সফল সাহিত্যিক হ'ব পৰা যায়। অৱশ্যে অমৰ সাহিত্য সৃষ্টি কৰিবলৈ হ'লে গভীৰ সাধনা, অধ্যয়ন আৰু নিৰন্তৰ চৰ্চাৰ প্ৰয়োজন। সমাজৰপৰা লাভ কৰা বাস্তৱ অভিজ্ঞতা আৰু গভীৰ অধ্যয়নৰ যোগে লাভ কৰা অভিজ্ঞতা সাহিত্যিক এগৰাকীৰ সফলতাৰ মূল চাবি-কাঠি। অৱশ্যে এই অভিজ্ঞতা অৰ্জনৰ লগে লগে লেখক তথা সাহিত্যিক অভিজ্ঞতা আৰু প্ৰতিভাৰ বলতে লেখকে অমৰ সাহিত্য সৃষ্টি কৰিবলৈ সক্ষম হয়। প্ৰয়োজনীয় অভিজ্ঞতা, অধ্যয়ন আৰু প্ৰতিভাৰ অভাবতে কিছুমান লেখকৰ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত স্থবিৰতা পৰিলক্ষিত হয়। তত্ৰাচ বিশ্বৰ মানৱ সমাজৰ বিভিন্ন শ্ৰেণীৰ সাহিত্যিকৰ ভিন্ন অৱদানৰ বাবে আজি বিশ্ব সাহিত্যৰ ভঁৰাল নদন-বদন। এয়া মানৱ জাতিৰ অমূল্য সম্পদ আৰু অক্ষয় কীৰ্তি।■■

## ঃ উবাচ ঃ

পূৰ্ব ধাৰণা নহয়, পৰিকল্পনাইহে মানুহক সফল হোৱাত সহায় কৰে। সঠিক পৰিকল্পনা থাকিলে ধন-বিত অলপ কম-বেছি হ'লেও সফলতা অৰ্জন কৰা যায়। কিন্তু পৰিকল্পনা নাথাকিলে অপৰ্যাপ্ত ধনেৰেও লক্ষ্যত উপনীত হোৱা নাযায়। পৰিকল্পনা ল'ব নজনাৰ দোষতে বহু লোক সফল নহয়, অথচ দোষ দিয়ে ভাগ্যক। ভাগ্যনো কি! নিজে গঢ়া এক ধাৰণাহে। মৃত্যুৰ কেইদিনমান পূৰ্বে এক সাক্ষাৎকাৰত কৈ গৈছিল তথ্য-প্ৰযুক্তিৰ 'কিংবদন্তি পুৰুষ' ষ্টিভ জ'বছে।

# গজেন্দ্ৰ উপাখ্যান

বিন্দুপ্ৰভা হাজৰিকা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই মহামুনি ব্যাসদেৱৰ ৰচিত শ্ৰীমদ্ভাগৱত শাস্ত্ৰভাগি মন্থন কৰি গভীৰ ভক্তিধাৰাৰে প্ৰৱাহিত কেইটামান আখ্যান-উপাখ্যান অসমীয়া ভাষাৰ পদত লিখি 'কীৰ্ত্তন-ঘোষা' ৰচনা কৰিছে। মহাপুৰুষজনাই প্ৰচাৰ কৰা এক শৰণ হৰিনাম ধৰ্মৰ উপযোগী কৰি এই আখ্যানবোৰ শ্ৰৱণ-কীৰ্তনৰ সুবিধা কৰি ৰচনা কৰিছে। সাহিত্যৰ নৱৰসৰ আটাইকেইটা ৰসেই কীৰ্ত্তন-ঘোষাত জীপাল আৰু ৰসাল হৈ আছে। ভক্তি নৱবিধ, যেনে— শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, বন্দন, পদসেৱন, দাস্য, সখিত্ব আৰু আত্মনিবেদন।

মহাপুৰুষ গুৰুজনাই ৰচনা কৰা 'কীৰ্তন-ঘোষা'ৰ পৰা আমি জানিবলগীয়া, শিকিবলগীয়া বহু কথা আছে। অসমৰ মাটিত অৰ্থাৎ প্ৰতি ঘৰে ঘৰে দেখা গছ-লতা, ফল-ফুল, চৰাই-চিৰিকটি আদিৰ নাম সঘনে পোৱা যায়। এনে লাগে যেন এই ঘটনাবোৰ অসমৰ ৰাজ্যৰ ঘটনা।

কীৰ্তন-ঘোষাৰ সপ্তম স্থানত আছে গজেন্দ্ৰ উপাখ্যান। আজি এই ভাগকেই লোৱা হওক। এখন সাগৰ, নাম ক্ষীৰ সাগৰ। ইয়াৰ মাজত ত্ৰিকুট পৰ্বতত তিনিটা ডাঙৰ শৃঙ্গ আছে। এটা সোণৰ, এটা ৰূপৰ আৰু এটা লোৰ। ইয়াৰ উপৰি বহু সৰু সৰু শৃঙ্গ ৰত্নেৰে তিৰবিৰাই জ্বলি আছে। ক্ষীৰসাগৰৰ দুগ্ধময় জল সুশীতল বায়ুৰ লগত আহি পৰ্বতত খুন্দা মাৰি আছে। এই ত্ৰিকুট পৰ্বতটো বৰ ডাঙৰ, বহু যোজন জুৰি আছে। পৰ্বতৰ মাজে মাজে অনেক মনোমোহা উদ্যান আৰু তাত নানা সুস্বাদু ফল-মূল ভৰি আছে। উদ্যানৰ ভিতৰত নানা নদ-নদী সৰোবৰে শোভা কৰি আছে।

অসম ৰাজ্যত যিবোৰ তৰু-তৃণ, পশু-পক্ষী, মাছ-কাছ আছে এই সকলোবোৰ ত্ৰিকুট পৰ্বতৰ উদ্যানবোৰত বিৰাজ কৰি আছে। যেনে— তমাল, পদ্ম, পাৰিজাত, চম্পক, অশোক, মধাই, জাই-যুতি আদি ফুল। শাল, তাল, মন্দাৰ, আম, জাম, নেমু, জৰা, জামীৰ, খেজুৰ, বেল, নাৰিকল, তাল, তামোল, পাকৰি, চন্দন, সৰল, সোণাৰু আদি মূল্যবান গছেৰে সেই উদ্যানবোৰ ভৰি আছে।

এই বনৰ মাজত গজেন্দ্ৰ নামৰ এট ডাঙৰ হাতী আছে। হাতীৰ দলটোৰে গোটেই উদ্যান মহতীয়াই ফল-মূল খাই ফুৰে। এদিনৰ কথা, এই হাতীৰ দলটোৰে উদ্যানে উদ্যানে ফুৰি বাঁহ-বেত সকলো নাশ কৰি ফুৰি আছে; ভৰ দুপৰৰ ৰ'দৰ তাপত সিহঁতৰ অন্ত-কণ্ঠ শুকাই গৈছে। ভাগৰে-দুখে সিহঁতক বিহ্বল কৰি পেলাইছে। সিহঁতে ওপৰলৈ শুঁড় তুলি পানীৰ সন্ধান কৰিব ধৰিছে; হয় পানী ওচৰতে আছে, সুন্দৰ পদুমৰ ফুলৰ ৰেণু আহি গজেন্দ্ৰৰ নাকত লাগিছে। সেই গোন্ধ অনুসৰণ কৰি গৈ গৈ গজেন্দ্ৰই সেই সুগন্ধী পানীৰ সৰোবৰটো বিচাৰি পালে। গোটেই হাতীৰ দলটো সুশীতল পানীত নামি হেঁপাহ পলুৱাই সুস্বাদু পানী খাই ল'লে আৰু স্নান কৰিবলৈ আৰম্ভ কৰিলে। হস্তী-অস্তিনীয়ে জলক্ৰীড়া কৰোতে কৰোতে হ্ৰদৰ ফুল-ফল, মাছ-কাছ সকলো মৰি শেষ হ'ল। কিন্তু হস্তীৰ হেঁপাহ পলোৱা নাই। নিজৰ পৰিয়ালবৰ্গকলৈ নানা

জলক্রীড়া কৰি আনন্দত গজেন্দ্ৰ মতলীয়া হৈ আছে। এনেতে এটা গ্ৰাহ (ঘৰিয়াল) আহি গজেন্দ্ৰৰ ভৰিত কামুৰি ধৰিলে। সি গ্ৰাহৰ মুখৰ পৰা নিজক বচাবলৈ চেষ্টা কৰিছে, বাৰে বাৰে বল প্ৰয়োগ কৰিছে, গ্ৰাহে এৰি দিয়া নাই। অহংকাৰী গজেন্দ্ৰই তাৰ বিপদ হ'ব বুলি কোনোদিন ভবা নাছিল। তাৰ শৰীৰৰ বল-পৰাক্ৰমেৰে সৰোবৰৰ সকলো প্ৰাণীকে মহতিয়াই লৈ ফুৰিছিল, কিন্তু আজি গ্ৰাহৰ মুখৰ পৰা সি ৰক্ষা পোৱা নাই। সি লগৰবোৰক চিঞৰিছে, সকলো আহি গজেন্দ্ৰক বেৰি ধৰিছে আৰু গ্ৰাহৰ মুখৰপৰা আজুৰী আনিবলৈ চেষ্টা কৰিছে। পানীত গ্ৰাহৰ বল বাঢ়িছে, গ্ৰাহে গজেন্দ্ৰক পানীৰ মাজলৈ লৈ গ'ল। ভয়ত লগৰবোৰ পাৰলৈ উঠিল। হস্তিনীবোৰেও একো কৰিব নোৱাৰি পাৰলৈ উঠি গ'ল। গজেন্দ্ৰই অকলে অকলে গ্ৰাহৰ লগত যুঁজি আছে। এইদৰে যুঁজুতে যুঁজুতে বহু বছৰ পাৰ হৈ গ'ল। সি অৱশ হৈ পৰিছে।

হস্তী দলবদ্ধ হৈ থাকে, এনে এটা ডাঙৰ পৰিয়ালৰ গজেন্দ্ৰ হৈছে মূৰবী। কিন্তু শেষত গজেন্দ্ৰই বুজি পালে যে বিপদত পৰা জনক ঈশ্বৰৰ বাহিৰে পৰিয়ালৰ আনে অৰ্থাৎ পুত্ৰ-ভাৰ্যাই ৰক্ষা কৰিব নোৱাৰে। পূৰ্বত তাৰ বল-বীৰ্জৰ অহংকাৰত কাকো মান্যতা দিয়া নাছিল, কাকো ভয় কৰা নাছিল, তেনে বলবান গজেন্দ্ৰই এটা সামান্য গ্ৰাহৰ মুখৰ পৰা নিজক উদ্ধাৰ কৰিব নোৱাৰিলে।

এটা সময়ত তাৰ সদ্‌বুদ্ধি উদয় হ'ল। লোভ, মোহ, কাম, ক্ৰোধ, মদ, মাৎসয্য এই সকলো অসাৰ বুলি সি ভক্তিভাৱে ভগৱন্ত মাধৱক স্মৰণ কৰিলে—

"আমাক ৰাখিবে আৰে কমন বান্ধব।
অন্তকালে গতি মোৰ কেৱলে মাধৱ।।৫০১

—এইবুলি গজেন্দ্ৰই ভক্তিপদ্মেৰে ঈশ্বৰৰ ওচৰত আশ্ৰয় বিচাৰি স্তুতি কৰিছে।

ভগৱান শ্ৰীহৰি নাৰায়ণে গজেন্দ্ৰৰ স্মৰণ ভক্তি আৰু আত্ম-সমৰ্পণ দেখি সন্তুষ্ট হৈ হাতে চক্ৰ ধৰি গ্ৰাহৰ মুখৰপৰা উদ্ধাৰ কৰিলে।

গজেন্দ্ৰ উপাখ্যানত গভীৰ ভক্তিৰ কথা আছে। গজেন্দ্ৰই কায়-বাক্য-মনে সমৰ্পণ কৰি শ্ৰীহৰিৰ চৰণত আশ্ৰয় বিচাৰিছে। ঈশ্বৰে সেই সেৱা গ্ৰহণ কৰি গজেন্দ্ৰক বিপদত উদ্ধাৰ কৰিলে। (ইয়াকে আমি শিক্ষা হিচাপে মানি চিত্ত, বুদ্ধি, মন ঈশ্বৰত নিবেদন কৰিব পাৰিলে আমাৰ জীৱন সফল হ'ব।)■■

## ঈশ্বৰ নিৰ্ণয়

কৃষ্ণ এক দেৱ দুঃখহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।

— নাম-ঘোষা, ৫৮৬

# উদাৰ আতৈ

জীৱকান্ত নাথ

উদাৰ আতৈ মহাপুৰুষ শঙ্কৰদেৱৰ এজন পৰম ভকত। উদাৰ আতৈকে উদাৰ গোবিন্দ আতৈ নামেৰেও জনা যায়। উদাৰ আতৈৰ ঘৰ ঢুমৰি নামৰ এখন গাঁৱত। ঘৰ-সংসাৰৰ প্ৰতি বিৰক্তি অহাত ঘৰ-বাৰী, পুত্ৰ-পত্নী সবাকো এৰি গুৰুজনৰ লগলৈ আহি হাটীত থাকি ভকতৰ লগত হৰি গুণ গাই থাকিবলৈ ল'লে। আতৈয়ে আকৌ সদায় ভিক্ষা কৰিহে খায়। ভকতৰ সঙ্গত নাম-গুণ, প্ৰসঙ্গ-পাঠ আদি নাপাব বুলি কেতিয়াবা আতৈয়ে বাট-পথেদি নাহি হাবিয়ে-বননিয়ে পোনাই আহে। ফলত ঘাঁহ-বনে আতৈৰ গা, হাত-ভৰি আঁচুৰি ভোবোৰা-ভুবুৰ কৰে। এদিন সপোনত গুৰুজনক ক'লে— "বোলে ভাৰ্যা-পুত্ৰ, দাস-দাসী সবাকো পুহিছা, মোৰ উদাৰকহে একঠা চাউলেৰে পুহিব নোৱাৰা। গা চোৰাচোন আগত ফুৰাত।" সপোনত এনে কথা দেখি-শুনি গুৰুজনে উদাৰক বোলে আজিৰ পৰা তুমি ভিক্ষাবৃত্তি কৰিবলৈ নাযাবা আৰু। আমাৰ পৰাই চাউল-পাত, তেল-নিমখ নি খাবাগৈ। এইবুলি খোৱাবস্তু দি পঠিয়ালে। আতৈয়ে গুৰুজনাৰ পৰা খাদ্য সম্ভাৰ লৈ গৈ সমুখতে থৈ মনৰ দুখত কান্দিছেগৈ— বোলে গুৰুৰ খাই-বৈ সংসাৰ তৰিব পাৰিম জানো? সেইদিনাৰ পৰা নিনিলে আৰু।

মহাপুৰুষ শঙ্কৰদেৱে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে ছকুৰি ভকতৰ লগতে উদাৰ আতৈও গৈছিল। কেইবাজনো ভকতৰ নিজৰ ধন-বিত নথকাত আন ভকতৰ আশ্ৰয়তে তীৰ্থভ্ৰমণলৈ ওলাইছিল। তাৰে এজন উদাৰ আতৈও। তীৰ্থভ্ৰমণৰ সময়ত এদিন মদাগঞ্জ নামে ঠাইত উদাৰ আতৈয়ে টকা এটি ভঙাই সকলোকে ভোজন কৰালে। গুৰুজনে মাধৱক সুধিলে— বোলে আজি কাৰ টকা ভাঙিলা? মাধৱে বোলে উদাৰ আতৈয়ে ভোজন কৰালে আজি। গুৰুজনে বোলে উদাৰৰ টকা আছে জানো?

আমাক দেখোন মিছা কথা কৈছে উদাৰে। এনে মিছা কথা কোৱা ভকতৰ মুখ চাব নাপায় বুলি খং কৰিলে গুৰুজনে।

গুৰুজনৰ পৰা এই কথা শুনি উদাৰ আতৈয়ে তেঁৰ সমুখলৈ নোলোৱা হ'ল। সেই দিনাৰ পৰা ভকতৰ লগত নগৈ কিছু নিলগেদি হাবি-ভাঙি যাবলৈ ল'লে। গুৰুজনে কৃষ্ণ কথা কৈ যায় আৰু উদাৰে গুৰুৰ পোনে পোনে থাকি হাবিয়েদি শুনি যায়।

উদাৰৰ এটা স্বভাৱ আছিল যে গুৰুজনে কৃষ্ণ কথা ক'লে বা শাস্ত্ৰ ব্যাখ্যা কৰিলে উদাৰ আতৈয়ে না না প্ৰশ্ন কৰি যায়। এনেদৰে তেওঁ গুৰুজনক খং-ৰাগ তোলে মাজে-সময়ে। উদাৰক চাৰিদিনমান ভকতৰ লগত নেদেখি গুৰুজনে বোলে— কৃষ্ণ কথা খুটি ধৰি খোচৰোতা নাই দেখোন। বৰাপো, উদাৰক দেখেনা দেখা নাই কেইদিনমান, ক'লৈ গ'ল? তেতিয়া মাধৱে ক'লে— বাপ, আপুনি যে সিদিনা মুখ চাবলৈ ভাল নহয় বুলি কৈছিল, সেইদিনাৰে পৰা তেওঁ হাবিয়েদি যায়। গুৰুজনে তেওঁক মাতি আনিবলৈ কোৱাত মাতি আনিলে। গুৰুজনে দেখিলে যে হাবিয়েদি যোৱাৰ কাৰণে উদাৰৰ গা কাটি বখলা-বখল কৰিলে। দেহৰ মায়া-মমতা এৰি হৰি কথাত এনে ৰাপ দেখি গুৰুজনেও আশ্চৰ্য প্ৰকাশ কৰিলে। তেহে গুৰুজনে বোলে — উদাৰ আজিৰ পৰা তোমাৰ দোষ এৰিলো, আমাৰ লগতে আহিবা।

আন এদিনৰ কথা। মাঘ মহীয়া বাওঁ তলিৰ নৰানিতে শঙ্কৰদেৱ, মাধৱদেৱ, ঠাকুৰ আতা, শ্ৰীৰাম আতা, পৰমানন্দ আতৈ, উদাৰ আতৈ, ৰামদাস আতৈ, ৰাম ৰাম গুৰু— এইসকল মহাসুখত

মুকলি আকাশৰ তলত বহি ধৰ্ম চৰ্চা কৰিছে। গুৰুজনে কীৰ্তন পাঠ কৰিছে আৰু বৰাপোৰে সুধি-মেলি ব্যাখ্যা কৰি গৈছে। আন ভকতসৱে শ্ৰৱণ কৰি গৈছে। এনেদৰে পাঠ ব্যাখ্যা কৰি সামৰিবৰ সময় হৈছেহি। গধূলি হ'বৰো হৈছে আৰু বতৰটোও বেয়া কৰি আনিছে। এনেতে উদাৰ আতৈয়ে মাজতে খুটি ধৰি খুচৰি সুধিলে কিবা এটা। আতৈ হোজা মনৰ বাবে সময়, বতৰ আদিলৈ মনেই কৰা নাই। এনে সময়ত উদাৰৰ কথা শুনি গুৰুজনৰ ৰাগ উঠি— তোৰ নামহে উদাৰ, বুধিখানি গুদাৰ, একো নেজান।" বুলি ক'লে।

উদাৰৰ আগৰ সেই একেই অৱস্থা। কিছুদিন গুৰুজনৰ সমুখলৈ নোলোৱা হ'ল। গুৰুজনে কৃষ্ণকথা চৰ্চন কৰিলে মাহ-সৰিহয়ৰ ডুলিৰ মাজত সোমাই থাকিহে উদাৰে শ্ৰৱণ কৰে। এদিন শিশু হৰিচৰণ ঠাকুৰ, পুৰুষোত্তম ঠাকুৰ, ৰামচৰণ ঠাকুৰ আদিয়ে ওমলি থকা সৰিহয়ৰ ডুলিত সোমাই থকা উদাৰক উলিয়ালে। গুৰুজনে উদাৰৰ হৰি ভকতি দেখি আচৰিত হ'ল। গুৰুজনে আমাৰ লগতে থাকি হৰি কথা নুশুনা কিয় বুলি সুধিলে? উদাৰে বোলে বাপ, সিদিনা মই ভু নাপাই সুধিলো। মোৰ কথা শুনি আপুনি ৰাগ কৰাত ভয়তে সৰিহয়ৰ ডুলিত সোমাই আপোনাৰ শ্ৰীমুখৰ বাক্য শ্ৰৱণ কৰিছোঁ। গুৰুজনে বোলে— আজিৰপৰা তোমাক খং নকৰো আৰু। আজিৰ পৰা মোৰ আৰু ভকতৰ সংগত থাকিয়েই হৰি কথা শুনিবাহঁক আৰু সুধিবাও। এইদৰে তুমি চৈধ্য পুৰুষ উদ্ধাৰ কৰিবা। সঁচাকৈয়ে তুমি ভিতৰে বাহিৰে উদাৰ। এইদৰে উদাৰ আতৈক গুৰুজনে নথৈ প্ৰশংসা কৰিলে।

উদাৰ আতৈৰ মন ৰাম নামৰ ৰসত এনেদৰে মজি গ'ল যে ক্ষন্তেক সময়ো ভগৱানৰ নাম নোলোৱাকৈ থাকিব নোৱাৰা হ'ল। যেতিয়াই তেতিয়াই নাম উচ্চাৰিত হৈয়েই থাকে তেওঁৰ মুখেদি। আনকি বাহিৰ ফুৰিবলৈ অৰ্থাৎ শৌচ কৰিবলৈ যাওঁতেও তেওঁ মুখখন বন্ধ কৰিব নোৱাৰে। শৌচ কৰি থাকোতে নাম লোৱাটো অপৰাধ হ'ব বুলি ভাবি আতৈয়ে নাম উচ্চাৰণ হ'ব নোৱাৰাকৈ জিভাখন হাতেৰে ধৰি থাকে। আতৈৰ এনে কাণ্ড দেখি লগৰ ভকতে জিভাখন কিয় ধৰি থাকে সুধিলে। তেতিয়া উদাৰে আচল কথাটো ভাঙি-পাতি ক'লে। গুৰুজনে উদাৰ আতৈৰ নাম-ৰসত মজি যোৱা অৱস্থাটোৰ কথা উপলব্ধি কৰি পৰম আনন্দ লাভ কৰিলে। আৰু আজিৰপৰা জিভাখন ধৰি নাথাকিবলৈ পৰামৰ্শ দিলে। লগতে এটি ঘোষা গাইও আতৈক বুজনি দিছে—

"হৰি নাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।।"

ইয়াৰ অৰ্থ এনেকুৱা— হৰি অৰ্থাৎ ভগৱানৰ নাম ল'বৰ বাবে সময়-অসময় নাই, যিকোনো সময়তে নাম উচ্চাৰণ কৰিব পাৰি। 'দেশ' মানে যিকোনো স্থানত, যিকোনো পৰিৱেশত ভগৱানৰ নাম লোৱাটো অপৰাধ নহয়। 'পাত্ৰ' মানে যিকোনো বয়সৰ, যিকোনো ধৰ্ম, জাত-পাত, ভাষা-ভাষী, পুৰুষ-স্ত্ৰী সকলোৰে ভগৱানৰ নাম লোৱাত বাধা নাই। গতিকে ভগৱানৰ নাম ল'বৰ বাবে নিয়ম-কানুন ৰীতি-নীতিৰ বা সযংমৰ কথা নাই। কিন্তু এটা কথা ঘোষাটোত কৈছে যে ভগৱানত শৰণ ল'ব লাগে। শৰণ মানে ঈশ্বৰত আমাৰ মন-প্ৰাণ সমস্ত আত্মসমৰ্পণ কৰিব লাগে। আমাৰ নিজা বুলিবলৈ একোৱেই নাই। তেওঁহে এই জগতলৈ পঠিয়াইছে আৰু তেৱেঁই এদিন ইয়াৰ পৰা লৈ যাব। গতিকে আমি স্বতন্ত্ৰ নহয়, আমাৰ স্বাধীনতা নাই। সেয়েহে ভগৱানৰ ওচৰত আমাৰ সকলো আত্মসমৰ্পণ কৰি অৰ্থাৎ ভগৱানৰ আশ্ৰয় কৰি সত্য, ন্যায়, দয়া, পৰোপকাৰ আদি গুণ আয়ত্ব কৰি জীৱনত বাট বুলিব লাগে।

মানুহৰ মন বৰ বিচিত্ৰ। উদাৰ আতৈৰ এবাৰ গৃহলৈ যাবৰ মন গ'ল। ভকতৰ সঙ্গত আছেহি যদিও মাজে মাজে ঘৰলৈ মনত পৰে। পত্নী, পো-বোৱাৰী, নাতি-নাতিনীহঁতেও আতৈক মাজে-সময়ে চাউল-

পাত, তেল, নিমখ, শাক-পাচলি যোগান দি যায়হি। আইগৰাকীয়ে আতৈৰ জ্বৰ হোৱা বুলি জানি এদিন খবৰ ল'বলৈ আহিল। আইয়ে আহি দেখে যে জ্বৰত বিষে-কোপে আতৈয়ে খাব-বব নোৱাৰি কেকাই আছে। ভকতসকল তাত নথকাৰ সুযোগতে আতৈয়ে গাটো হেঁচি-পিতিকি দিবলৈ আইগৰাকীক ক'লে। ভালদৰে পিতিকি মেলি দিয়াত গাটো অলপ ভাল পাই আতৈয়ে ঘৰলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। পিছদিনা আতৈ গুৰুজনৰ ওচৰলৈ গৈ বোলে বাপ, গাটিও বৰ বিষম, দিনচেৰেক ঘৰলৈকে যাব খোজো। গুৰুজনে বোলে— উদাৰ, মায়া-মোহ, কামনা-বাসনা এবাৰ ত্যাগ কৰি ভকতৰ সঙ্গলৈ আহিছা। আকৌনো কিয় গৃহ অন্ধকূপলৈ যাব লাগে? আতৈয়ে দিনচেৰেক থাকি পুনৰ ভকতৰ সঙ্গলৈ আহিম বুলি কোৱাত গুৰুজনে যাবলৈ অনুমতি দিলে। তথাপিতো এযোকা ঘোষা গাই উদাৰ আতৈক বুজনি দি পঠিয়ালে—

"বিষয় সম্বন্ধ সুখ সমস্ত যোনিতে পায়
হৰি সেৱা একো থানে নাই।
হৰিৰ সেৱাৰ যোগ্য কেৱল মনুষ্য তনু
জানি ফুৰা হৰিগুণ গাই।।"

ইয়াৰ অৰ্থটো তোমালোকক অলপমান বুজাই দিওঁ বাৰু, শুনিবাহঁক। উৰণ, বুৰণ, গজন আৰু ভ্ৰমণ— এই চাৰিমুঠি জীৱৰ ভিতৰত কেৱল মানুহেহে ভগৱানক চিন্তা কৰিব পাৰে। জীৱ-জন্তু, চৰাই-চিৰিকতি, মাছ-কাছ, উদ্ভিদ আদিৰ ভগৱানৰ লগত কোনো সম্বন্ধ নাই অৰ্থাৎ ভগৱানক নাভাবে। ধৰ্ম বা আধ্যাত্মিক কথাটোৰ বাহিৰে মানুহ আৰু জীৱ-জন্তুৰ কোনো পাৰ্থক্য নাই। মানুহৰ কামনা-বাসনা, মায়া-মোহ, খং-ৰাগ, ঈৰ্ষা, অহংকাৰ, লোভ আদি থকাৰ দৰে জীৱ-জন্তু বা অন্যান্য প্ৰাণীবোৰৰো আছে। মানুহে সন্তান জন্ম দিয়াৰ দৰে অন্যান্য জীৱসমূহেও দিয়ে। মানুহৰ খং-ৰাগ থকাৰ দৰে বাকী প্ৰাণীবোৰৰো খং-ৰাগ আছে। মানুহৰ দৰে আনক দেখিব নোৱাৰা স্বভাৱ আৰু গৰ্ব-অহংকাৰো সিহঁতৰ আছে। কিন্তু সিহঁতে ধৰ্ম চিন্তা নকৰে। সিহঁতে মঠ-মন্দিৰ নাসাজে, নামঘৰ সাজি নাম নলয়, গীৰ্জা বা মছজিদলৈও গৈ ঈশ্বৰ উপাসনা নকৰে। গতিকে ঈশ্বৰ চিন্তাৰ বাবে অন্যান্য দিশত প্ৰাণীজগতৰ লগত মানুহ কোনো অমিল নাই। সেয়েহে ঘোষাত— 'হৰি সেৱা একো থানে নাই' বুলি কৈছে।

যি নহওক, গুৰুজনৰ পৰা বিদায় লৈ আতৈ ঘৰলৈ ওলাল। যাবৰ সময়ত 'দুটা ম'ৰা চকা' উদাৰ আতৈৰ হাতত দি গুৰুজনে ক'লে— এটি ম'ৰা চকাৰে তোমাৰ ঘৰত পো-বোৱাৰী, নাতি-পুতিহঁতে ভাত খাওঁতে চাবা আৰু আনটি ম'ৰা চকাৰে কীৰ্তন গৃহত ভকত-আইসকলে নাম গাওঁতে চাবা। আতৈ ঘৰলৈ যোৱাত নাতি, পো-বোৱাৰীসকলোৰে অপাৰ আনন্দ। আইগৰাকীয়ে অন্ন ৰান্ধি-বাঢ়ি সাজু কৰিলে। খাবৰ সময় হলত ঘৰৰ আনসকলক ভাত দিবলৈ কৈ আইৰ সৈতে তেওঁ পিছত খাম বুলি ক'লে। আইগৰাকীয়ে সকলোকে ভাগে ভাগে দি গৈছে আৰু তেওঁলোকে খাই গৈছে। এনেতে আতৈয়ে গুৰুজনৰ কথামতে বেৰৰ ইকৰা এডাল ভাঙি ম'ৰা চকাটোৰে চাই এটা অদ্ভুত দৃশ্য দেখিবলৈ পালে— বুঢ়ীয়ে শূকৰীজনী (মাইকী গাহৰি) হৈ হক হক কৰে বমি কৰি দিছে আৰু বাকীবোৰে পোৱালি হৈ নোক নোক কৰে খাই গৈছে। আতৈয়ে সেই দৃশ্য দেখি কান্দি-কাটি ঘৰত ক্ষন্তেক সময়ো নৰৈ গুৰুগৃহৰ ফাললৈ ঢাপলি মেলিলে। ঘৰৰ বাকীসকল আতৈৰ এই কাৰ্যত আচৰিত হ'ল। আতৈ কীৰ্তন ঘৰ পাই দেখে যে ঘূৰণীয়াকৈ কৃষ্ণ বলোভদ্ৰই ভকতসকলৰ মাজত বৈ ভোজন বেহাৰৰ খেলা গাইছে। দুঠাইত এনে দুটা বিপৰীত ধৰণৰ দৃশ্য দেখিবলৈ পাই আতৈয়ে গুৰুজনৰ পাৱতে শিৰ থৈ হেঁপাহ পলুৱাই কান্দিলে। গুৰুজনে আতৈৰ সকলো কথা গম পালে। তাৰ পিছৰ পৰা আতৈয়ে ভকতৰ সঙ্গতে থাকি ভিক্ষা কৰি হৰি গুণ গাই দিন অতিবাহিত কৰিবলৈ ধৰিলে।■■

# মূল্যবোধৰ শিক্ষা আৰু শান্তিপূৰ্ণ জীৱন

ড° সত্যজিৎ ভূঞা, *অভিযন্তা*

দিন গৈছে মানে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত নতুন নতুন দিগন্তৰ সূচনা হৈ আহিছে। পূৰ্বে আছিল গুৰু-শিষ্য পৰম্পৰা। ছাত্ৰই গুৰুগৃহত থাকি শিক্ষা লাভ কৰিছিল। গুৰু আৰু ছাত্ৰৰ সম্পৰ্ক আছিল অতিশয় ঘনিষ্ঠ। তাৰ পিছৰ পৰ্যায়ত আছিল পৰিৱৰ্তিত গুৰু-শিষ্য শিক্ষাদান পদ্ধতি। য'ত ছাত্ৰ বা ছাত্ৰী অনবৰতে গুৰুৰ ছত্ৰছাঁয়াত নাথাকে। তাৰ পিছত আহিল কেম্পাছ, ক্লাছৰূম পৰম্পৰা। য'ত একোটা কেম্পাছত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক থাকে। শ্ৰেণী কোঠাত সকলো মিলিত হয়। পেছাদাৰী শিক্ষাৰ ক্ষেত্ৰত এনে প্ৰক্ৰিয়া অতিশয় সূচল বুলি সকলোৱে মানি ল'লে। তাৰ পিছৰ পৰ্যায়ত আহিল দিষ্টেন্স এডুকেশ্বন পদ্ধতি। দূৰৱৰ্তী শিক্ষা ব্যৱস্থা। যিটো পদ্ধতিত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সংস্পৰ্শলৈ অহাৰ প্ৰয়োজন নোহোৱা হৈ পৰিল। বিভিন্ন বিষয়ৰ শিক্ষা দান আৰু গ্ৰহণ এই পদ্ধতিৰে সহজ হ'লেও সকলো বিষয়ৰ শিক্ষা এই পদ্ধতিৰে দিব নোৱাৰাটো ধুৰুপ। বিশেষকৈ পেছাদাৰী বিষয়ৰ শিক্ষা দিয়াৰ ক্ষেত্ৰত এই পদ্ধতিত আৰু পৰিৱৰ্তন হোৱাটো বাঞ্ছনীয়।

শিক্ষা দান পদ্ধতিৰ পৰিৱৰ্তনৰ লগে লগে শিক্ষনীয় বিষয়সমূহেও নানা ধৰণে ৰূপ সলাই আহিছে। জীৱ-জগতৰ ৰেহ-ৰূপৰ সলনি হোৱাৰ লগে লগে শিক্ষনীয় বিষয়ৰ ৰেহ-ৰূপৰ পৰিৱৰ্তনো লক্ষ্যণীয় দিশ। পুথিগত আৰু প্ৰায়োগিক— এই দুয়োটা দিশতে শিক্ষাদান পদ্ধতি, শৈক্ষিক বিষয়ৰ সূচী আদিৰ পৰিৱৰ্তন হোৱাটো সময় সাপেক্ষ। যি নহওক শিক্ষাদান পদ্ধতি সময়োপযোগী হৈ থকা সত্বেও, নতুন নতুন বিষয়ত শিক্ষাদান আৰম্ভ হোৱা সত্বেও সমাজত অসূয়াৰ পয়োভৰ কমা নাই। শিক্ষিতৰ হাৰ ক্ৰমাগত বৃদ্ধি পোৱা সত্বেও সমাজত শান্তিপূৰ্ণ সহাৱস্থান সহজাত হৈ থকা নাই। নীতিৰ ক্ষেত্ৰত, চাৰিত্ৰিক দৃঢ়তাৰ ক্ষেত্ৰত মানুহ এতিয়াও আকাংক্ষিত অৱস্থাপ্ৰাপ্ত হোৱাগৈ নাই। বহু সময়ত দেখা গৈছে সহজ সাফল্যৰ আশাত, নিমিষতে ধনী হোৱাৰ আশাত বহুতেই ক্ষমতা কুক্ষিগত কৰাৰ কৌশল বিচাৰি ফুৰে। ক্ষমতাৰ প্ৰকৃত ব্যৱহাৰ হোৱাৰ পৰিৱৰ্তে তাৰ কু-ব্যৱহাৰ হয়। ক্ষমতাৰ বলেৰে অন্ধ হৈ মানুহে নানা কু-অভিপ্ৰায় সিদ্ধি কৰিবলৈ গৈ সমাজলৈ অশান্তি আৰু ব্যক্তিৰ জীৱনলৈ দুখ কঢ়িয়াই আনে। মানুহে অতি সাধাৰণ ঘটনা একোটাক কেন্দ্ৰ কৰিয়েই হিংস্ৰ হৈ উঠে। এনেবোৰ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় কি? মানুহক অধিক সহনশীল হোৱাৰ, অধিক দূৰদৃষ্টিসম্পন্ন হোৱাৰ শিক্ষা দিয়াটোৱেই এইক্ষেত্ৰত সকলোতকৈ জৰুৰী নহয়নে? মানুহৰ মাজত যে নীতি শিক্ষাৰ অভাৱ হৈছে, মানুহৰ সাধাৰণভাৱে যে চাৰিত্ৰিক স্খলন ঘটিছে তাৰ উমান পোৱা যায় প্ৰতিনিয়তৰ ঘটনা প্ৰবাহক লক্ষ্য কৰি। বাতৰি কাকত আৰু ইলেক্ট্ৰনিক মিডিয়াত যিমানবোৰ ঋণাত্মক বাতৰি প্ৰকাশিত হয় সিবোৰেই প্ৰমাণ কৰে নীতি - শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ সময় আহি পৰিছে।

বিশেষকৈ সৰু ল'ৰা-ছোৱালীক ঘৰতে নীতি শিক্ষাৰ উচিত শিক্ষণৰ ব্যৱস্থা কৰা অতিশয় জৰুৰী

হৈ উঠিছে। পৰিয়ালত এনে এটা পৰিৱেশ বিৰাজ কৰা উচিত। য'ৰ পৰা সন্তানে এটা সঠিক নীতি শিক্ষা লাভ কৰিব পাৰিছিল। এতিয়া গাইগুটীয়া পৰিয়ালত সন্তানক উচিত নীতি শিক্ষা দিয়াৰ দায়িত্ব পিতৃ-মাতৃৰ ওপৰতে অৰ্পিত হৈছে। বহুতেই কয়— পিতৃ-মাতৃ আৰু শিক্ষকসকলেই কম বয়সীয়া ল'ৰা-ছোৱালীৰ বাবে আদৰ্শ পুৰুষ-নাৰী হোৱা উচিত। তাৰ বাবে পিতৃ-মাতৃ আৰু শিক্ষকে নিজকে সঠিকভাৱে প্ৰক্ষেপ কৰিব জানিব লাগিব। কেৱল সেয়ে নহয় পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ মাজত নিহিত প্ৰতিভা, সম্ভাৱনা চিনিব পাৰিব লাগিব আৰু পৰৱৰ্তী পৰ্যায়ত সেই মতে পথ নিৰ্দেশনা দিব জানিব লাগিব। শিক্ষকৰ ভূমিকাও হ'ব লাগিব তদনুৰূপ। মুঠতে ঘৰখন আৰু স্কুল— এই দুয়োটা স্থানতে শিশুৱে চাৰিত্ৰিক দৃঢ়তা আয়ত্ব কৰাৰ শিক্ষা, নীতিশিক্ষা, জীৱনৰ সুন্দৰ দিশৰ সৈতে পৰিচিত হোৱাৰ শিক্ষা— সকলো পাব লাগিব। অৰ্থাৎ ঘৰ আৰু স্কুলৰ পৰিৱেশ তেনে হোৱা উচিত। তেওঁলোকক এনে শিক্ষা দিয়া উচিত, যাৰ জৰিয়তে ভৱিষ্যতে তেওঁলোকে সমাজ আৰু মানৱতাৰ হকে কাম কৰিবলৈ উদ্বুদ্ধ হয়।

জীৱনত প্ৰকৃতিৰ প্ৰভাৱ সম্পৰ্কেও তেওঁলোকক শিক্ষা দিয়া উচিত। তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক যাত্ৰাৰ সুযোগ দিব লাগে। প্ৰকৃতিৰ সংস্পৰ্শলৈ তেওঁলোকক অহাৰ সুযোগ দিব লাগে। সমাজ সেৱামূলক শিবিৰ আদি পাতি তেওঁলোকক সমাজৰ নিম্ন স্তৰৰ লোকসকলৰ সংস্পৰ্শত অহাৰ সুযোগ প্ৰদান কৰিব লাগে। তেহে তেওঁলোকে কৃষক, বনুৱা, শ্ৰমিক একোজনৰ জীৱনৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পাব। তেওঁলোকে বুজি পাব জীৱনত শ্ৰমৰ মূল্য কি। শ্ৰম অবিহনে কোনো সভ্যতাৰে স্থিতি নাই। এনেবোৰ লোকৰ সংস্পৰ্শলৈ আহিলে শিশুসকলে সেই লোকসকলৰ প্ৰতি মনৰ মাজত অনুভৱ কৰিব এক সন্মানবোধ। কেৱল ধনাগমনৰ জৰিয়তে, সম্পদ আহৰণৰ জৰিয়তে জীৱনৰ শান্তি যে লাভ কৰিব নোৱাৰি সেই শিক্ষাও শিশুৱে পোৱা উচিত।

মুঠতে মূল্যবোধৰ শিক্ষাৰে শিশুক শিক্ষিত কৰি তুলিব পাৰিলেহে ভৱিষ্যৎ প্ৰজন্মই শান্তিপূৰ্ণ পৃথিৱীত বাস কৰিবলৈ সক্ষম হ'ব। ইয়াৰ লগে লগে সমাজৰ বহু অসূয়াৰ অৱসান ঘটিব বুলিও আশা কৰিব পাৰি।■■

প্ৰথম চেষ্টাতে কোনো কাম হৈ নুঠিলে দ্বিতীয়বাৰ চেষ্টা কৰিবা, দ্বিতীয়বাৰত হৈ নুঠিলে তৃতীয়বাৰ কৰিবা, তৃতীয়বাৰত হৈ নুঠিলে আকৌ চেষ্টা কৰিবা, দেখিবা তোমাৰ চেষ্টা সফল হ'বই।

— *লক্ষ্মীনাথ বেজবৰুৱা*

# সেউজীয়া মোৰ মন ঃ বিনন্দীয়া মোৰ ধৰিত্ৰী

ড° ভবেন কলিতা, *অধ্যাপক*

কাঁড় লগা শব্দবোৰ। মনৰ মণিকুটত সোমায়হি, বাস্তৱত ৰূপায়িত নোহোৱালৈকে জিৰণি লৈ থাকে। সুযোগৰ অপেক্ষাত। পঢ়াশালিৰপৰা অহা-যোৱা কৰোতে, বন্ধৰ দিনত আজৰি পৰত কল্পনাৰ কেন্দ্ৰবিন্দু হৈ পৰে পৰিৱেশ পৰিক্ৰমা পুথিখনত থকা পাঠবোৰ আৰু নিৰুপমা বাইদেৱে বিশ্ব পৰিৱেশ দিৱসৰ দিনা সেউজীয়া পৰিৱেশ বিনন্দীয়া পৃথিৱীৰ বিষয়ে কোৱা কথাবোৰ।

৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আঠ কিলোমিটাৰ নিলগত অৱস্থিত এখন সৰু গাঁও। ঘাইপথৰ পৰা পাঁচ কিলোমিটাৰমান পকী পথ। পকীপথ শেষ হৈছে নাহৰগুৰি মাধ্যমিক বিদ্যালয়ৰ সমীপত। নাহৰগুৰিৰ পৰা পাণবাৰীলৈ তিনি কিলোমিটাৰ পথ নতুনকৈ নিৰ্মাণ কৰি উলিওৱা হৈছে। নাহৰগুৰি আৰু পাণবাৰীৰ মাজত এখন বহল ধাননি পথাৰ। পাণবাৰীত এখন প্ৰাথমিক বিদ্যালয় আছে। চৰকাৰীকৰণ হোৱা নাই। শিক্ষক এজন। কৃষক ৰাইজৰ দান-বৰঙণিৰে কোনোমতে পাঠদান চলে। ৰাজহুৱা প্ৰায় দুই একৰ মাটিত এই বিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছে। ৰবিৰাম গাঁওবুঢ়া বিদ্যালয় পৰিচলনা সমিতিৰ সভাপতি। শিক্ষকজনৰ নাম কাৰ্তিক ৰংহাং যদিও সকলোৱে তেওঁক নিৰ্মল মাষ্টৰ বুলিহে জানে। নিৰ্মল মাষ্টৰে বিদ্যালয়ৰ পাঠদানৰ উপৰি যাৱতীয় সকলো কাম-কাজ কৰে।

অঞ্জলি নিৰ্মল মাষ্টৰৰ সহধৰ্মিনী। কপিলী পাৰৰ তাঁতীমাৰা গাঁৱত তেওঁৰ ঘৰ। সৰুতে ঘাতমাউৰা হৈছে। তৰা হ'ল অঞ্জলি-নিৰ্মল মাষ্টৰৰ একমাত্ৰ দুহিতা। যোৱাবেলি প্ৰাথমিক বিদ্যালয়ৰ দেওনা পাৰহৈ এতিয়া নাহৰগুৰি মাধ্যমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি আছে। পাণবাৰীৰ পৰা আন লগৰীয়াসকলৰ সৈতে তৰাই বাটকুৰি বাই নাহৰগুৰিলৈ অহা-যোৱা কৰে।

নাহৰগুৰি মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত বিদ্যালয়ৰ চৌহদত ৬জোপা কৃষ্ণচূড়াৰ পুলি ৰোৱা হৈছিল। তৰাই বৰ আগ্ৰহেৰে কথাটো মন কৰিছিল। বিদ্যালয়ৰ প্ৰধান আৰু অন্যান্য শিক্ষকৰ উপৰি আন এজন বিষয়া জীপগাড়ীয়ে আহি পদূলিমুখতে নামি চৌহদত সোমাইছিল। ছাত্ৰ-ছাত্ৰীসকলে আটাইকে সম্ভাষণ জনাইছিল। বৃক্ষৰোপণ কাৰ্যসূচীৰ অন্তত এখন ডাঙৰ সভা অনুষ্ঠিত হৈছিল। তৰাই আগতে ইমান ডাঙৰ সভা দেখা নাছিল। সেই সভাতেই তৰাই 'প্ৰকৃতি' নামেৰে এটা স্বৰচিত কবিতা আবৃত্তি কৰাৰ সুবিধা পাইছিল। আবৃত্তিৰ অন্তত হাজৰিকা উপাধিৰ বন-বিষয়াজনে তৰাৰ পৰিচয় সুধিছিল, সেই সুযোগতে তৰাই বন-বিষয়াজনক গছৰ পুলি আৰু আছে নেকি? ক'ত পোৱা যায়, তেওঁলোকৰ গাঁৱলৈ নিব পাৰিব নেকি? ইত্যাদি মনত বহুদিনৰ পৰা পুহি ৰখা ভাববোৰ আপোনা-আপোনি (অনৰ্গল) ওলাই গ'ল। অনুসন্ধিৎসু মনৰ খোৰাক যোগোৱা বন-বিষয়াজনে স্বভাৱসুলভভাৱেৰে কণমানি তৰাক যিমান পুলিৰ প্ৰয়োজন সিমান দিব বুলি ক'লে। প্ৰতিশ্ৰুতিত পুলকিত হৈ কল্পনাৰ সাগৰত বুৰ মাৰি নাহৰগুৰি পৰা আহি লগৰীয়াৰ স'তে কেতিয়া পাণবাৰী পালেহি গমকেই নাপালে। ইতিমধ্যে সন্ধিয়া হ'ল। ইতিমধ্যে গাইজনীক দানা-পানী দি গোহালিত পঘাৰে বান্ধি থৈ হাত-মুখ ধুই নিৰ্মল মাষ্টৰে তৰাৰ স'তে বহিল। তৰাৰ মাক অঞ্জলিয়ে দুয়োকে ভাপত দিয়া পিঠা আৰু গাখীৰ দুগিলাচ আনি দিলে আৰু নিজৰ বাবেও আনি কাষতে বহিলহি। তৰাই আকাশবাণীৰ যোগেদি ৰেডিঅ'ত কোৱাৰ দৰে

নাহৰগুৰিৰ ঘটনাবোৰ বিৱৰি ক'লে আৰু শেষত বন-বিষয়াজনে দিয়া প্ৰতিশ্ৰুতি বৰ আগ্ৰহেৰে হিয়া উবুৰিয়াই ক'লে। কল্পনাৰ সেইজ সাগৰত নিমজ্জিত হৈ থকা ভাবৰ আদান-প্ৰদান কৰি গাঁওবুঢ়াক কথাটো অৱগত কৰাৰ ব্যৱস্থা কৰিলে।

গাঁওবুঢ়া তথা পাণবাৰী বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ আমন্ত্ৰণক্ৰমে গাঁৱৰ সকলোলোক একত্ৰিত হ'ল। সেইদিনা আছিল মাঘ মাহৰ কৃষ্ণ-পঞ্চমী, দেওবাৰ, সময় ৰাতিপুৱা আঠ বজা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি শেষ হোৱাৰ লগে লগেই সকলোৰে দৃষ্টিগোচৰ হ'ল এখন বগা-দীঘল গাড়ী। পিছফালে লিখা আছে 'কিৰণ ট্ৰেন্সপোৰ্ট'। গাড়ীৰ সমুখৰ দুৱাৰ খুলি নামি আহিল এজন লোক। তৰাই চিনি পালে সেইজনেই নাহৰগুৰিত লগ পোৱা বন-বিষয়াজন। সকলোৰে নমস্কাৰ জনালে। গাঁওবুঢ়া আৰু নিৰ্মল মাষ্টৰৰ স'তে ইতিমধ্যে দিহা দি খান্দি থোৱা গাতবোৰ পৰীক্ষা কৰিলে আৰু প্ৰত্যেকজন ল'ৰা-ছোৱালীৰ হাতত একোটাকৈ পুলি তুলি দিলে আৰু যথাস্থানত ৰোৱাৰ ব্যৱস্থা কৰিলে।

মৌচুমী জলবায়ুৰ পৰিৱেশৰ স'তে খাপখোৱা পুলিবোৰ নদন-বদনকৈ বাঢ়িবলৈ ধৰিলে। প্ৰতিগৰাকীয়েই সকলোৰে সহযোগত পুলিবোৰৰ গুৰিত গজা অপ্ৰয়োজনীয় তৃণবোৰ চাফা কৰাৰ উপৰি বাহেৰে বনোৱা 'চেকাৰ' দি জীৱ-জন্তুৰ পৰা হ'বপৰা সম্ভাব্য অনিষ্টৰ পৰা বচাই ৰাখি প্ৰয়োজনীয় যত্ন ল'লে।

পাণবাৰী আৰু মালয়বাৰীৰ মাজত দূৰত্ব প্ৰায় সাত কিলোমিটাৰ। মাজত এখন সৰু গাঁও। নাম পিপলিবাৰী। পিপলিবাৰী দৰাচলতে গাঁওখন এটা টিলাৰ ওপৰত অৱস্থিত। এটা সৰু কেঁচা পথেৰে পাণবাৰী আৰু মালয়বাৰীৰ স'তে সংযোজিত পথটোৰ উত্তৰ দাঁতিত অৱস্থিত টিলাটোত যোল্লঘৰ কৃষিজীৱী পৰিয়ালে বাস কৰে। মালয়বাৰীত সত্যজিৎ অধ্যাপকৰ মাজু বায়েকৰ ঘৰ।

চন্দ্ৰপুৰৰ বাসিন্দা সত্যজিতে বায়েকৰ ঘৰলৈ ফুৰিবলৈ গ'ল। নাহৰগুৰি-পাণবাৰী-পিপলিবাৰী হৈ যাওঁতে ধাননি পথাৰৰ মাজেৰে গৈ মনমোহা দৃশ্যটো দেখিলে। সেইদিনা আছিল বন্ধৰ দিন। সময় পুৱা ৯ বজা।পাণবাৰী বিদ্যালয়ত বহুতো মানুহ গোট খাইছে অধ্যাপকে অলপ ৰৈ দৃশ্যটো চাই থাকোতে ৰবিৰাম আৰু নিৰ্মল মাষ্টৰ অলপ আগবাঢ়ি আহি পৰিচয় হ'ল আৰু অধ্যাপকৰ সন্মতিও বিদ্যালয়ত উপস্থিত সকলোকে ৰাজহুৱাভাৱে চিনাকি কৰি দিলে। ৰাইজক উদ্দেশ্যি পৰিৱেশ সম্পৰ্কীয় এটা বক্তৃতাও দিবলৈ অনুৰোধ কৰিলে।

কটন কলেজৰ জ্যেষ্ঠ অধ্যাপক সত্যজিতে সহজ-সৰল ভাষাৰে ৰাইজক পৰিস্কাৰ-পৰিচ্ছনতা, খোৱা-পানী বিশুদ্ধকৰণ পৰিৱেশ সংৰক্ষণত আমাৰ সকলো বয়সৰ পুৰুষ-মহিলাৰ কৰ্তব্য আৰু সজাগতা সম্পৰ্কে বুজাই দিলে। কথা প্ৰসংগত অধ্যাপক মহোদয়ে প্ৰতিজন ব্যক্তিয়ে প্ৰতি বছৰে যে অতি কমেও পাঁচজোপা গছপুলি ৰোপণ কৰিব পাৰে সেই বিষয়েও ক'লে। যেনে— নিজৰ জন্ম দিনত, তেওঁ নিজে জড়িত থকা শিক্ষা, ধৰ্মীয় প্ৰতিষ্ঠান আদিৰ জন্ম দিনত বিশ্ব পৰিৱেশ দিৱসৰ দিনাখন, কোনো বৰেণ্য ব্যক্তিৰ সেই অঞ্চললৈ আগমন হ'লে, বিবাহিতসকলে নিজৰ বিবাহ বাৰ্ষিকীত আৰু অবিবাহিতসকলে পিতৃ-মাতৃৰ বিবাহ বাৰ্ষিকীত বৃক্ষৰোপণ কাৰ্যসূচী ল'ব পাৰে।

শেষত অধ্যাপকজনে গছ-গছনিৰ উপকাৰিতা, জলবায়ু নিয়ন্ত্ৰণত অৰণ্যৰ ভূমিকা আৰু ৰাষ্ট্ৰসংঘই ধাৰ্য কৰি দিয়া ৩৫ শতাংশ অৰণ্যৰ আভৰণ আৰু ভাৰতৰ সৰ্বোচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশৰ বিষয়ে সাৱলীল ভাষাত বুজাই দি মালয়বাৰীলৈ পুনৰ আহোতে নাহৰগুৰি-পাণবাৰী-মালয়বাৰীক নতুন আৰু আদৰ্শৰূপত দেখা পোৱাৰ আগ্ৰহ দোহাৰি সকলোকে মৰম-শুভেচ্ছা শ্ৰদ্ধা জনাই পিপলিবাৰী হৈ গন্তব্য স্থানলৈ গতি কৰিলে।■■

# পৰিৱেশ আৰু আমাৰ চিন্তা

নিৰ্মলা দাস

‘পৰিৱেশ’ শব্দটো আজিৰ শিক্ষানুষ্ঠান, বাতৰি-কাকত, আলোচনী, দূৰদৰ্শন আদিৰ মাধ্যমেৰে বহলভাৱে আলোচিত হ’ব ধৰিছে। এই শব্দটোৰ গুৰুত্ব এইখিনিতেই যে মানুহ, জীৱজন্তু, আৰু উদ্ভিদৰ বৃদ্ধি আৰু বিকাশত পৰিৱেশে এক গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে। পৃথিৱীখনত মানুহ, জীৱজন্তু আৰু উদ্ভিদৰ সহ-অৱস্থানেই সকলোৰে বাবে নিৰাপদ বাসস্থান সম্ভৱ হৈছে বুলি নিশ্চয়কৈ ক’ব পাৰি। কোনো এটা নিৰ্দিষ্ট সময়ত, নিৰ্দিষ্ট স্থানত মানুহৰ চাৰিওফালে থকা অৱস্থাৰ সমষ্টিকে ‘পৰিৱেশ’ বোলা হয় বুলি বৈজ্ঞানিকসকলে মত দাঙি ধৰিছে। সেই বাবে ‘পৰিৱেশ’ শব্দই পাৰিপাৰ্শ্বিক অৱস্থাকে বুজায় বুলি ধৰি ল’ব লাগিব।

মাটি, পানী, বায়ু আৰু জীৱসমূহক লৈ যি পৰিৱেশ গঠিত তাক প্ৰাকৃতিক পৰিৱেশ বোলা হয়। মানুহৰ চিন্তাশীল জীৱনধাৰাৰ বাবেও কিছুমান সামাজিক, ৰাজনৈতিক পৰিৱেশৰ সৃষ্টি হৈছে। গতিকে প্ৰাকৃতিক পৰিৱেশ আৰু মানৱ পৰিৱেশ দুয়োবিধ একেলগে আমাৰ চাৰিওফালৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা সূচায়।

পৰিৱেশৰ ভাল আৰু বেয়া দুয়োটা দিশেই আছে। যাক অনুকূল পৰিৱেশ আৰু প্ৰতিকূল পৰিৱেশ বুলি ক’ব পাৰি। আগৰ দিনত জনসংখ্যা কম থকাৰ বাবে বায়ুমণ্ডলত শুদ্ধতা আছিল। সকলোৰে বিশুদ্ধ বায়ু সেৱন কৰিব পাৰিছিল আৰু মানুহৰ প্ৰয়োজনীয় সামগ্ৰীবোৰ প্ৰকৃতিৰ পৰা আহৰণ কৰিছিল। মানুহৰ জীৱন-যাপনৰ সুচল অৱস্থাকে অনুকূল পৰিৱেশ বুলি কোৱা হয়।

কিন্তু জনসংখ্যা বাঢ়ি অহাত আৰু বিজ্ঞানৰ কিছুমান প্ৰভাৱৰ ফলত বায়ুমণ্ডলৰ শুদ্ধতা ক্ৰমে হ্ৰাস পাবলৈ ধৰে আৰু জীৱ-উদ্ভিদ জীয়াই থকাত বাধাৰ সৃষ্টি হয়; ইয়াকেই প্ৰতিকূল পৰিৱেশ বুলি কোৱা হয়।

আজিৰপৰা প্ৰায় ত্ৰিশ-চল্লিছ বছৰ আগতে মানুহৰ জীৱন-ধাৰণৰ সমল আছিল প্ৰকৃতি। খেতিৰ ধান, নৈ-বিলৰ মাছ-কাছ, বাৰীৰ শাক-পাচলি, ফল-মূল আদি সকলো পাইছিল নিজৰ পৰিশ্ৰমৰ দ্বাৰা। সতেজ খাদ্যবস্তু আৰু শাৰীৰিক পৰিশ্ৰমে মানুহক নিৰোগী কৰি ৰাখিছিল। এই অনুকূল পৰিৱেশে মানুহক এক আনন্দময় জীৱন-যাপন কৰাৰ সুবিধা দিছিল। কিন্তু সময়ৰ লগে লগে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিভিন্ন ধৰণৰ আৱিস্কাৰ হ’ব ধৰিলে। কল-কাৰখানা, আলি-পদূলি, গৃহ-অট্টালিকা আদি গঢ়ি উঠিব ধৰাত খাল-বিল, পাহাৰ-ভৈয়াম একাকাৰ হৈ পৰিল। হাবি-জংঘল কাটি মানুহৰ বসতি কৰা ঠাই উলিওৱাত হাবি-বননি উদং হৈ পৰিল। এইবোৰ কামৰ ফলত জলবায়ুৰ পৰিৱৰ্তন হ’ব ধৰিলে, বানপানীয়ে নৈ পাৰৰ মাটি খহাই গাঁও-ভূই নাইকিয়া কৰি মানুহৰ মাজত হাহাকাৰৰ সৃষ্টি কৰিলে। খেতি-মাতিত বালিৰ চামনি পৰাত খেতিৰ মাটি সুচল হৈ নাথাকিল। বননি কমি যোৱাত জীৱজন্তুবোৰ হাবি এৰি মানুহৰ বসতি স্থানত আহিব ধৰিলে। গুৱাহাটী

মহানগৰতেই বান্দৰৰ উপৰি বাঘ, হাতীৰ আগমন ঘটিল। ঋতুভেদে চৰাই-চিৰিকতিৰ গীত-মাত কমি গ'ল। এজাক বৰষুণৰ পানীৰে ডাঙৰ বানপানীৰ সূচনা হ'ব ধৰিলে। বাট-পথৰ সুচল নাইকিয়া হ'ল। এইবোৰ কাৰণত কতজনে মৃত্যুকো সাৱটি ল'ব লগাত পৰিল। বিশেষকৈ জলবায়ুৰ বিষম পৰিৱৰ্তন হোৱাৰ বাবে মানুহৰ জীৱন-ধাৰণৰ ব্যৱস্থাত বহুতো বাধাৰ সৃষ্টি হৈছে। ইয়াৰ উপৰি মানুহে সৃষ্টি কৰা কিছুমান প্ৰতিকূল পৰিৱেশ সমাজত মূৰ দাঙি উঠিছে। অনাময় ব্যৱস্থা, অনাহকত বাটে-ঘাটে হৈ-হাল্লা আদি সমাজ ব্যৱস্থাৰ হানিকাৰক। অসহ্যকৰ পৰিৱেশ প্ৰদূষণৰ সৃষ্টি কৰি মানুহৰ জীৱনৰ গতি ভয়াবহ কৰি তুলিছে। গাড়ী, মাইক, আতচবাজি আদিৰ ব্যৱহাৰে শব্দ প্ৰদূষণৰ লগতে বায়ুত প্ৰদূষণ কৰি তুলিছে। মাদক দ্ৰব্যবোৰত বিধি নিষেধ নথকাৰ ফলত সামাজিক প্ৰদূষণৰ ভয়াবহ বাতাবৰণ গঢ়ি উঠিছে।

আধুনিক ঘৰৰ ভিতৰখনে বাহিৰৰ পৰিৱেশতকৈ অধিক প্ৰদূষণক কঢ়িয়াই আনে। বিড়ি, চিগাৰেটৰ ধোঁৱা, ৰন্ধন গেছৰ ধোঁৱা, মহ নিবাৰক ধূপৰ ধোঁৱা, কাৰ্পেটৰ ধুলি, মাৰ্বল পাথৰকে আদি কৰি ঘৰ নিৰ্মাণ কৰা সামগ্ৰীবোৰৰ পৰা ওলোৱা ৰাসায়নিক পদাৰ্থবোৰ আৰু ভেকুৰকে আদি কৰি অন্যান্য প্ৰদূষকবোৰ ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থাকে। এইবোৰৰ পৰা আমি গম নোপোৱাকৈয়েই বেমাৰৰ বীজ আমাৰ শৰীৰত সোমাই গৈ আছে।

পৃথিৱীখনক জীয়াই ৰাখিবলৈ অৰ্থাৎ মানুহ, জীৱ-জন্তুবোৰে সুস্থ জীৱন-যাপন কৰিবলৈ সুবিধাৰ কথা চিন্তা কৰি চিন্তাশীল ব্যক্তিসকলে কিছুমান পদ্ধতি উলিয়ালে আৰু এই পদ্ধতিবোৰ মানুহৰ মাজত সচেতনতা জগাবৰ বাবে কিছুমান নীতিৰ প্ৰচলন কৰিলে।

পৃথিৱীক ৰক্ষা কৰিবৰ বাবে ১৯৭০ চনতে আমেৰিকা যুক্তৰাষ্ট্ৰত পৰিৱেশ সংৰক্ষণৰ নীতি পালনৰ সূচনা হয়। এপ্ৰিল মাহৰ ২২ তাৰিখটো তেওঁলোকে 'বসুধা দিৱস' বা 'ধৰিত্ৰী দিৱস' বুলি পালন কৰিবলৈ লয়। ১৯৭৩ চনৰ পৰা পৃথিৱীৰ বিভিন্ন দেশত 'পৰিৱেশ দিৱস' পালনৰ আৰম্ভণি হয়। এই চনতে ভাৰতৰ উত্তৰ প্ৰদেশৰ মণ্ডলা গাঁৱৰ গাঁওবাসীসকলে 'চিপ্‌কো' আন্দোলনৰ সূত্ৰপাত কৰে। 'চিপ্‌কো'ৰ অৰ্থ সাৱটি ধৰা। গাঁৱৰ মহিলাসকলে গছবোৰ সাৱটি ধৰি গছ কটা মানুহক এই ধ্বংস কাৰ্যত বাধা দিছিল।

অসমত ১৯৮৪ চনৰ পৰা বন সংৰক্ষণ দিৱস পালন কৰা হয় জুলাই মাহটোত। এই দিনটোত চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানবোৰে গছ-গছনি ৰোৱাৰ উপৰি সভা-সমিতি পাতি মানুহৰ মাজত প্ৰকৃতি-প্ৰেম জগাই তুলিবৰ বাবে কাৰ্যসূচীবোৰ হাতত লয়।

ইয়াৰ উপৰি প্ৰতি বছৰে এই দিনটোত এটি চিন্তাৰ সমল (Theme) লৈ থকা হৈছে। এই বছৰৰ অৰ্থাৎ ২০১২ চনৰ বিশ্ব পৰিৱেশ দিৱসৰ চিন্তাৰ সমল হৈছে 'Green Economy includes you' অৰ্থাৎ আপুনিও সেউজীয়া অৰ্থ নীতিৰ অংশীদাৰ'। ইয়াৰ দ্বাৰা ইয়াকে বুজাইছে যে অৰ্থনীতিৰ কথা চিন্তা কৰি প্ৰাকৃতিক সম্পদ বিনষ্ট হ'ব নালাগিব। বিপৰীতে গছ-গছনিকে আদি কৰি প্ৰাকৃতিক সম্পদবোৰৰ উন্নতি সাধনহে কৰিবলৈ আগবাঢ়িব লাগিব।

আগৰ দিনত বিয়া-সবাহত লগা কল, কুঁহিয়াৰ, তামোল-পাণ আদি কৰি লগা বস্তুখিনি ঘৰতে উৎপাদিত হৈছিল। এনেকি ল'ৰা-ছোৱালীৰ পঢ়াৰ খৰচও ধান, সৰিয়হৰ ধনেৰে সামৰিব পাৰিছিল। আজি পৰিৱেশ আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰতি সচেতন নোহোৱা বাবে সেই ব্যৱস্থা অতীততে বিলীন হ'ল। আমাৰ আজিৰ চিন্তা সক্ৰিয় কৰি সেই অতীত ঘূৰাই আনিবৰ বাবে সুস্থ্য বাতাবৰণ সৃষ্টি কৰিবৰ হ'ল। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে

এই চিন্তাৰ ভাগ ল'ব লাগিব।

পৰিৱেশ সচেতনতা সৃষ্টিৰ বাবে কবি ভবেন্দ্ৰনাথ শইকীয়াদেৱে "গছ ভালপোৱা ককাৰ খং" নামেৰে এটি কবিতা ৰচনা কৰিছিল। এইদৰে—

"ভাল পালো ৰঘুনাথ
তুমি মোক পুতেৰাৰ বিয়ালৈ মাতিলা
পিছে ৰভাখন দিবলৈ
আমলখি গছজোপা
কিয়নো কাটিলা?
..........................
ল'ৰাটোক মাতাচোন,
এজোলোকা আশীৰ্বাদ
দিওঁ আৰু যাওঁ
গছজোপা কটা বাবে লুচি, ভাজি, ৰসগোল্লা
একোকে নাখাওঁ।"

আন এগৰাকী প্ৰকৃতিপ্ৰেমী বিজ্ঞানী এ. পি. জে. আব্দুল কালাম। যিজনে তেখেতৰ গৃহবৃক্ষ ৰূপে ৰাখিছে এজোপা অৰ্জুন গছ। তেখেতে উল্লেখ কৰিছে গছজোপাৰ সেউজীপাত আৰু ৰঙীন ফুলে অনাবিল আনন্দ দিয়ে। তাৰ উপৰি গছজোপাত আছে— মৌগুটিৰ বাঁহ, কুলি, কাউৰী, ঘৰচিৰিকা বাঁহ। এই গছজোপা কালাম চাহাবক 'কৰ্ম্মোদ্যমৰ' প্ৰেৰণা জোগাই আহিছে বুলি উল্লেখ কৰিছে। মহাত্মা গান্ধীয়ে কৈছে— "আমি নিজে জীয়াই থাকিলে নহ'ব, অইনবোৰকো জীয়াই থাকিব দিব লাগিব।" গান্ধীজীৰ মতে প্ৰদূষিত ফাকু বজাৰৰ পৰা কিনি আনি খেলাতকৈ প্ৰদূষণমুক্ত ফাকু ঘৰতে বনাই লোৱা ভাল। পৰিৱেশৰ সুস্থতা আৰু সংৰক্ষণৰ চেষ্টা নিৰ্ভৰ কৰে মাথো মানুহৰ সচেতনাৰ ওপৰত। আমি প্ৰত্যেকেই আমাৰ বাস কৰা ঠাইখন প্ৰদূষণমুক্ত কৰাৰ চেষ্টা অব্যাহত ৰাখিলে আমি বিশুদ্ধ বাতাবৰণ গঢ়ি তুলিব পাৰিম বুলি আমাৰ বিশ্বাস। এয়াই হওক আজি আমাৰ শ্ৰেষ্ঠতম চিন্তা।■■

## ফকৰা

'অবাটত দিবা জেং, ভকতত দিবা ঠেং, গুৰুত দিবা পিঠি, বৈকুণ্ঠলৈ যাবা উঠি।'

(ভাবাৰ্থ ঃ বেয়াভাব মনলৈ আহিব নোৱাৰাকৈ বাধা দিব লাগে, ভকতৰ সঙ্গলৈ যাব লাগে, সেৱা কৰিলে পিঠিটো ওলাই পৰে, তাৰ মানে গুৰুৰ চৰণত সেৱা কৰিব লাগে, তেতিয়া মানুহৰ মঙ্গল হয়।)

# যদুবংশ বিনাশ আৰু শ্ৰীকৃষ্ণৰ নিজধামলৈ প্ৰত্যাৱৰ্তন

বোধেশ্বৰ কাকতি, *শিক্ষক*

শ্ৰীকৃষ্ণই বলোভদ্ৰৰ সহযোগত জগতৰ মঙ্গলৰ কাৰণে দৈত্য আৰু দুষ্ট ৰজাবিলাকক বিনাশ কৰিলে। কুৰুক্ষেত্ৰ যুদ্ধত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনৰ ৰথৰ সাৰথি হৈ ওঠৰ অক্ষৌহিনী সেনা বধ কৰি পৃথিৱীৰ ভাৰ হৰণ কৰিলে। 'ধৰ্মৰ জয় অধৰ্মৰ পৰাজয়'— এই নীতিৰে কুৰু-পাণ্ডৱৰ মাজত হোৱা যুদ্ধত পাণ্ডৱ পক্ষৰ জয় সুনিশ্চিত কৰি পাণ্ডৱসকলক ৰাজ্য, ধন, ঐশ্বৰ্য-বিভূতিৰ অধিকাৰী কৰিলে। মহা অহংকাৰী দুৰ্যোধনৰ দৰ্প পূৰ্ণ কৰি ভাৰত যুদ্ধৰ সামৰণি মাৰিলে। ইয়াৰ পিছত শ্ৰীকৃষ্ণই ধৰ্মৰাজ্য প্ৰতিষ্ঠা কৰি, দুষ্ট ৰজাবিলাকক বিনাশ কৰি ব্ৰাহ্মণৰ শাপৰ কাৰণ হিচাপে শ্ৰীকৃষ্ণই নিজ যদুবংশ শেষ কৰিলে। অৱশেষত কৃষ্ণই নিজ মনুষ্য দেহ ত্যাগ কৰিলে। দেৱকী নন্দন কৃষ্ণই মথুৰাত ভগৱানৰ পূৰ্ণ অৱতাৰৰূপে আৱিৰ্ভাৱ হৈছিল। পূৰ্ণ ব্ৰহ্ম কৃষ্ণই নৰৰূপে পৃথিৱীত অৱতীৰ্ণ হৈ শান্তি স্থাপন কৰিলে।

পূৰ্বে কোনো এদিন পিণ্ডাৰক নামৰ মহাতীৰ্থ স্থানত যদুকুমাৰসকলে মহামুনি বিশ্বামিত্ৰ, কন্ব আৰু নাৰদ মুনি আহি থকা দেখিবলৈ পালে। তেতিয়া যৌৱনোন্মত্ত যদু কুমাৰসকলে জাম্বৱতীৰ পুত্ৰ শাম্বক গৰ্ভৱতী নাৰী সজাই মহামুনিসকলৰ মনৰ প্ৰকৃত ভাব বুজিবৰ কাৰণে প্ৰশ্ন কৰিলে— "হে মুনিসকলক! এওঁ অন্তসত্বা বভ্ৰুৰ স্ত্ৰী, এই নাৰীৰ কি সন্তান হ'ব সেই কথা আমাক কওক।"

দিব্যজ্ঞানসম্পন্ন মুনিসকলে যদু কুমাৰসকলৰ দ্বাৰা প্ৰতাৰিত হৈ অতিশয় ক্ৰোধান্বিত হৈ ক'লে যে— এই নাৰীয়ে মুষল প্ৰসৱ কৰিব আৰু সেই মুষলৰ দ্বাৰাই সমস্ত যদুবংশ ধ্বংস হ'ব। ঋষিসকলে এনে শাপ দিয়াত যদু কুমাৰসকল শোকত ম্ৰিয়মান হ'ল আৰু কিংকৰ্তব্যবিমূঢ় হৈ যদু কুমাৰসকলে উগ্ৰসেনৰ ওচৰলৈ গৈ ঋষি শাপৰ বিষয়ে সকলো বৃতান্ত প্ৰকাশ কৰিলে।

তাৰ পাছত শাম্বৰ গৰ্ভৰ পৰা মূষলৰ উৎপন্ন হ'ল। উগ্ৰসেনে সেই লোহাৰ মূষলক ভাঙি ছিঙি চূৰ্ণ কৰি সমুদ্ৰত পেলাই দিলে। সমুদ্ৰৰ এটা মাছে সেইবিলাক ভক্ষণ কৰিলে। তাৰ পিছত জালোৱাই সেই মাছ ধৰি আনি কাটিলত তাৰ পেটৰপৰা লোহাৰ মুষলসমূহ ওলাই পৰিল আৰু সেই মুষল খণ্ড বাহিৰ কৰি এজন ব্যাধক দান কৰিলে। ভগৱান কৃষ্ণই এই সকলো কথা জানিও বিধাতাৰ ইচ্ছাৰ বিপৰীতে ইয়াৰ প্ৰতিকাৰ কৰিবলৈ নিবিচাৰিলে। যদুকুলৈ ঋষি শাপৰ প্ৰভাৱ ক্ৰমাৎ আহি পৰিল।

এদিন দেৱতাসকলৰ এজন দূত আহি নমস্কাৰ কৰি ভগৱান কৃষ্ণক ক'লে— হে প্ৰভু! ইন্দ্ৰ দেৱতাই কৈছে যে, আপুনি পৃথিৱীৰ ভাৰ লাঘৱ কৰাৰ উদ্দেশ্যে দেৱতাসকলৰ দ্বাৰা প্ৰাৰ্থীত হৈ এশ বছৰতকৈও অধিক কাল এই ধৰাধামত অৱত্তীৰ্ণ হৈ আছে। এতিয়া পৃথিৱীত দুষ্টক দমন, সাধু-সন্তক পালন কৰি মানৱ সমাজত শান্তি স্থাপন কৰিলে। সেয়ে বিশ্বদেৱ, অশ্বিনীকুমাৰ, বায়ু আদিত্য আদি দেৱতাসকলে প্ৰাৰ্থনা কৰিছে যে আপুনি পুনৰ স্বৰ্গলোকত আৱিৰ্ভাৱ হৈ দেৱতাসকলৰ সংগ লাভ কৰি প্ৰভু হিচাপে অৱস্থান কৰক। দেৱতাসকলৰ মনৰ বাঞ্ছা পূৰণ কৰিবৰ কাৰণে আপুনি স্বৰ্গলোকলৈ গমন কৰক— এয়ে আপোনাৰ চৰণত

আমাৰ নিৱেদন।

শ্ৰীকৃষ্ণই এই বিষয়ে দেৱদূতক ক'লে— "হে দেৱদূত! তুমি যি কথা কৈছা সেই বিষয়ে মই সকলো জানো। সেই কাৰণেই মই নিজেই যাদৱ কুলক বিনাশ কৰাৰ কাৰ্য আৰম্ভ কৰিছোঁ। যাদৱসকল মদমত্ত অহংকাৰী হোৱাত তেওঁলোকৰ পৰা দ্বাৰকাত শান্তি স্থাপন নহ'ব। তেওঁলোক অতিশক্তিশালী আৰু মদগৰ্বী। যাদৱ বংশ ধ্বংস নহ'লে পৃথিৱীৰ ভাৰ লাঘৱ নহ'ব। সেয়ে সাত দিনৰ ভিতৰত যাদৱসকলক সংহাৰ কৰি স্বৰ্গধামলৈ মই গমন কৰিম। বলোভদ্ৰৰ সৈতে মই মনুষ্য দেহ ত্যাগ কৰি আমি স্বৰ্গগামী হ'ম। তুমি দেৱতাসকলক এই কথা জনাবা।"

আনফালেদি শ্ৰীকৃষ্ণই দ্বাৰকাপুৰীত যদুবীৰসকলৰ নানা প্ৰকাৰৰ উৎপাত প্ৰত্যক্ষ কৰিলে। এই বিনাশসূচক উৎপাত আৰু অপকৰ্ম শ্ৰীকৃষ্ণই প্ৰত্যক্ষ কৰি যাদৱসকল ক'লে— হে যাদৱগণ! এতিয়া আমি সকলোৱে শান্তিৰ হকে অতি শীঘ্ৰে প্ৰভাসতীৰ্থলৈ যাত্ৰা কৰিম।

ইয়াৰ পিছত যাদৱ শ্ৰেষ্ঠ কৃষ্ণৰ পৰম বান্ধৱ উদ্ধৱে কৃষ্ণক সাক্ষাৎ কৰিলে। উদ্ধৱে ক'লে— হে অচ্যুৎ! এই বংশৰ বিনাশসূচক লক্ষণবিলাক মই দেখিবলৈ পাইছোঁ। বোধকৰো আপুনি সমস্ত যদুকুলকে বিনাশ কৰিব। তেতিয়া আমাৰ কি গতি হ'ব, তাৰ উপায় আমাক কওক।

উদ্ধৱৰ কাতৰ প্ৰাৰ্থনাত কৃষ্ণ প্ৰসন্ন হৈ ক'লে— হে উদ্ধৱ! তুমি মোৰ সুপ্ৰসাদত গন্ধমাদন পৰ্বতত থকা বদৰিকাশ্ৰমলৈ অতি সোনকালে গুচি যোৱা। সেই আশ্ৰম নৰ-নাৰায়ণৰ নিবাস স্থান। সেই পৱিত্ৰ স্থানৰ কাৰণেই এই পৃথিৱী পৱিত্ৰ ভূমি হৈ আছে। তুমি সেই আশ্ৰমলৈ গৈ ভগৱন্তক একান্ত মনেৰে তপস্যা। মোৰ প্ৰসাদত তোমাৰ অভিষ্টি সিদ্ধি হ'ব। এই কুল বিনাশ কৰি মই স্বৰ্গলৈ গতি কৰিম। মই দ্বাৰকাপুৰী এৰি গ'লে সমুদ্ৰই এই স্থান প্লাৱিত কৰিব। ভগৱান কৃষ্ণই এই কথা কোৱাৰ পাছত উদ্ধৱে তেওঁক প্ৰণাম জনাই নৰ-নাৰায়ণৰ স্থান বদৰিকাশ্ৰমলৈ গমন কৰিলে। ইয়াৰ পিছত কৃষ্ণ বলোৰাম আৰু যাদৱগণ ৰথত উঠি প্ৰভাসতীৰ্থলৈ যাত্ৰা কৰিলে। সেই স্থানত উপস্থিত হৈ কৃষ্ণৰ প্ৰেৰণাতে স্নান আদি কৰি সুৰাপান কৰিবলৈ ধৰিলে। সুৰাপানত মত্ত হৈ যাদৱসকলে হিতাহিত জ্ঞান হেৰুৱাই পৰস্পৰে কাজিয়া আৰম্ভ কৰিলে; ই এক সংঘৰ্ষত পৰিণত হ'ল। উক্ত কলহৰূপী অগ্নিয়ে ভয়ানক ৰূপ ধাৰণ কৰিলে আৰু সেই অগ্নিয়েই যদুকুলৰ ক্ষয়ৰ কাৰণ হৈ পৰিল। প্ৰথমতে তেওঁলোকে পৰস্পৰে অস্ত্ৰ-শস্ত্ৰৰে প্ৰহাৰ কৰাত লাগিল। যেতিয়া অস্ত্ৰ-শস্ত্ৰ শেষ হৈ গ'ল তেতিয়া ওচৰতে থকা মাদুৰীগছ ব্যৱহাৰ কৰিলে আৰু মাদুৰী গছৰ প্ৰহাৰ বজ্ৰৰ প্ৰহাৰ যেন দেখা গ'ল। প্ৰদ্যুম্ন, শাম্ব, কৃতবৰ্মা, সাত্যকি, অনিৰুদ্ধ, পৃথু, বিপৃথু, চাৰুবৰ্মা, অক্ৰূৰ আদি যাদৱবীৰসকলে পৰস্পৰে মাদুৰীৰূপী বজ্ৰৰ প্ৰহাৰ কৰিবলৈ ধৰিলে। ভগৱান কৃষ্ণই তেওঁলোকক নিবাৰণ কৰিবলৈ চেষ্টা কৰিছিল যদিও, তেওঁলোকে কৃষ্ণক শত্ৰু বুলি গণ্য কৰি আক্ৰমণহে কৰিলে। তেতিয়া কৃষ্ণই ক্ৰোধান্বিত হৈ মাদুৰী গছ অস্ত্ৰৰ দৰে গ্ৰহণ কৰাত সেইবিলাক লোহাৰ দৰে মূষলত ৰূপান্তৰ হ'ল। সেই মুষলৰ দ্বাৰাই কৃষ্ণই যাদৱগণ নিঃশেষ কৰিবলৈ ধৰিলে। এইদৰে পৰস্পৰে যাদৱগণে সংঘৰ্ষত লিপ্ত হৈ যদুবংশ ধ্বংস হ'ল। ক্ষন্তেকৰ ভিতৰতে কৃষ্ণ আৰু দাৰুকৰ বাহিৰে সকলো যাদৱ শেষ হ'ল।

ইয়াৰ পিছতে বলোভদ্ৰই এজোপা গছৰ তলত বহি থকা কৃষ্ণই প্ৰত্যক্ষ কৰিলে। একান্ত মনে ধ্যানস্থ হৈ বহি থকা বলোভদ্ৰৰ মুখৰ পৰা এক বিশাল সৰ্প বাহিৰ হৈ আহিল আৰু নাগ আৰু সিদ্ধসকলৰ দ্বাৰা পূজিত হৈ সেই বিশাল সৰ্প সমুদ্ৰলৈ গমন কৰিলে আৰু গভীৰ সমুদ্ৰৰ গৰ্ভলৈ সোমাই গ'ল।

যদুপতি কৃষ্ণই বলোৰামৰ নিৰ্বাণপ্ৰাপ্তি প্ৰত্যক্ষ

কৰিলে আৰু এই সংবাদ বসুদেৱ আৰু উগ্রসেনক দিবৰ কাৰণে দাৰুকক মথুৰালৈ পঠালে। বলোভদ্ৰৰ নির্বাণ প্রাপ্তি, যদুবংশৰ বিনাশ আৰু কৃষ্ণই যোগাসনত বহি দেহ ত্যাগ কৰিব এই সকলো কথা তেওঁলোকক ক'বৰ কাৰণে দাৰুকক পঠালে। ইতিমধ্যে দ্বাৰকাপুৰী সমুদ্ৰই গ্ৰাস কৰিব। দাৰুকক ক'লে— তুমি অর্জুনকো মোৰ বার্তা দিবা যে তেওঁৰ সামর্থ অনুযায়ী মোৰ পৰিবাৰসকলক ৰক্ষা কৰি থাকিব। পৰৱর্তী সময়ত যদুবংশৰ ৰজা হিচাপে বজ্রই সিংহাসনত বহিব। দাৰুকে কৃষ্ণক প্রণাম জনাই দ্বাৰকালৈ গমন কৰিলে।

ইয়াৰ পিছত শ্রীকৃষ্ণই আঠুৰ ওপৰত ভৰি তুলি যোগাসানত বহিল। সেই সময়তে জৰা নামৰ এজন ব্যাধ সেই ঠাইত উপস্থিত হ'ল। তাৰ হাতত প্রধান বাণ আছিল, যিডাল সেই মুষলৰ অৱশিষ্ট লোহাৰে তৈয়াৰ কৰা হৈছিল। সেই ব্যাধে দূৰৰ পৰা দেখিলে যে শ্রীকৃষ্ণৰ ধ্যানত বহি থকা অৱস্থাত তেওঁৰ চৰণ দেখি ভাবিলে যে এটি মৃগ লৰচৰ কৰি আছে। ব্যাধে তৎক্ষণাত বাণ নিক্ষেপ কৰিলে। ব্যাধে ওচৰলৈ গৈ দেখিলে যে এগৰাকী চতুর্ভুজধাৰী লোক সেই ঠাইত বহি আছে। ব্যাধে নিজৰ ভুল স্বীকাৰ কৰি কৃষ্ণৰ চৰণত ধৰি ক্ষমা প্রার্থনা কৰিলে। ভগৱানে তাৰ পিছত নির্ভৰ দি ব্যাধক ক'লে— তোমাৰ একো ভয় নাই। হে ব্যাধ! তুমি মোৰ প্ৰসাদত দেৱতাসকলৰ বাসস্থান স্বৰ্গলৈ যাব পাৰিবা। ভগৱানে এই কথা কোৱাৰ লগে লগে স্বৰ্গৰ পৰা ৰথ নামি আহিল। সেই ৰথত উঠি ব্যাধে স্বৰ্গলৈ গতি কৰিলে। ব্যাধে ভগৱানৰ কৃপাত মুক্তি লাভ কৰিলে। শ্রীকৃষ্ণই ধৰাধামত নিজৰ কর্তব্য সম্পাদন কৰি নিজৰ আত্মাক সর্বাত্মা, বাসুদেৱ স্বৰূপ, অব্যয়, অচিন্ত্য পৰমব্ৰহ্ম স্বৰূপ ভগৱান বিষ্ণুত বিলীন কৰি এই মনুষ্য দেহা ত্যাগ কৰিলে। দেৱকী নন্দন কৃষ্ণই এই ধৰাধামত পূর্ণ ব্ৰহ্মৰূপে অৱতাৰ গ্ৰহণ কৰি নানা মানৱী লীলা প্রদর্শন কৰি অনাচাৰী যদুকুল ধ্বংস কৰাৰ লগতে নিজে স্বৰ্গলোকলৈ গতি কৰিলে।■■

---

# কৌতুক

■ শিক্ষক ঃ কোৱাচোন বলীন, হাতী আৰু মাখিৰ মাজত কি পাৰ্থক্য?
বলীন ঃ ছাৰ, মাখিয়ে হাতীৰ পিঠিত উঠিব পাৰে, কিন্তু হাতীয়ে মাখিৰ পিঠিত উঠিব নোৱাৰে।

■ চহৰৰ পৰা বি.এ. পাছ কৰি ঘৰলৈ অহা মহেন্দ্ৰক গাঁৱৰ বন্ধু এজনে সুধিলে— ক'চোন মহেন্দ্ৰ চহৰত তই কিমানলৈকে পঢ়িলি?
মহেন্দ্ৰ ঃ বি এ।
বন্ধু ঃইমান দিনে মাত্র দুটা আখৰহে পঢ়িলি। তাকো ওলোটাকৈ।

# ধেমালিৰ ছলেৰে শিকোঁ আঁহা

জ্যোৎস্না মেদক

মৰমৰ অকণিহঁত!

তোমালোকে নিশ্চয় খেল-ধেমালি কৰি ভালপোৱা। খেল-ধেমালিৰ দ্বাৰা আমি মনত আনন্দ লাভ কৰো। তাৰ বাহিৰেও খেলৰ দ্বাৰা নিয়মানুৱৰ্তিতা, শৃঙ্খলাবদ্ধতা, সহযোগ, দলগতভাৱে কাম কৰাৰ প্ৰৱণতা, নেতৃত্ব, সহনশীল আৰু ধৈৰ্যৰ দৰে গুণসমূহৰ বিকাশ কৰাৰ লগতে তোমালোকৰ অন্তৰ্নিহিত হৈ থকা প্ৰতিভাসমূহও প্ৰকাশ কৰাত সহায় কৰে। আমি কিছুমান কথা ক'ব নোৱাৰাকৈ ধেমালিৰ ছলেৰে শিকিব পাৰোহঁক। বিজ্ঞানৰ কিছুমান অতি প্ৰয়োজনীয় আৰু আমোদজনক খেলো আছে। আজি আমি এটি ৰঙৰ খেল খেলি চাওঁ আহাঁ।

ৰঙৰ খেল ঃ

তোমালোকে সকলোৱে ৰংচঙীয়া বস্তু ভালপোৱা হয়নে বাৰু? ৰঙনো কি? ৰং হৈছে এবিধ তৰল পদাৰ্থৰ পাতল আৱৰণ। প্ৰাকৃতিক পৰিৱেশত তোমালোকে নানা ধৰণৰ গছ-গছনি, বিভিন্ন ৰঙৰ ফুল-ফল, চৰাই-চিৰিকটি দেখিছা। প্ৰকৃতিৰ ভিন্ ভিন্ বস্তুবোৰৰ আকৃতি, আকাৰ, ঘনত্ব, ছাঁ আৰু পোহৰ বুজাবলৈ বেলেগ বেলেগ ধৰণৰ প্ৰাকৃতিক দৃশ্য আঁকিবলৈ আৰু মনৰ বিভিন্ন ভাৱবোৰ প্ৰকাশ কৰিবলৈ আমি ৰঙৰ ব্যৱহাৰ কৰোঁ।

ৰং সাধাৰণতে তিনিবিধ—

(১) প্ৰাথমিক ৰং (Primary Colour)

❖ ৰঙা, নীলা আৰু হালধীয়া

(২) মাধ্যম ৰং (Secondary Colour)

❖ ৰঙা, নীলা, হালধীয়া ৰঙৰ সংমিশ্ৰণত মাধ্যম ৰং প্ৰস্তুত কৰা হয়।

(৩) মাধ্যমিক ৰং (Intermediate Colour)

❖ প্ৰাথমিক আৰু মাধ্যম ৰঙৰ সংমিশ্ৰণত মাধ্যমিক ৰং প্ৰস্তুত কৰিব পাৰি।

এতিয়া তোমালোকে কি কি ৰঙৰ লগত কি ৰঙ মিলালে নতুন ৰং পাব পাৰি সংমিশ্ৰণৰ কৰি চোৱা—

প্ৰাথমিক ৰং ঃ

ৰঙা, নীলা আৰু হালধীয়া।

মাধ্যম ৰং ঃ

❖ হালধীয়া + নীলা = সেউজীয়া।

❖ ৰঙা + নীলা = বেঙুনীয়া।

❖ হালধীয়া + ৰঙা = কমলা।

মাধ্যমিক ৰং ঃ

❖ সেউজীয়া + ৰঙা = ক'লা

❖ ৰঙা + ক'লা = কজলা

❖ বগা + ৰঙা = গোলপীয়া

❖ সেউজীয়া + নীলা = ডাঠ সেউজীয়া

❖ হালধীয়া + সেউজীয়া = হালধীয়া সেউজীয়া। (আধা পকা পাতৰ দৰে)

❖ বগা + সেউজীয়া = পাতল সেউজীয়া

❖ ❖ বগা + হালধীয়া = পাতল হালধীয়া

❖ নীলা + বগা = আকাশী ৰং

❖ ৰঙা + কমলা = হালধীয়া ৰঙৰ কমলা

❖ হালধীয়া + কমলা = হালধীয়া ৰঙৰ কমলা

❖ ৰঙা + বেঙুনীয়া = ৰঙা বেঙুনীয়া (ডাঠ বেঙুনীয়া)

❖ নীলা + বেঙুনীয়া = নীলা বেঙুনীয়া

❖ সেউজীয়া + কমলা = হালধীয়া

বগা আৰু কমলা নিৰপেক্ষ ৰং।

এনে ধৰণে ৰংবোৰ সংমিশ্ৰণ কৰি প্ৰায় ৬৪ বিধ ৰং প্ৰস্তুত কৰিব পাৰি। তোমালোকে এই বিভিন্ন ৰংবোৰ ব্যৱহাৰ কৰি মনৰ ভাব প্ৰকাশ কৰিব পাৰিবা।

তোমালোকে কেতিয়াবা আকাশত বৰ্ণালী (ৰামধেনু) দেখিছানে? বৰ্ণালীত সাতোটা ৰং থাকে। ইংৰাজী 'VIBGYOR' শব্দটো মনত ৰাখিলে বৰ্ণালীৰ সাতোটা ৰং ক্ৰম অনুসৰি মনত ৰাখিব পাৰিবা।

V - Violet
I - Indigo
B - Brown
G - Green
Y - Yellow
O - Orange
R - Red

---

## বিজ্ঞান-বাৰ্তা

# পৃথিৱীলৈ ক'ৰ পৰা আহিল পানী!

জীৱৰ উৎপত্তিৰ আৰু বিকাশৰ বাবে পানী অতি অপৰিহাৰ্য উপাদান। পানীৰ বাবেই পৃথিৱীত জীৱনৰ উৎপত্তি আৰু বিকাশ সম্ভৱ হোৱাৰ কথা পৃথককৈ কোৱাৰ প্ৰয়োজন নাই। কিন্তু আমাৰ সৌৰজগতৰ আন গ্ৰহকেইটাত বৰ্তমানলৈকে সন্ধান নোপোৱা 'পানী' কেনেদৰে আহিল পৃথিৱীলৈ। পৃথিৱীত পানীৰ উৎপত্তিৰ ৰহস্য ভেদৰ বাবে বিজ্ঞানীসকল বহু গৱেষণা আৰু অধ্যয়ন বছৰ বছৰ ধৰি চলাই আহিছে। শেহতীয়াকৈ জাৰ্মানী বিজ্ঞানীৰ এটা দলে বহুদিনীয়া গৱেষণাৰ অন্তত পৃথিৱীপৃষ্ঠত পানী সৃষ্টিৰ আঁৰত উল্কাপিণ্ডসমূহ জড়িত আছিল বুলি প্ৰকাশ কৰিছে। ধুমকেতু অথবা উল্কা পিণ্ডত থকা পানী আৰু মহাসাগৰীয় পানীৰ বিশ্লেষণ কৰি এই পানীৰ ৰাসায়নিক সংযুক্তিৰ সাদৃশ্য থকা বুলি দাবী কৰিছে বিজ্ঞানীসকলে। প্ৰাপ্ত তথ্য অনুসৰি ২০১০ চনৰ নৱেম্বৰ মাহত এক মহাকাশযানৰ কাষেৰে পাৰ হৈ যোৱা ধুমকেতু 'হাৰ্টলী-২' পানীৰ ৰাসায়নিক সংযুক্তি পৃথিৱীৰ মহাসাগৰৰ সৈতে সাদৃশ্য থকাৰ কথা ধৰা পৰাত বিজ্ঞানীসকলে এই সিদ্ধান্ত লৈ আহিছে।

# ইংলেণ্ডৰ সমাজখনৰ পৰা আমি কি শিকিব পাৰো

অনুজ গোস্বামী, *অভিযন্তা*

যোৱা জুলাই মাহৰ প্ৰথম সপ্তাহত মই সপৰিয়ালে পোন্ধৰ দিনৰ বাবে ইংলেণ্ডলৈ গৈছিলো। আমি সেই কেইদিন ইংলেণ্ডৰ উত্তৰ-পূব অঞ্চলৰ চান্দাৰলেণ্ড আৰু লণ্ডন মহানগৰত আছিলো। এই দুই ঠাইত থাকোতে হোৱা অভিজ্ঞতাৰ ভিত্তিত বৃটিছ সমাজখনৰ পৰা আমি শিকিবলগীয়া কেইটামান কথা উনুকিয়াব খুজিছো।

আমি দেখা পাইছিলো যে, ইংলেণ্ডত আইন-কানুনবোৰ বৰ দৃঢ়ভাৱে কাৰ্যকৰী কৰা হয়। কিবা এটা বিষয়ত এখন আইন প্ৰণয়ন কৰাৰ পিছত তাক ঠিকভাৱে কাৰ্যকৰী কৰা হ'বই। তাত আইনৰ ওচৰত সকলো সমান All are equal before the law. ইংলেণ্ডৰ ৰাজ পৰিয়ালৰ লোকেও গাড়ীত উঠি যাওঁতে ছিটবেল্ট ব্যৱহাৰ কৰা দেখিছিলো। তাত গাড়ীত উঠিলে ছিটবেল্ট সকলোৱে ব্যৱহাৰ কৰে আৰু ৰাস্তাত নিৰ্দ্ধাৰিত গতিবেগ মানি চলে। ৰাস্তাৰ য'তে-ত'তে গাড়ী ৰাখিব নোৱাৰে। ৰাস্তাত পুলিচ ৰৈ থকা দেখা নাপালো। বেল্ট নামাৰিলে, গতিবেগ মানি নচলিলে, য'তে-ত'তে গাড়ী পাৰ্ক কৰিলে, পুলিচে কেমেৰাৰ যোগেদি গম পাই যায় আৰু পিছদিনাই জৰিমনা বিহে। কিন্তু খুব কম মানুহকহে পুলিচে জৰিমনা বিহিব লগা হয়। আমাৰ দেশত পুলিচৰ আগতেই নিয়ম ভাঙি ভি আই পি বুলি চিনাকি দি সাৰি যায়, তাত আইনৰ চকুত কোনো ভি আই পি নাই।

ইংলেণ্ডত মানুহবোৰ স্বাস্থ্যৰ প্ৰতি বৰ সজাগ যেন লাগিল। বজাৰত পোৱা সকলো খোৱাবস্তুতে কিমান শতাংশ শ্বেতসাৰ, প্ৰ'টিন, চৰ্বি আদি থাকে সেইবোৰ লিখা থাকে। এই উপাদানবোৰৰ পৰিমাণ চাইহে তাম মানুহে খাদ্য খায়। আমাৰ দৰে য'তে যি পায় খাই নেপেলায়। লাহে লাহে খাই বাবে খোৱাৰ পৰিমাণো কম হয়। ইংলেণ্ডক সৰ্বসাধাৰণ মানুহে দিনটোত মূলত তিনিবাৰ আহাৰ খায়। ৰাতিপুৱা আহাৰত(ব্ৰেকফাষ্ট) ধান, ঘেঁহু, গোমধান আদিৰ পৰা বনোৱা বিভিন্ন ধৰণৰ চিৰিএল (Cerial) জাম-জেলি দিয়া পাওৰুটি, কল, আপেল, চেৰি, ষ্ট্ৰবেৰি আদি ফল-মূল, চাহ-কফি আদি খায়। দুপৰীয়া আহাৰত (লান্স) তিঁয়হ, বিলাহী, গাজৰ আদি বিভিন্ন পাচলি, মাংস আদি ভৰাই তৈয়াৰ কৰা পাওঁৰুটিৰ ছেণ্ড্ ইউচ্চ, মাংসৰ বা নিৰামিষ ছছেজ (Sausage), ফলমূলৰ ৰস, ফলমূল আদি খায়। ৰাতি আহাৰত (ডিনাৰ) পিজা, পাওৰুটি, পোলাও আদি খায়। লগতে বিভিন্ন ধৰণৰ এলকহল থকা বা নথকা পানীয় খায়। ৰাস্তাই-ঘাটে শকত মানুহ দেখা পোৱা গ'লেও সাধাৰণতে সুস্বাস্থ্যৰ মানুহ বেছি দেখিবলৈ পোৱা যায়। পৰিসংখ্যা মতে ইংলেণ্ডত হৃদযন্ত্ৰৰ অসুখত ভোগা মানুহৰ গড় পৰিমাণ আমাৰ দেশতকৈ কম।

বাছ, ৰে'ল আদিত লগ পোৱা সৰ্বসাধাৰণ মানুহবোৰ বৰ ভদ্ৰ। আনে যাতে অসুবিধা নাপায় তাৰ প্ৰতি তেওঁলোক বৰ সজাগ। বাছ, ৰে'ল আদি ৰাজহুৱা পৰিবহনত আমাৰ দেশৰ দৰে চিঞৰি কথা নাপাতে। ম'বাইলত কথা পাতিব লগা হ'লেও আনে নুশুনাকৈ কথা পাতে। ৰে'লৰ কিছুমান

অংশত Silence Zone হিচাপে চিহ্নিত কৰা থাকে। ৰে'ল বা বাছত বয়সীয়া মানুহবোৰেও বিদেশী বুলি গম পালে বহা ঠাই (ছিট) এৰি দিয়ে। প্ৰায়বোৰ মানুহেই ৰে'ল বা বাছত Tablet pc বা i pad যোগেদি ইলেক্ট্ৰনিক মাধ্যমত বা পৰম্পৰাগত মাধ্যমত একোখন কিতাপ হাততলৈ পঢ়ি যায়। আধুনিক ব্যস্ত জীৱনত সময়ৰ অভাৱৰ বাবেই বোধহয় ৰে'লবাছত তাৰ মানুহবোৰে এনেদৰে কিতাপ পঢ়ি যায়।

লণ্ডনৰ পাতাল (underground) ৰে'লৰে ব্যৱস্থাটো অতি দক্ষ আৰু লগতে ইয়াৰ খৰছো কম। এই ৰে'লৰে ব্যৱস্থাটোৱে গোটেই লণ্ডন মহানগৰখনৰ প্ৰতিটো চুকে-কোণে বিয়পি আছে। এই ৰে'লৰে ব্যৱস্থাটো দ্বিতীয় বিশ্ব মহাসময়ৰৰ আগতেই গঢ়ি তোলা হৈছিল। আপুনি লণ্ডনৰ যিকোনো এখন চাবলগীয়া ঠাইলৈ যাবলৈ হ'লে তাৰ ওচৰৰ পাতাল ৰে'লৰেৰ ষ্টেচনটো গম পালেই হ'ল। ষ্টেচনটো পালেই মানুহক সুধি ঠাইখন উলিয়াব পাৰিব। আমি প্ৰথমবাৰ লণ্ডনলৈ গৈয়ে এইদৰে নিজেই বৃটিছ মিউডিয়াম, বৃটিছ লাইব্ৰেৰী, মেডাম টুছোৰ মিউজিয়াম আদি পৰ্যটকৰ বাবে আকৰ্ষণীয় ঠাইবোৰ উলিয়াব পাৰিছিলো। ইংলেণ্ডৰ দৰে উন্নত দেশবোৰত ৰাজহুৱা পৰিবহন ব্যৱস্থাটোত কিমান গুৰুত্ব দিয়ে ভাবিলে আচৰিত লাগে। তাৰ তুলনাত আমাৰ দেশত ৰাজহুৱা পৰিবহন ব্যৱস্থাটোত বহুত কম গুৰুত্ব দিয়া হয়। গুৱাহাটীতে আজিলৈকে এটা দক্ষ দ্ৰুত আৰু কম খৰচৰ এটা ৰাজহুৱা পৰিবহন ব্যৱস্থা গঢ় লৈ নুঠিল। তাৰ ফলত মানুহে ব্যক্তিগত যান-বাহনৰ ব্যৱহাৰ বেছি কৰিবলৈ লৈছে আৰু ফলত যান-জঁট বাঢ়ি গৈছে আৰু পৰিৱেশ প্ৰদূষিত হৈছে। লণ্ডনত আমি মধ্য লণ্ডনৰ পৰা প্ৰায় ৩৫ কিল'মিটাৰ দূৰৈৰ শ্লাও (Slough) নামৰ এখন ঠাইত আছিলো। ঠাইখন লণ্ডন মহানগৰীৰ বাহিৰত বাবে ইয়ালৈ পাতাল ৰে'লৰ লাইন নাই, কিন্তু পাতাল ৰে'লৰ সেৱাৰ লগত মিলাই দ্ৰুতগ্ৰামী ৰে'লসেৱা আছে। এদিন আমি লণ্ডনৰ ইষ্ট এণ্ড (East End)ত এখন মিউজিকেল শ্ব' চাই ৰাতি বাৰ বজাত ৰে'ল যোগে শ্লাওলৈ ঘূৰি আহিছিলো। অচিনাকি মানুহ হিচাপে কোনো অসুবিধা হোৱা নাছিল। এনেকুৱা সুন্দৰ ৰাজহুৱা পৰিবহন ব্যৱস্থা থাকিলে সাধাৰণতে মানুহে ব্যক্তিগত যান-বাহন ব্যৱহাৰ কৰিবলৈ নাযায়। ইয়াৰ উপৰি সপ্তাহটোৰ নিৰ্দিষ্ট সময়ত লণ্ডনলৈ ব্যক্তিগত গাড়ী আহিলে এটা যান-জঁটৰ বাবে অতিৰিক্ত ধন (Congestion charge) দিব লাগে। সেইবাবেও ইয়াত মানুহে ব্যক্তিগত যান-বাহনৰ ব্যৱহাৰ কমকৈ কৰে। এনেবোৰ ব্যৱস্থাই সাধাৰণ লোকক ৰাজহুৱা পৰিবহন ব্যৱস্থাৰ প্ৰতি আকৰ্ষিত কৰি তোলে। ফলত ইংলেণ্ডত সেউজ গৃহ গেছবোৰৰ নিৰ্গমন কিছু কমিছে আৰু পৰিৱেশ সংৰক্ষণত সহায় হৈছে।

ইংলেণ্ডৰ পৰা এটা শিকিবলগীয়া ব্যৱস্থা হ'ল 'জাতীয় স্বাস্থ্য সেৱা' নামৰ চৰকাৰী স্বাস্থ্য সেৱা বিভাগটোৰ কাম-কাজ। আমেৰিকা যুক্তৰাষ্ট্ৰ আদি দেশৰ বিপৰীতে ইয়াৰ স্বাস্থ্য সেৱা ব্যৱস্থাটো চৰকাৰে চলায়। সৰ্বসাধাৰণ ৰাইজে কম খৰচৰ স্বাস্থ্য সেৱা লাভ কৰিব পাৰে।

এইবাৰ অলিম্পিকৰ আৰম্ভণী অনুষ্ঠানটোত 'জাতীয় স্বাস্থ্য সেৱা' ব্যৱস্থাটোৰ জয়গান গোৱা দেখা পাইছো। এই সেৱাৰ অন্তৰ্গত এখন শিশু হস্পিতালৰ নাচি থকা নাৰ্চ আৰু বেমাৰৰ পৰা আৰোগ্য লভা শিশুক দেখুওৱা হৈছে। বৃটিছ লোকসকলে বিনামূলীয়া স্বাস্থ্য সেৱাৰ অধিকাৰক অতি প্ৰয়োজনীয় অধিকাৰ বুলি গণ্য কৰে আৰু বৰ্তমান বৃটিছ চৰকাৰে স্বাস্থ্য সেৱাৰ বাবে নিৰ্দ্ধাৰিত ধন কৰ্তনৰ প্ৰস্তাৱৰ প্ৰতি এই অনুষ্ঠানটোত সাৱধান বাণী শুনোৱা হৈছিল।

যোৱা ১৪ জুলাই তাৰিখে লণ্ডনৰ শ্লাওত

অৱস্থিত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক সাংস্কৃতিক কেন্দ্ৰত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰত উপস্থিত থাকি লণ্ডনৰ অসমীয়া সমাজখনৰ কেইগৰাকীমান ব্যক্তিক লগা পাইছিলো। আনন্দৰ কথা যে শ্লাওত এই কেন্দ্ৰটোৰ এটা অস্থায়ী কাৰ্যালয় প্ৰতিষ্ঠা হৈছে। সমাজকৰ্মী ডাঃ কৰুণাসাগৰ দাসে কেন্দ্ৰটোৰ নিজা কাৰ্যালয় নোহোৱা পৰ্যন্ত নিজৰ ঘৰটো কেন্দ্ৰটোৰ কাম-কাজৰ বাবে আগবঢ়াইছে। ডাঃ দাসে এই ঘৰটোতে গুৰু আসন প্ৰতিষ্ঠা কৰিছে। যোৱা ২০১১ চনৰ ৩ আগষ্ট তাৰিখে মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে এই কাৰ্যালয়টো মুকলি কৰিছিল আৰু ২৫ লাখ টকাৰ অনুদান আগবঢ়াইছিল। আশা কৰিছো অতি সোনকালে কেন্দ্ৰটোৰ নিজা কাৰ্যালয় প্ৰতিষ্ঠা হ'ব আৰু তাত প্ৰেক্ষাগৃহ, মিউজিয়াম, অতিথিশালা আদিৰ ব্যৱস্থা থাকিব। উক্ত আলোচনা-চক্ৰখনত উপস্থিত থকা লণ্ডনত কাম কৰি থকা কেইগৰাকী ডাক্তৰ, অভিযন্তাৰ, সাহিত্যিক অসমৰ সমস্যাবিলাকৰ বিষয়ে চিন্তা-চৰ্চাই আশাৰ বতৰা কঢ়িয়াই আনিছে। সুদূৰ ইংলেণ্ডত মোটা দৰমহাৰ চাকৰি কৰিও তেওঁলোকে অসমখনক পাহৰি যোৱা নাই। দেৱজিৎ শইকীয়া, পংকজ খাটনিয়াৰ, ডাঃ খগেশ্বৰ লাহন, সুৰভি লাহন, অৰুন্ধতী দাস, গৌতম বৰা, নীলাক্ষী হাজৰিকা, প্ৰিসনী বৰকাকতি আদি অসমৰ লোকসকলে সুদূৰ লণ্ডনত থাকিও এখন সমৃদ্ধিশালী অসমৰ বাবে চিন্তা-চৰ্চা কৰিছে। ই এক শুভ লক্ষণ। আগলৈকো এখন সুন্দৰ অসমৰ গঢ়াত তেওঁলোকে সহায়ৰ হাত আগবঢ়াব বুলি আশা কৰিলো।■■

> উত্তম শিষ্যই গুৰুৰ মন বুজি (আদেশ পোৱাৰ আগতেই) ভাল কাম কৰে, মধ্যম শিষ্যই গুৰুৱে কৰিবলৈ ক'লেহে ভাল কাম কৰে; কিন্তু অধম শিষ্যই গুৰুৱে আজ্ঞা কৰিলেও তাক পালন নকৰে, তেনে অধম শিষ্যৰ কেতিয়াও কল্যাণ নহয়।
>
> — *নচিকেতা*

# সোণালী নীতি আচৰণে সোণালী শৈশৱ

মহেন্দ্ৰ শইকীয়া

"Practice is absolutely neccessary. You may sit down and listen to me by the hour every day, but if you don't practice, you will not get one step ahead."

— Swami Vivekananda

আজিৰ কণ কণ শিশুসকলেই আমাৰ মৰমৰ ছাত্ৰ-ছাত্ৰী। সিহঁতৰ সোণালী দিনবোৰ প্ৰকৃততে নানান সমস্যা, ঘাত-প্ৰতিঘাত আৰু নানান পৰীক্ষা-নিৰীক্ষা অভিজ্ঞতাৰ মাজেদি পাৰ হয়। ছাত্ৰ আৰু শিক্ষা জীৱনত স্বামী বিবেকানন্দৰ উপৰুক্ত বাণীৰ বিশেষ গুৰুত্ব আৰু তাৎপৰ্য আছে। সাধাৰণতে দেখা-শুনা বিষয়বোৰ অতি সহজ যেন লাগিলেও কাৰ্যক্ষেত্ৰত হাতে-কামে কৰোতে ছাত্ৰ-ছাত্ৰীসকলে সদায় কঠিন অগ্নিপৰীক্ষাৰ সন্মুখীন হ'বলগাত পৰে। গতিকে নিয়মানুৱতীতাই উন্নতি আৰু সফলতাৰ অন্যতম পথ। মহৎ সৃষ্টিক পূৰ্ণাঙ্গ ৰূপ দিবলৈ বহু সময়, যত্ন আৰু কষ্টৰ প্ৰয়োজন অথচ ই মাত্ৰ কেইটামান মুহূৰ্তৰ ভিতৰতে ধ্বংস হৈ যাব পাৰে। বছৰ বছৰ ধৰি কৰি থকা সুসজ্জিত এক সুন্দৰ সৃষ্টিৰাজিৰ ভূমিকম্পৰ এটা মাত্ৰ বৃহৎ জোকাৰণিতে সম্পূৰ্ণ ধূলিসাৎ হ'ব পাৰে। এতেকে উন্নতি আৰু প্ৰগতিৰ বাবে নিয়ম শৃঙ্খলতা, কঠোৰ শ্ৰম, একাগ্ৰতাৰ লগতে প্ৰচুৰ ধৈৰ্যই হৈছে সফলতাৰ মুখ্য কাৰক। তাৰ বাবে কিছু সাধনা-নিয়ম আচৰণৰ প্ৰয়োজন, যাক সোণালী নীতি-আচৰণ (Golden Rules and Manners) বুলি ক'ব পাৰি। তেনে কিছু অতিপালনীয় সোণালী নীতি-আচৰণ তলত উল্লেখ কৰা হ'ল।

সোণালী নীতি আচৰণ (Golden Rules and Manners) ঃ

(১) প্ৰতিটো বিষয় (subject) শিক্ষকে পাঠদান কৰোতে ছাত্ৰ-ছাত্ৰীসকলে একান্ত মনোযোগ দিব লাগে। এৰাব নোৱাৰা কাৰণত (unavoidable reason) এদিনৰ পাঠ গ্ৰহণ কৰিব নোৱাৰিলে, শিক্ষকে শ্ৰেণীকক্ষত দিয়া পাঠ টোকা, মূল কথাবোৰ সহপাঠীৰ পৰা সংগ্ৰহ কৰি অধ্যয়নৰ যোগেদি পাছৰ পাঠবোৰলৈ নিজক সম্পূৰ্ণ সাজু কৰিব লাগে। বিদ্যালয়ত অনুপস্থিতিৰ হাৰ কমাব লাগে।

(২) প্ৰতিটো বিষয় প্ৰতিদিনে আধাঘণ্টাকৈ হ'লেও মনদি লিখা-পঢ়া কৰিব লাগে।

(৩) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথি, জ্যামিতি বাকচ, কলম-পেঞ্চিল-স্কেল, বহী-কাগজ ইত্যাদি শিকন সামগ্ৰীবোৰ নিজাকৈ লগত ৰাখিব লাগে।

(৪) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে দিনটোৰ পাঠ ... অনুকৰণ কৰিব লাগে।

(৫) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকে পাঠদান ...তে প্ৰতিটো বিষয়ৰ মূলকথা (Fundamen-... বোৰ শিক্ষকৰ পৰা খৰচি মাৰি বুজি ল'ব ...। প্ৰয়োজন সাপেক্ষে আগৰ পুৰণা পাঠ্যপুথি ...ৰ পাঠ আৰম্ভণীৰ আগতিয়াকৈ পঢ়ি সাজু হৈ ...ব লাগে।

(৬) ছাত্ৰ-ছাত্ৰীসকলে দল গঠন কৰি নিজৰ ...ত বিভিন্ন বিষয়ৰ নিজস্ব চিন্তা-দৃষ্টিভঙ্গীবোৰ ...াচনাৰ মাধ্যমে ভাব বিনিময় কৰিব লাগে। ... দ্বাৰা ভাষাৰ গঠন, বাগ্মীতা, বিষয়বস্তুৰ জ্ঞান আৰু নতুন চিন্তা-চেতনাৰ উদয় হয়।

(৭) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী সদায় যোগাত্মক

দৃষ্টিভঙ্গীৰ আৰু আশাবাদী হ'ব লাগে। নিজৰ আত্মবিশ্বাস কেতিয়াও হেৰুৱাব নালাগে। সদায় ওচৰতে পোৱা, দেখা-শুনা বিষয়তে আৱদ্ধ নাথাকি নতুনত্বৰ কাৰণে বিশেষ অধ্যয়ন, অনুসন্ধান, পৰ্যবেক্ষন, বিশ্লেষণ কৰি নতুন মৌলিক আৱিস্কাৰত গুৰুত্ব দিব লাগে। নিজে অধ্যয়ন, বিশ্লেষণ নকৰাকৈ কোনো বিষয়ত মতামত দিব নালাগে।

(৮) প্ৰতিটো বিষয়ৰ পাঠ, প্ৰশ্নোত্তৰ আৰু প্ৰকল্পবোৰ কৰিবৰ কাৰণে সৰু সৰু গোটত ভাগ কৰি ল'ব লাগে।

(৯) কোনো বিষয়ৰ অধ্যায়বোৰ জপিয়াই গৈ মাজে মাজে পঢ়িব নালাগে। পাঠ্যক্ৰমৰ মাজত উজু আৰু কঠিন (easy and difficult) অধ্যায়ত ভাগ নকৰি একাদিক্ৰমে পাঠবোৰ অধ্যয়ন কৰিব লাগে। খাদ্যৰ সোৱাদতকৈ গুণগত (quality) মানদণ্ডহে অতি গুৰুত্বপূৰ্ণ কথা। এতেকে প্ৰতিটো বিষয়কে সমানে গুৰুত্ব দি পঢ়িব লাগে।

(১০) কেতিয়াও শ্ৰেণীৰ সহপাঠী বা সৰুসকলক বিপথে পৰিচালিত কৰিব নালাগে।

(১১) শিক্ষকে পাঠদান কৰোতে কোনো বিষয়বস্তু বুজি নাপালে বুজি পোৱা বুলি ক'ব নালাগে।

(১২) বৰ্ণ, শব্দ, বাক্যৰ গঠন, শুদ্ধ উচ্চাৰণৰ কাৰণে নিয়মীয়া লিখা-পঢ়া কৰা আৰু দিনলিপি লিখাৰ অভ্যাস কৰিব লাগে।

(১৩) শব্দ-অৰ্থৰ বাবে শব্দকোষ, অভিধান আদি চাব লাগে। বাক্যৰ গঠনৰ বাবে ব্যাকৰণৰ সহায় ল'ব লাগে।

প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰে এটা উচ্চ চিন্তা, উচ্চাকাংক্ষা, কৌতুহলী তথা শিকাৰ আগ্ৰহী মন থকাটো দৰকাৰ। শিক্ষাগ্ৰহণ, নিজৰ ভৱিষ্যৎ গঢ় দিয়াৰ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া। আত্মকেন্দ্ৰীক মনোভাৱ (selfish attitude) পৰিহাৰ কৰি সৰু আৰু বন্ধু-বান্ধৱীক সহায় কৰা, দলগতভাৱে সক্ৰিয়তাৰে ভাল কাম কৰাৰ মনোভাব এটা সদায় দৰকাৰ। "পঢ়াই পঢ়ে ৰুৱে পাণ— এই তিনিয়ে নিচিত্তে আন।" শিকাৰ মন, শিকাৰ হেঁপাহ-আগ্ৰহ শিক্ষাৰ্থীসকলক সদায় লাগে। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীৰ কিছু সোণালী সজ-আচৰণৰ প্ৰয়োজন হয়।

সোণালী সজ আচৰণ ঃ

(১) বিদ্যালয়ৰ দৰে ঘৰতো পঢ়াৰ আৰম্ভণী আৰু সামৰণী সদায় প্ৰাৰ্থনাৰে কৰিব লাগে।

(২) পঢ়া কোঠা পৰিস্কাৰ, টেবুলৰ কিতাপ-বহী-কলম আদি পৰিপাটিকৈ ৰাখিব লাগে। চাফা সাজপাৰ পিন্ধি ঘৰত এটা সুন্দৰ শৈক্ষিক পৰিৱেশ তৈয়াৰ কৰি ল'ব লাগে।

(৩) বিদ্যালয়ত দিয়া গৃহকৰ্ম (Home work) সদায় ছাত্ৰ-ছাত্ৰীয়ে নিজে যত্ন কৰি, স্বাৱলম্বী মনোভাব আৰু আত্মবিশ্বাস গঢ় দিব লাগে।

(৪) বিদ্যালয়লৈ যাবলৈ ছাত্ৰ-ছাত্ৰীয়ে নিজে সাজু হ'ব লাগে। বিদ্যালয়ৰ সাজপাৰ নিজে পিন্ধা, নিজৰ কিতাপ-বহী ৰুটিন মতে বেগত ভৰোৱা, নিজে কলম-পেঞ্চিল, জ্যামিতি বাকচ, পৰিস্কাৰ পানী বটল আৰু টিফিন বাকচ আগতীয়াকৈ বেগত ভৰাই ৰাখিব লাগে।

(৫) বিদ্যালয়ৰ দৰে ঘৰতো আনে নোকোৱাকৈ নিজে নিজৰ পঢ়া কোঠাত ঘৰুৱা ৰুটিনমতে পঢ়া-শুনা কৰিব লাগে।

(৬) শুদ্ধ শব্দৰ উচ্চাৰণ আৰু বাক্যৰে কথা-বাৰ্তা কোৱা কোনো পৰিস্থিতিতে বেয়া কথা, বেয়া চিন্তা, বেয়া কাম, বেয়া ব্যৱহাৰ, অসৎ আচৰণ প্ৰদৰ্শন কৰিব নালাগে।

(৭) প্ৰতিদিনে নখ-দাঁত-চুলি তথা শৰীৰ পৰিস্কাৰ কৰি ৰাখিব লাগে। খোৱাৰ পাছত সদায় দাঁত ব্ৰাচ কৰি মুখ ধুব লাগে।

(৮) জ্যেষ্ঠজনক শ্ৰদ্ধা, গুৰুক ভক্তি, সৰু আৰু সমনীয়াক সদায় মৰম-স্নেহ কৰিব লাগে। কাৰো লগত তৰ্ক বা কাজিয়া কৰিব নালাগে। অধিক বাক্য, মিছা কথা কোৱা, হিংসা কৰা স্বভাৱ এৰিব লাগে।

(৯) আজৰি সময়ত অনিসন্ধিৎসু মনে নানান সংগ্ৰহ, প্ৰকল্প কৰ্ম, আসন-প্ৰাণায়ম-ব্যায়াম কৰা, চিত্ৰ অংকণ, সঙ্গীত সাধনা কৰা, মহৎলোকৰ জীৱনী, গল্প-কবিতা ৰচনা আদি পঢ়া-লিখা, আবৃত্তি কৰা, দৈনিক খবৰ কাগজ, শিশু আলোচনী পঢ়া-শুনাৰ অভ্যাস কৰিব লাগে।

(১০) সদায় প্ৰাৰ্থনা আৰু গুৰুসেৱা কৰিব লাগে।

(১১) ঘৰুৱা সামগ্ৰী-যন্ত্ৰপাতিৰ সঠিক ব্যৱহাৰ, বৈদ্যুতিক আহিলাৰ বিষয়ে জানি-বুজি লোৱা, জুই আৰু চোকা অস্ত্ৰৰ ব্যৱহাৰ ভালদৰে শিকি বুজিহে ব্যৱহাৰ কৰিব লাগে। বিনা অনুমতিত লোকৰ বস্তু কেতিয়াও ব্যৱহাৰ কৰিব নালাগে।

(১২) দিনটোত নিজে কৰা কামৰ এটা বিশ্লেষণ সদায় কৰিব লাগে। এলাহত কাম পাছলৈ থ'ব নালাগে।

(১৩) প্ৰাথমিক চিকিৎসা-স্বাস্থ্য ৰক্ষাৰ নিয়ম, ট্ৰেফিক নিয়ম আদি সাধাৰণ নিয়ম আচৰণসমূহ মানি চলিব লাগে।

(১৪) আত্মসংযম ,বাক্‌সংযম, মিতব্যয়িতা, স্বাৱলম্বীতা, চৰিত্ৰবোধ, কৰ্তব্যবোধ আদি বিষয়ত সদায় সচেতন হ'ব লাগে।

(১৫) ব্যক্তিত্বৰ বিকাশত গুৰুত্ব দিব লাগে। সাধাৰণ জীৱন-যাপন আৰু উচ্চ চিন্তা জীৱনৰ আদৰ্শ কৰিব লাগে।

সুন্দৰ আৰম্ভণী সুন্দৰ যাত্ৰাৰ সফলতাৰ মহামন্ত্ৰ। সফলতাৰ পথত সততা আৰু নিষ্ঠা, সদায় প্ৰয়োজন। লক্ষ্যটো মহৎ হোৱাৰ লগতে কাৰ্যকৰী পথটোও শুদ্ধ-সত্য হ'ব লাগিব। তেতিয়া সফলতাই পাছে পাছে খেদি ফুৰিব। অন্যথা সফলতাক বিচাৰি দৌৰি ফুৰিলেও লগ পোৱা কঠিন হ'ব। সফলতাৰ চমু পথ নাই। সৰু সৰু শিশু, ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰত 'সত্য-শৌচ-ক্ষমা-দয়া, বিনয় সংযম-সততা, প্ৰেম-শ্ৰদ্ধা-ভক্তি জগাই মহামানৱীয় উপাদানেৰে নৈতিকতা, আধ্যাত্মিকতা আৰু মানৱতাৰ ভেটি তৈয়াৰ কৰিব লাগে। সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক পৰিৱেশ গঢ়ি স্বাধীন স্বাৱলম্বী মনোভাব, বৈজ্ঞানিক যুক্তিবাদী মানসিকতা সৃষ্টি কৰাটো অতি প্ৰয়োজন। প্ৰতিগৰাকী শিশু, ছাত্ৰ-ছাত্ৰীকে নিজস্ব চিন্তা চেতনাৰে অধ্যয়নশীল, অধ্যৱসায়ী, কষ্ট সহিষ্ণু, ধৈৰ্য্যশীল, সংযমী মনোভাব এটাৰ অতি দৰকাৰ। অনুসন্ধানমূলক চিন্তা-কৰ্মৰে বিষয়বস্তুক অধ্যয়ন, পৰ্য্যৱেক্ষণ, বিশ্লেষণ কৰি মৌলিক আৱিস্কাৰ কৰি নতুনত্ব আনিব পৰাকৈ প্ৰতিগৰাকী শিশু ছাত্ৰ-ছাত্ৰীক এগৰাকী শিশু বিজ্ঞানী, সু-লেখক, সু-সঙ্গীতজ্ঞ, সু-শিল্পী, সু-বক্তা, সমাজ বিজ্ঞানী, পৰিৱেশ বিজ্ঞানী, দাৰ্শনিক, চিন্তাবিদ, শিক্ষাবিদ হিচাপে গঢ় ল'বলৈ এক পৰিৱেশ তৈয়াৰ কৰাটো বৰ্তমান সময়ত অভিভাৱকসকলৰ অতি প্ৰয়োজনীয় দায়িত্ব। বৈজ্ঞানিক মানসিকতাৰে বিন্দুৰ পৰা বিশ্বব্ৰহ্মাণ্ডলৈ, নৈতিকতাৰ পৰা উচ্চতম স্তৰলৈ উত্তৰণ ঘটাবলৈ সুন্দৰ ৰাস্তাটোক শৈশৱতে শিশুক চিনাকি কৰি দিব লাগিব। ইয়াৰ কাৰণে সবল নেতৃত্বৰে শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয়, শঙ্কৰী সহগীত বিদ্যালয়, মহাবিদ্যালয়সমূহে সুদৃঢ় পদক্ষেপ লৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় শিক্ষানুষ্ঠান শুভাৰম্ভৰ লগে লগে এক নতুন পোহৰে নতুন প্ৰজন্মক নতুন পথৰ সন্ধান দিব। শিশুৰ সুন্দৰ বৰ্তমানক সুন্দৰ কৰ্ম-সংস্কৃতি-শিক্ষাৰ বুনিয়াদ গঢ় দিবলৈ এখন শিশু আলোচনী, বাৰ্তালোচনীৰ অতি প্ৰয়োজন। বৰ্তমান সময়ত শিশু ছাত্ৰ-ছাত্ৰীৰ বাবে শিশু-মঞ্জৰী, মণিকাঞ্চন আদি আলোচনী, বাৰ্তালোচনীসমূহৰ গুৰুত্ব অধিক। শিশুৰ সৰ্বাঙ্গীন বিকাশত কেৰিয়াৰ গাইড হিচাপে এই আলোচনীসমূহে সদায় ব্ৰতী হৈ নিশ্চয় থাকিব। আহক আমি সকলোৱে ছাত্ৰ-ছাত্ৰীসকলকলৈ সুন্দৰ সপোন ৰচি সুন্দৰ সাধনাৰে সফলতাৰ পথত আগুৱাই যোৱাত সহায় কৰোঁ। একে আলোক পথৰ সহাযাত্ৰী হওঁ।■■

# ৰামধেনু

## (শিশু সঙ্গীতালেক্ষ্য)

বিনোদ ভাগৰতী, *অভিযন্তা*

কথা ঃ জন্ম, জন্মান্তৰবাদ, ভাৰতীয় দৰ্শন, কিম্বা ধৰ্মীয় অনুশাসন-মানৱ ইতিহাস যদি বিচাৰি চোৱা যায়, তেতিয়াই চকুত পৰে আমাৰ আদিম বিভৎসতাৰ এক কৰুণতম অধ্যায়। কিন্তু সেই বিভৎসতাক পৰাভূত কৰি মানুহ এদিন ওলাই আহিল পোহৰৰ সন্ধানত। ধ্যান, মান, ধৰ্ম, কৰ্ম, বিচাৰ বিবেকৰ দ্বাৰা মানুহ পৰিচালিত হ'ল। মানুহ জয়ী হ'ল—

... জন্ম লগ্নৰ কোনো অশুভ ক্ষণত এক অজানা শক্তিৰ ক্ৰূঢ় দৃষ্টিৰ বলি হ'ল মানৱ জাতি। মানুহৰ পঞ্চভূত দেহত ছয় ৰিপু নাম লৈ জনম ল'লে সেই আসুৰিক শক্তিয়ে

গীত ঃ সৃষ্টিৰ বিভীষিকাত জনম আমাৰ
মানৱ দেহত কৰিলো ধাৰণ
মানুহৰ নাই পৰিত্ৰাণ।।
এন্ধাৰৰ দেশত জনম আমাৰ
পোহৰ যে নালাগে ভাল
মানুহৰ শিৰা-উপশিৰাত সোমাই
ধৰাৰ বুকু আমি দিময়ে জ্বলাই।।

ছয় ৰিপু ছয় নাম— কাম, ক্ৰোধ, লোভ, মোহ, মদ (অহং) আৰু মাৎসৰ্য (পৰশ্ৰীকাতৰ)।

ঃ তহঁতে শুন—

ঃ কিবা ক'বা—

ঃ ছয় ৰিপু নাম লৈ ধৰি জনম, মানুহৰ দেহত কৰ ধাৰণ। মানুহে যেতিয়ালৈ তহঁতক কৰে পৰাজয়, থাকিবি মানৱ দেহত নকৰি একো ভয়। হিংসা, দ্বেষ আৰু কপততা মানুহৰ যদি হয় সহচৰ তেতিয়া বুজিবি, তহতৰ হ'ল যে জয়। কিন্তু সাৰধান, জয়ৰ আনন্দত হৈ উত্ৰাৱল পাহৰি নাযাব যাতে নিজৰ কাম। প্ৰকৃতিক কেতিয়াও নকৰিবি বিমুখ। এতিয়া যাবিহঁক—

কথা ঃ কিন্তু মানুহৰ সভ্যতাৰ পতন হ'ল। মানুহৰ বিচাৰ-বুদ্ধি ভুল পথে পৰিচালিত হ'ল। নৈতিকতাক মানুহে দিলে বিসৰ্জন। পৃথিৱী হিংসা, দ্বেষ আৰু কপটতাই চানি ধৰিলে। ছয় ৰিপুৰ হাতত মানুহৰ হ'ল চৰম পৰাজয়।

ধৰিত্ৰী ঃ আছানেকি কোনোবা নতুন পুৰুষ, কোনোবা মহান, যিয়ে কৰিব পাৰে মোৰ দুখ মোচন। ছয় ৰিপুৰ দংশনত ক্ষত-বিক্ষত মোৰ দেহা, নোৱাৰো সহিব মই নসহে বেহা—

ধৰিত্ৰী ঃ কোন তোমালোক।

(দুটা সৰু ল'ৰা-ছোৱালী) ঃ কণ কণ মইনা আমি, শুনিছো তোমাৰ আহ্বান, সেয়েহে আহিছোঁ কৰিবলৈ তোমাৰ দুখ মোচন।

ধৰিত্ৰী ঃ কিন্তু কেনেকৈ মইনাহঁত।

(দুটা সৰু ল'ৰা-ছোৱালী) ঃ শান্তিৰ প্ৰতীক আমি কপৌ চৰাই, যাম উৰি উৰি সৌ নীলিম আকাশলৈ ৰামধেনু বিচাৰি। ৰামধেনুৰ সাত

ৰং বুটলি আনি পৃথিৱীৰ মানুহক দিম যে মেলি। এন্ধাৰ আঁতৰি যাব, পোহৰৰ জয় হ'ব। ছয় ৰিপু হ'ব যে দমন।

ধৰিত্ৰী ঃ তোমালোকে পাৰিবানে বাৰু?

(দুটা সৰু ল'ৰা-ছোৱালী) ঃ পাৰিম পাৰিম আই।

ধৰিত্ৰী ঃ তেন্তে যোৱা বাছাহঁত

গীত

সুৰুযৰ দেশলৈ নীলিম আকাশলৈ
মেঘৰ স'তে লুকা-ভাকু খেলি
যাওঁ আমি ৰামধেনু বিচাৰি
নীলা হালধীয়া সাত বৰণীয়া
আমাৰ ৰামধেনুখনি লাগে যে আমাক
যাওঁ বিচাৰি, যাওঁ আমি উৰি উৰি।।

দানৱ ঃ এই তহঁতক কি লাগে?

দুটা সৰু ল'ৰা-ছোৱালী ঃ কোন তুমি

দানৱ ঃ মই আকাশৰ দানৱ। কিয় আহিছ এই মহাশূন্যলৈ নকৰি কিঞ্চিত ভয়। নাজান নেকি তহঁতৰ ইয়াত স্থান নাই বুলি। জোন-বেলি-তৰা আমাৰ কৰ্তা। ধন-সোণ, টকা-পইচাৰ আমাৰ নাই একো অভাৱ। চিৰসুখ চিৰশান্তি সদায় বিৰাজ। কণ কণ শিশু তহঁত দেখি লাগে ব্যথা, কি লাগে তহঁতক ক, কৰিলো আজ্ঞা।

দুটা সৰু ল'ৰা-ছোৱালী ঃ ধন-সোণ, টকা-পইচা নালাগে আমাক। শান্তিৰ প্ৰতীক আমি কপৌ চৰাই। আহিছোঁ আকাশলৈ মৰম বিচাৰি।

দানৱ ঃ মৰম, হাঃ হাঃ হাঃ— কেনেকৈ?

দুটা সৰু ল'ৰা-ছোৱালী ঃ আকাশৰ ৰামধেনু বৰ ভাল লাগে। নীলা-ৰঙা ৰঙে আমাক হাত বাউলি মাতে। ৰামধেনুৰ সাত ৰং বুটলি আনিম, মানুহৰ মাজত ৰঙৰ পোহাৰ মেলিম। ৰামধেনুৰ সাত ৰং দেখি মনোহৰ, মানুহৰ মন হ'ব যে সুন্দৰ। ছয় ৰিপুক মানুহে দিব যে বিদায়, ধৰিত্ৰীৰ হ'ব যে জয়।

দানৱ ঃ বুজিছোঁ, বুজিছোঁ। দানৱ আমি ধ্বংসৰ প্ৰতীক। নহয় যে প্ৰকৃতিৰ মালিক। প্ৰকৃতিয়ে তহঁতক দিব পাৰিব ৰামধেনুৰ সংবাদ—

গীত

আকাশ নীলা, সাগৰ নীলা
নীল বৰণীয়া বাৰে ৰহণীয়া
তাৰে মাজত থাকো উমলি
মোৰ নাম প্ৰকৃতি
ৰামধেনুৰ সাত ৰং মোৰে বুকুত
ৰাখিছোঁ লুকাই—
পোহৰৰ মুখ বিচৰাজনক
দিম যে বিলাই, মই প্ৰকৃতি, মই প্ৰকৃতি।

দুটা সৰু ল'ৰা-ছোৱালী ঃ আই

প্ৰকৃতি ঃ কোন তোমালোক বাচাহঁত, অসময়ত দিলা যে দেখা।

দুটা সৰু ল'ৰা-ছোৱালী ঃ শান্তিৰ প্ৰতীক আমি কপৌ চৰাই। আহিছোঁ তোমাৰ কাষলে মৰম বিচাৰি, দিবানে আই?

প্ৰকৃতি ঃ মৰম বিচাৰি, বুজিছোঁ বাচাহঁত, ধৰিত্ৰীয়ে তেনেহ'লে নিজ কৰ্তব্য কৰা নাই পালন। এই বাবেই মই জানো তেওঁক দিছিলো জনম।

দুটা সৰু ল'ৰা-ছোৱালী ঃ নহয় আই, ধৰিত্ৰী আজি লাঞ্চিতা-অপমানিতা— ধৰিত্ৰীৰ বুকুত আজি অসুৰৰ অজুত আস্ফালন চতুৰ্দিশে মাথোন অন্যায় অবিচাৰ, আমাৰ বাবেও নাই ঠাই।

প্ৰকৃতি ঃ তেনেহ'লে উপায়।

দুটা সৰু ল'ৰা-ছোৱালী ঃ বিলম্বৰ আৰু নাই প্ৰয়োজন। কাবৌ কৰিছোঁআই, ৰামধেনুৰ সাত ৰং দিয়া যে আমাক। সেয়াই হ'ব অস্ত্ৰ ছয় ৰিপুক কৰিবলে দমন। ৰামধেনুৰ সাত ৰং দেখি ধুনীয়া, সিহঁত হ'ব যে বলীয়া। তুমি যাবানে আই আমাৰ লগত।

প্ৰকৃতি ঃ যাম যাম বাচাহঁত।

দুটা সৰু ল'ৰা-ছোৱালী ঃ তেনেহ'লে ব'লা।

গীত

জোনৰ দেশৰ, শুকুলা মেঘৰ,
মৰম যাওঁ চুমি চুমি
সাত ৰঙৰ, মহা মিলনৰ
ৰামধেনুখনি আমি—

কথা ঃ পৃথিৱীৰ মানুহৰ নহ'ল ক্ষমতা ধৰিত্ৰীক উদ্ধাৰ কৰিবলৈ। কিন্তু প্ৰকৃতিয়ে নিদিয়ে ইমান সহজে তেওঁৰ সৃষ্টিক বিনাশ হ'বলৈ। কণ কণ শিশুহঁতৰ লগত ৰামধেনু বুকুত লৈ নামি আহিল ধৰাৰ বুকুলৈ। ৰামধেনুৰ সাতৰঙত উদ্ভাসিত হ'ল ধৰাৰ বুকু। এন্ধাৰ বিচৰা, এন্ধাৰত জনম লোৱা অসুৰহঁতে নোৱাৰিলে সহিব সেই পোহৰৰ শত আঘাত। প্ৰকৃতি জয়ী হ'ল, কণ কণ মইনাহঁতক মাজত লৈ নাচি-বাগি তেওঁ গালে মিলনৰ গান।

গীত

মেঘৰ বুকু ফালি, মালিৰ মৰম চুমি চুমি
আমি নামি আহিলো আকাশৰ পৰা
নাচি নাচি ৰামধেনুখনি সাজি—
শান্তিৰ প্ৰতীক আমি কপৌ চৰাই,
শান্তিৰ বাণী আমি যাম যে বিলাই—
সাতৰঙৰ সাতভনী আমি গাওঁ মিলনৰ গান
আমাৰ পোহৰত ধৰাৰ বুকু হ'ল চিৰ জ্যোতিস্মান।■■

---

'মুকং কৰোতি বাচালং পঙ্গুং লঙ্ঘয়তে গিৰিং, যৎ কৃপা তমহং বন্দে জগতগুৰুং'। (কীৰ্ত্তন)

ভগৱানৰ কৃপা হ'লে বোলাজনেও কথা ক'ব পৰা হয়, খোৰাজনেও পৰ্বত আৰোহণ কৰিব পৰা হয়। (তেনেহ'লে যাৰ শৰীৰৰ কোনো অঙ্গ বিকল নহয়, সেইসকলে সফল হ'ব নোৱাৰাৰ কোনো কাৰণ নাই।)

# জয়ধ্বজৰ বিষ্ণু ভক্তি

## (কুৰ্ম পুৰাণ)

গোবিন্দ দত্ত

ভগৱান বিষ্ণুৱেই হৈছে সমস্ত জীৱৰে সৃষ্টিকৰ্তা। সৃষ্টি, স্থিতি, প্ৰলয়ৰ তেওঁ গৰাকী। সত্ব, ৰজ, তম— এই তিনিও গুণৰ তেৱেঁই অধিকাৰী। তেওঁক সেৱা কৰিলেই মানুহ দুখ-দুৰ্গতিৰ পৰা উদ্ধাৰ হয়। সমস্ত পাপ খণ্ডন হয়। যিজন ভক্তই তেওঁক একান্ত মতে সেৱা কৰে, তেওঁক ভগৱানে কেতিয়াও বিপদত নেপেলায়। তেওঁ হৈছে অন্তৰ্যামী। তেওঁ যে একান্ত ভক্তক কেতিয়াও বিপদত পেলাব নোখোজে তেনে এটা কাহিনী তলত আলোচনা কৰা হ'ল।

হৈহয় ৰাজ্যৰ ৰজা কাৰ্তবীয্য অৰ্জুন এজন মহা পৰাক্ৰমী ৰজা আছিল। তেওঁৰ পাঁচজন পুত্ৰ ক্ৰমে— সুৰ, সুৰসেন, কৃষ্ণা, কৃষ্ণ আৰু জয়ধ্বজ। এওঁলোক পিতাকৰ দৰেই সাহসী আছিল। সকলোতকৈ সৰু জয়ধ্বজ আছিল বিষ্ণুৰ একান্ত ভক্ত। বিষ্ণুৰ বাহিৰে তেওঁ কোনো দেৱতাকে পূজা-অৰ্চনা নকৰে। কিন্তু আন চাৰিজন আছিল শিৱভক্ত। তেওঁলোকৰ মতে শিৱ বা ৰুদ্ৰই হৈছে একমাত্ৰ দেৱতা।

এদিন আটাইকেইজন ককায়েক মিলি ভায়েক জয়ধ্বজক ক'লে— "ভাই চোৱা আমাৰ পিতা শিৱ ভক্ত আছিল, শিৱৰ উপাসনা কৰিয়েই পিতা মহাশক্তিমান আৰু পৰাক্ৰমী হৈছিল। গতিকে পিতাৰ দৰে আমিও শিৱ উপাসনা কৰা উচিত। কিন্তু তুমি আমাৰ বংশৰ নিয়ম দলিয়াই পেলাই বিষ্ণু উপাসনা কৰিছা, এইটো জানো তোমাৰ ভাল হৈছে?"

জয়ধ্বজে ক'লে— "আমি ৰাজ পৰিয়ালৰ লোক। আমাৰ কাম হৈছে প্ৰজা পালন। গতিকে সৃষ্টিৰ পালন কৰ্তা বিষ্ণুক পূজা কৰা আমাৰ উচিত বুলি মই ভাবো।" তেতিয়া ককায়েক কেইজনে ক'লে— "তুমি যে বিষ্ণুৰ পূজা কৰা উচিত বুলি কৈছা, তাৰ কাৰণ ভালদৰে বুজাই দিয়াচোন।"

জয়ধ্বজে উত্তৰ দিলে— "ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ— এই তিনিওজনেই আমাৰ প্ৰধান দেৱতা। তিনিজনৰ তিনিটা গুণ আছে। ব্ৰহ্মা হৈছে ৰজঃ গুণৰ অধিকাৰী, সেইবাবে সৃষ্টিয়েই হৈছে তেওঁৰ কাম। বিষ্ণু হৈছে সত্বঃ গুণৰ অধিকাৰী, সেইবাবে তেওঁৰ কাম হৈছে সৃষ্টিক পালন কৰা। ৰুদ্ৰ হৈছে তমঃ গুণৰ অধিকাৰী। তমঃ গুণৰ কাম হৈছে সকলোকে বিভ্ৰান্ত কৰি ধ্বংসৰ পথলৈ টানি নিয়া। তেনেহ'লে দাদা প্ৰজা পালনৰ বাবে বিষ্ণু পূজা কৰাই জানো আমাৰ বাবে উচিত নহয়?"

সুৰসেনে ক'লে— "মানুহৰ জীৱনৰ একমাত্ৰ লক্ষ্য হৈছে সংসাৰৰ পৰা মুক্তি লাভ কৰা। এই জগতৰ যেনিয়েই চোৱা তেনিয়েই বিৰাজ কৰে তমঃ গুণ আৰু এই কাম চলাই থাকে মহাদেৱ ৰুদ্ৰই। যদি সংসাৰৰ পৰা মুক্তি পাব লাগে তেনেহ'লে শিৱকেই আৰাধনা কৰিব লাগে।"

জয়ধ্বজে ক'লে— "দাদা তমঃ গুণে কেতিয়াও মুক্তি দিব নোৱাৰে। এই গুণে ধ্বংস কৰে, মানুহৰ মন উচ্চ কৰাৰ পৰিৱৰ্তে নীচচ কৰে। একমাত্ৰ সত্বঃ গুণেহে সকলোকে আপোন কৰি

ল'ব পাৰে। এই গুণ উদাসীন। এই গুণৰ অধিকাৰী বিষ্ণুক পূজা কৰিলেই এই গুণ আহৰণ কৰিব পাৰি।"

বাকী কেইজনে ভাবিলে জয়ধ্বজে ভুল কথা কোৱা নাই। তথাপি তেওঁলোকে ক'লে— "ভাই জয়ধ্বজ মানুহৰ তিনিটা গুণ সত্বঃ ৰজঃ তমঃ। এই তিনিটা গুণৰ ভিতৰত তুমি সত্বঃ গুণকে শ্ৰেষ্ঠ বুলি বিবেচনা কৰিছা। তাত তোমাৰ দোষ নাই। তুমি এই গুণেৰেই শিৱক আৰাধনা কৰা। শিৱৰ মাজতো এই সত্ব গুণ আছে। তেৱেঁই সকলোৰে অধিকাৰী।"

জয়ধ্বজে ক'লে— "ঋষি মুনিসকলে কৈছে, যাৰ যি ধৰ্ম তাক ভালদৰে পালন কৰিলেই মুক্তি লাভ হয়। যিজন ৰজা তেওঁৰ বাবে বিষ্ণুৰ শক্তিয়েই প্ৰধান। সেই বাবে ভালদৰে ৰাজ্য পৰিচালনা কৰিববৈ ৰজাসকলে বিষ্ণুপূজা কৰাই ভাল।"

তেওঁলোকৰ মাজত এনেদৰে বহু যুক্তিতৰ্ক চলি থাকোতে সুৰসেনে ক'লে— "ভাইহঁত আমি অযথা তৰ্ক কৰি আছোঁ। মুনিসকল আমাতকৈ জ্ঞানী। আমি কথাটো তেওঁলোকক সোধাই ভাল।"

তেওঁলোক সকলো গৈ সপ্তঋষিৰ আশ্ৰমত উপস্থিত হ'ল। বশিষ্ঠ প্ৰমুখ্য সপ্তঋষিৰ আগত তেওঁলোকৰ সমস্যাৰ কথা বিৱৰি ক'লে।

তেওঁলোকৰ কথা শুনি ঋষিয়ে উত্তৰ দিলে— "যাৰ যি দেৱতাক পূজিববৈ ইচ্ছা হয়, তেওঁকে পূজা কৰিব পাৰে। তাত বাধা নাই। গতিকে জয়ধ্বজে বিষ্ণু পূজা কৰাত স্বধৰ্মৰ কোনো বিঘিনি নহয়।"

ঋষিৰ কথাত পঞ্চভাতৃৰ সংশয় আঁতৰিল। তেওঁলোকে ৰাজ্যলৈ উলটি গৈ মহাসুখে ৰাজ্য পৰিচালনা কৰিব ধৰিলে। কিন্তু সুখৰ মাজতো অঘটন ঘটিল। বিদেহ নামৰ এটা অসুৰে সেই ৰাজ্যত অত্যাচাৰ কৰাত, বহুতো প্ৰজাই ভয়ত ৰাজ্য এৰিলে আৰু বহুতো নিধন হ'ল। অৱশেষত পঞ্চভাতৃয়ে বিদেহৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰিলে, কিন্তু অসুৰক পৰাস্ত কৰিব নোৱাৰিলে।

শেষত জয়ধ্বজে বিষ্ণুক স্মৰণ কৰাত স্বয়ং বিষ্ণুৱে আহি জয়ধ্বজৰ হাতত সুদৰ্শন চক্ৰ তুলি দিলে আৰু চক্ৰৰে বিদেহক বধ কৰিলে। সকলো প্ৰজা আচৰিত হ'ল। বিষ্ণুৰ প্ৰতি জয়ধ্বজৰ অচলা ভক্তি দেখি ঋষিসকল মুগ্ধ হ'ল আৰু সকলোৱে বিষ্ণুৰ জয়ধ্বনি কৰিলে।

ভগৱান বিষ্ণুৱেই হৈছে সমস্ত জীৱৰ আধাৰ। তেওঁৰ মহিমা অপাৰ। গতিকে আমি যদি পঢ়াৰ সময়ত, খোৱাৰ সময়ত, শোৱাৰ সময় আদি সকলো সময়তে বিষ্ণুৰ নাম স্মৰণ কৰোঁ আমি কেতিয়াও বিপদত নপৰোঁ।■■

ন হি জ্ঞানেন সদৃশং পৱিত্ৰমিহ ৱিদ্যতে।
তৎ স্বয়ং য়োগসংসিদ্ধঃ কালেনাত্মনি ৱিন্দতি।। — গীতা, ৩৮/৪

(এই সংসাৰত জ্ঞানৰ দৰে পৱিত্ৰ বস্তু একোৱেই নাই, যোগত সিদ্ধি লাভ কৰা লোকে সেই যথাৰ্থ জ্ঞান নিজেই লাভ কৰে।)

# শিশুৰ বিকাশত পিতৃ-মাতৃ আৰু সামাজিক পৰিৱেশ

**ক্ষীৰদাপ্ৰভা দাস**

যি শিশু পিতৃ-মাতৃৰ আঁচলৰ ধন, নয়নৰ মণি, সেই শিশুক প্ৰকৃত মানৱ সম্পদৰূপে গঢ় দিবলৈ পিতৃ-মাতৃয়ে একান্তভাৱে যত্নপৰ হ'ব লাগিব। শিশু অৱস্থাৰ পৰাই সিহঁতক আধ্যাত্মিকভাৱে পৰিপূৰ্ণ কৰি একো একোজন সু-নাগৰিক হিচাপে গঢ়িবলৈ হ'লে ঈশ্বৰৰ প্ৰতি বিশ্বাস জন্মাই নৈতিক শিক্ষাৰে আগবঢ়াই নিয়াৰ উপৰি সাহিত্য-সংস্কৃতিত অনুৰাগী কৰি পাঠ্যপুথিৰ শিক্ষাৰ লগতে খেলা-ধূলাও অন্যতম বিষয় হিচাপে আগবঢ়াই নিব লাগিব। ৰামায়ণ, মহাভাৰত আৰু কীৰ্ত্তনৰ সুন্দৰ সুন্দৰ কাহিনীবোৰ শিশুসকলৰ মন উপযোগীকৈ সাধু কথাৰে শিশুৰ মনত আনন্দ দিব লাগে। শিশুৰ মনৰ আনন্দ কেৱল নিজৰ ঘৰখনতেই নহয়। ওচৰ-চুবুৰীয়াকো আনন্দ দিব পাৰে। আনন্দই জীৱন, বিষাদেই মৃত্যু।

সেয়েহে পিতৃ-মাতৃ আৰু সমাজৰ প্ৰথম কাম উপযুক্ত পৰিৱেশ গঢ়ি তোলাটো। শিশুসকলক যদি প্ৰথম অৱস্থাৰ পৰাই ভালকৈ গঢ় দিব পৰা নাযায়, যদি বিভিন্ন খাম-খেয়ালিৰ মাজত সোমাই পৰে. আপোন-পৰ কৰা দেখিবলৈ পায় তেন্তে শিশু ভৱিষ্যতৰ সোপন নিশ্চয় একাঁৰেকো হোৱাটোৱে স্বাভাৱিক। শিশুৰ কোমল মন কোমল বাঁহৰ চেকনীৰ দৰে। যিফালে ভাঁজ লগোৱা হয়, সেই ফালেই ভাঁজ খায়। পুৰঠ হ'লে কঠিন হৈ পৰে। শিশুৰ কোমল মিঠা মাত আৰু অকৃত্ৰিম হাঁহিয়ে যাৰ অন্তৰ স্পৰ্শ কৰিব নোৱাৰে তাৰ অন্তৰ শিলৰ দৰে কঠিন। শিশুক আপোন-পৰ কৰাজন ঈশ্বৰৰ ৰোষত পৰে। কাৰণ শিশুসকল হ'ল দেৱ শিশু, অমৃতৰ সন্তান। কবিয়ে লিখিছে—

"এটি দুটি কৰি গথা মৰমৰ মাত কথা
জগতক সৰল কৰয়।
এটি মাথো হাঁহি সৰি জগত পোহৰ কৰি
সুখে ভৰা কৰিছে মৰত।।"
— শিশু সাহিত্য

সেয়েহে ভৱিষ্যত সু-নাগৰিক হিচাপে প্ৰতিজন শিশুকে গঢ়ি তুলিবলৈ শিষ্টাচাৰ, সংযম, আত্মনিৰ্ভৰশীল, সততা, অমায়িক আৰু ধীৰ স্থিৰ ভাৱেৰে সু-অভ্যাস গঠন কৰাৰ ক্ষেত্ৰত পৰিয়ালৰ সকলো সদস্য আৰু সামাজিক পৰিৱেশৰ বিশেষ প্ৰয়োজন। সেয়েহে নিজৰ সন্তানক প্ৰকৃত মানুহ কৰিবলৈ হ'লে, প্ৰথমে মানৱ জীৱনৰ ভেটি স্বৰূপ শিশুৰ দেহ, মন, গঢ় দিব লাগিব। অন্যথা ব্যস্ততাৰ অজুহাতত পিতৃ-মাতৃৰ পৰা প্ৰয়োজনীয় মৰম চেনেহ আৰু সৎ যত্ন অবিহনে শিশুৱে পিতৃ-মাতৃক অৱজ্ঞা কৰিবলৈ আৰম্ভ কৰে আৰু শিশুটি অবাধ্য হৈ পৰাৰ সম্ভাৱনা দেখা দিয়ে। এই ক্ষেত্ৰত জৱহৰলাল নেহৰুৱে এষাৰ কথা কৈছিল—

"এগৰাকী নাৰীক শিক্ষা দিয়া মানে এটা
জাতিক শিক্ষা দিয়া।"

গতিকে ব্যাপক হাৰত দেখা দিয়া উশৃঙ্খল সমস্যাবোৰৰ নিৰ্মূল আৰু নিকাকৰণ কেৱল মাত্ৰ মাতৃসকলৰ দ্বাৰাইহে সম্ভৱ হ'ব। সেয়েহে সন্তান গৰ্ভত থাকোতেই মাকৰ জৰিয়তে বহুতো জ্ঞান আৰু সৎ উপদেশ আহৰণ কৰিব পাৰে মাতৃৰ

অধ্যয়নৰ দ্বাৰাইহে। অধ্যয়নে মানুহক উচ্চ জ্ঞান সম্পূৰ্ণ কৰিব পাৰে। সাহিত্য সংস্কৃতিমূলক গ্ৰন্থ গীতা, ভাগৱত, কীৰ্ত্তন, নাম-ঘোষা, মহাপুৰুষ আৰু মহামানৱসকলৰ জীৱনী এনে ধৰণৰ কিতাপ অধ্যয়ণ কৰা মাতৃসকলৰ বাবে বিশেষ প্ৰয়োজন হৈ পৰিছে। মাতৃ সমাজৰ শিক্ষা তথা জ্ঞান বিকাশ হ'লেহে ভৱিষ্যত প্ৰজন্মৰ উন্নতি আৰু সৎ অগ্ৰগতি আশা কৰিব পাৰি। বিশেষকৈ মাতৃৰ সচেতনাই শিশুৰ উন্নতিৰ জখলা। সেইবাবে শিশুটি জন্মৰ পিছৰ পৰা মাতৃ গৰাকীয়ে সুস্থ কৰি তুলিবলৈ সৎ আচৰণ, সু-বচন, সৎ-শিক্ষা, সু-ব্যক্তিত্ব, অধিকাৰী হ'বলৈ অশেষ পৰিশ্ৰম কৰিবলগীয়া হয়। মাতৃৰ আদৰ্শ শিশুৰ বৃহৎ সম্বল। সন্তান সৈতে মাকৰ যি সম্পৰ্ক, যি সাংসাৰিক কোনো সম্পৰ্কৰ লগত তুলনা নহয়। সেইবাবে সন্তানৰ ক্ষেত্ৰত মাতৃগৰাকী আৰ্হি স্বৰূপ হ'ব লাগিব। মাতৃসকলে পুৱা-গধুলি নামঘৰত সোমাই শিশুসকলক লগতলৈ ঈশ্বৰৰ সেৱা প্ৰাৰ্থনা কৰি, শ্ৰৱণ-কীৰ্তন কৰিব লাগে। একমাত্ৰ ঈশ্বৰে যে সকলোৰে আশ্ৰয়, সেই কথা ভালদৰে বুজাই দিব লাগে ঘোষাৰ মাজেৰে—

"কৃষ্ণ এক দেৱ দুখহাৰী/ কাল মায়াদিৰ অধিকাৰী/ কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ। সৃষ্টি স্থিতি অন্তকাৰী দেৱ/ তান্ত বিনে আন নাহি কেৱ/ জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।" (নাম-ঘোষা, ৫৪৮)

গতিকে পিতৃ-মাতৃসকল নৈতিক দিশত আগবাঢ়ি আধ্যাত্মিক তত্ত্বদৰ্শী হ'ব লাগিব। যিসকল পিতৃ-মাতৃ ঈশ্বৰমুখী হৈ জীৱন-যাপন কৰিছে, সেইসকল পিতৃ-মাতৃৰ সন্তান কেতিয়াও বিপথে পৰিচালিত হ'ব নোৱাৰে। বৰ্তমান সময়ৰ দুষ্কৃতিৰে তৃণমূল পৰ্যন্ত ৰোগাগ্ৰস্ত হোৱা সমাজৰ প্ৰভাৱ শিশুসকলৰ ওপৰত নপৰোতেই শিশুসকলৰ কোমল হৃদয়ত আধ্যাত্মিক শক্তিক সংৰক্ষণ কৰা আৰু বিকাশৰ ব্যৱস্থা কৰাটো সমাজৰ কৰ্তব্য। সামাজিকভাৱে কিছুমান অনুষ্ঠান পাতি পৌৰাণিক কাব্যসমূহৰ উল্লেখ থকা নিৰ্মল চৰিত্ৰসম্পন্ন পুৰুষ-মহিলাৰ শৈশৱ বাল্যলীলা, মহাপুৰুষসকলৰ কাৰ্যাৱলী বৰ্তমান যুগৰো বৈজ্ঞানিক অভিলেখ, বিজ্ঞানী শিল্পী, খেলুৱৈ আৰু নিঃস্বাৰ্থ সমাজসেৱীৰ জীৱন দৰ্শন শিশুসকলৰ সন্মুখত দাঙি দৰি তেওঁলোকৰ কোমল হৃদয়ত সৎভাৱৰ তৰঙ্গ তুলি, শিশুসকলৰ সুপ্ত প্ৰতিভা জাগ্ৰত কৰাব লাগে। শিশুৰ নৈতিক আৰু আধ্যাত্মিক বিকাশ ঘটিলেহে এখন সুখী পৰিয়াল তথা এখন সুস্থ সমাজ গঢ়ি উঠিব।

শিশু ভৱিষ্যত সুন্দৰ আৰু নিৰাপদ কৰিবলৈ চৰকাৰে শিক্ষা ব্যৱস্থাত ব্যাপক আঁচনি হাতত লৈছে। এই শিক্ষাৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট নিয়ম আৰু শিক্ষা অনুষ্ঠানৰ যোগেদি শিক্ষা আহৰণ কৰে। তেনে ক্ষেত্ৰত শিশুৰ প্ৰকৃত জ্ঞান আৰু অভিজ্ঞতা আহৰণত বাধা আহি পৰে। কিয়নো মানুহৰ নিৰ্দিষ্ট লক্ষ্যৰ আধাৰতহে শিশুক শিক্ষা দিয়া হয়। শিশুৱে লাভ কৰা অভিজ্ঞতা আৰু ইয়াৰ প্ৰতিক্ৰিয়া দুয়োটাকে সমাজ বা অনুষ্ঠানে নিয়ন্ত্ৰণ কৰে। গতিকে শিশু শিক্ষাৰ প্ৰকৃত পৰিৱেশ ব্যক্তি সমাজ আৰু অনুষ্ঠানৰ প্ৰভাৱ দেখা যায়। কিন্তু নৈতিক আৰু আধ্যাত্মিক দিশত বিশেষ ভূমিকা গ্ৰহণ এতিয়াও কৰা নাই। দেশৰ এই অৰাজকতাৰ দিশত আমাৰ শিক্ষা ব্যৱস্থাত আধ্যাত্মিক তথা নৈতিক শিক্ষাৰ একান্তই প্ৰয়োজন হৈছে। সেয়েহে প্ৰতিগৰাকী পিতৃ-মাতৃ অভিভাৱকে নৈতিক তথা আধ্যাত্মিক সিক্ষা ব্যৱস্থা পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰাৰ বাবে ব্যাপক জাগৰণ গঢ়ি তুলিব লাগিব। শুদ্ধ চিন্তা আৰু সাধনাৰ মাধ্যমেৰে প্ৰতিজন ব্যক্তিয়েই এনে কৰিলেহে দেশৰ তথা জাতিৰ ধৰণী স্বৰূপ আমাৰ কণ কণ প্ৰতিটো শিশুৰ সৰ্বাংগীন বিকাশ হ'লেহে এক উজ্জ্বল ভৱিষ্যত আমি আশা কৰিব পাৰিম।■■

# বেদনা উল্কা

গোবিন্দ চন্দ্ৰ ডেকা

নৈ-পৰীয়া এখন সৰু গাঁও। নৈৰ দুই পাৰে দুখন সুন্দৰ চৰণীয়া পথাৰ। গাঁওখনৰ এমূৰত এটা নামঘৰ। সেই গাঁৱৰে ল'ৰা বিপুল আৰু বিমল। দুয়োজন সৰুৰে পৰা নলে-গলে লগা বন্ধু। সিহঁতৰ বহুত সপোন আৰু বহুত আশা। দুয়োৰে ইচ্ছা- সিহঁতে পঢ়া-শুনা কৰি ডাঙৰ মানুহ হ'ব। সেয়েহে সিহঁতে পঢ়াশালিত শিক্ষকে কৰিব দিয়া কামবোৰ নিয়াৰিকৈ কৰে আৰু মনপুতি ভালকৈ পঢ়ে। কিন্তু তাৰ বাবে ওচৰৰ অন্যবোৰ লগৰীয়াই সিহঁত দুজনক কেনেকৈ বেয়া কৰিব পাৰি তাকে মনে মনে ভাবি থাকে।

এদিনৰ কথা। গণপতি বোলা ল'ৰাজনে বুদ্ধি কৰি বিপুলক এখন সত্য-নাৰায়ণ পূজা খাবলৈ লৈ গ'ল। সেইদিনা সেই সত্য-নাৰায়ণ পূজাত বিপুলক ঘৃতাভাং খাবলৈ দিলে। (ঘৃতা ভাং হৈছে বিভিন্ন ফলৰ ৰস আৰু চাউলৰ পিঠা-গুৰিৰ লগত ভাং মিহলাই তৈয়াৰ কৰা এবিধ প্ৰসাদ।) এই প্ৰসাদ জ্যেষ্ঠসকলে খাই। অৱশ্যে পোনতে সি সেই প্ৰসাদ খাবলৈ বৰ আপত্তি কৰিছিল। কিন্তু গণপতিয়ে বৰকৈ জোৰ কৰাত খালে। ঘৃতা ভাং খাই সি বৰ ভাল পালে। কিন্তু কিছু সময়ৰ পিছত তাৰ মূৰটো ঘূৰোৱা যেন পালে। সি বমিও কৰিলে। ভয় খাই গণপতিয়ে বিপুলক ক'লে— "ঐ বিপুল, তুমি এইবোৰ কথা মা-দেউতাক নক'বি। তোক মাৰিব।" সঁচাকৈ বিপুলে ভয় খাই কথাবোৰ মাক-দেউতাকক নক'লে।

সেইদিনা গণপতিয়ে বৰ ভয় খাইছিল। যদি বিপুলে কথাবোৰ মাক-দেউতাকক কয়, তেনেহ'লে গণপতিৰ গতি লাগিব। সেয়েহে সি কিছুদিন বৰ ভয় ভয়কৈ চলা-ফুৰা কৰিছিল। সি বিপুলৰো লগ হোৱা নাছিল। কিন্তু বিপুলৰ মাক-দেউতাকে গণপতিক একো নোকোৱাত মনে মনে গণপতিয়ে সাহস পালে আৰু এদিন সি বিপুলক গৰু চৰাবলৈ গোপ্চাৰ লৈ গ'ল। (দৰঙত গো-চহৰণীয়া পথাৰক গোপ্চাৰ বুলি কোৱা হয়।) গোপচাৰত গৰখীয়াসকলে গৰু চৰাই থাকোতে নানা ধৰণৰ খেল খেলে আৰু গীত গাই। দৰঙত নাঙেলী গীত বুলি এবিধ বৰ আমোদজনক গীত আছে। এই গীতবোৰেৰে গৰখীয়াসকলে নৈৰ সিপাৰৰ গৰখীয়াসকলক অশ্লীল মাত-কথাৰে জোকাই। গীতৰ কথাই দুয়োপক্ষক ইমানে উত্তেজিত কৰে যে খঙৰ ভমকত সিহঁতে নানা আচৰণ কৰিব ধৰে। কিন্তু সিহঁতে কি কৰিব? মাজত এখন ডাঙৰ নৈ আছে। গতিকে সিহঁতে খংবোৰ বুকুত বান্ধি সন্ধিয়া ঘৰলৈ যাবলগীয়া হয়। সঁচাকৈ বৰ আমোদজনক খেল। গতিকে সেইদিনা বিপুলৰ গোপ্চাৰলৈ গৈ বৰ ভাল লাগিল আৰু প্ৰায়ে সি চোৰ কৰি গণপতিৰ লগত গোপ্চাৰলৈ যোৱা হ'ল। এইদৰে সি গণপতিৰ লগত গোপ্চাৰলৈ গৈ বহু বেয়া কথা শিকিব ধৰিলে।

ইফালে বিপুলৰ বন্ধু বিমলে দিনক দিনে পঢ়া-শুনাত ভাল ফল দেখুৱাব ধৰিলে। তাৰ মনত অপাৰ উৎসাও জাগিল। সি কেনেকৈ পৰীক্ষাত ভাল ফল দেখুৱাব পাৰি সদায় সেই কথাকে ভাবিব ধৰিলে। কিন্তু বিপুলৰ পঢ়া-শুনা একেবাৰে বেয়া হ'ল। তাৰ স্বভাৱ-চৰিত্ৰও বেয়া হ'ল। হাট-বজাৰ সকলোতে সি কাজিয়া কৰি ঘূৰি ফুৰে। কোনেও তাক সমীহ নকৰে। মুঠৰ ওপৰত সি সকলোতে অকলশৰীয়া হ'ল।

দিন বাগৰি গ'ল। এদিন কণমানি বিপুল আৰু বিমল ডাঙৰ হ'ল। দুয়োজনে মেট্ৰিক পৰীক্ষা দিলে, কিন্তু বিপুলে পৰীক্ষাত ফেইল কৰিলে। বিমলে

সুখ্যাতিয়ে পৰীক্ষাত পাছ কৰিলে। সেয়েহে বিমলৰ মনত অপাৰ আনন্দ। কিন্তু বিপুলে মানুহৰ মাজত মুখ উলিয়াব নোৱাৰা হ'ল। সকলোয়ে বিপুলক ঠাট্টা-ইতিকিং কৰে। মানুহে জোকাই। সেয়েহে সি মনৰ দুখত মদ খাবলৈ আৰম্ভ কৰিলে। মদ খাওঁতে খাওঁতে তাৰ শৰীৰ বেয়া হ'ল আৰু স্মৃতিশক্তি হ্ৰাস পালে। ইফালে বিমলে সুখ্যাতিৰে পৰীক্ষাত পাছ কৰি ডাক্তৰ হ'ল।

এদিনৰ কথা। তেতিয়া বিপুল টান নৰিয়াত। বিপুলৰ অৱস্থা দেখি বিমলৰ বৰ বেয়া লাগিল। তাৰ দুই চকুৰে চকুলো ওলাল। সি পাৰ্যমানে তাক সুস্থ কৰিবৰ বাবে চিকিৎসা কৰিলে। বিমলৰ চেষ্টাত এদিন বিপুল সুস্থ হ'ল। আৰু সেইদিনা সি দুষ্ট সংগত কুফলৰ কথা উপলব্ধি কৰিলে। কিন্তু তেতিয়া সময় বহু পলম হ'ল। কিন্তু বিপুল হতাশ নহ'ল। সি পুনৰ এটা নতুন জীৱন আৰম্ভ কৰিলে আৰু সদায় ঈশ্বৰ চিন্তা কৰিব ধৰিলে।■■

---

# সন্তানৰ বন্ধু হ'ব পাৰিছেনে?

**অমৰেন্দ্ৰ কলিতা**

পিতৃ-মাতৃৰ প্ৰধান কৰ্তব্য হ'ল সন্তানক ডাঙৰ-দীঘল কৰাৰ লগতে সিহঁতক সততা, উদাৰতা, ন্যায়-নিষ্ঠতা, মানৱতা, আধ্যাত্মিকতা, নৈতিকতা আদিৰ পাঠ শিকাই সৎ-সাহসী, সদাচাৰী আৰু আদৰ্শবাদী কৰি গঢ়ি তোলা। সেয়েহে জন্মৰে পৰা প্ৰতিগৰাকী পিতৃ-মাতৃয়ে সন্তানৰ প্ৰত্যেকটো কথাই গুৰুত্বসহকাৰে লোৱা উচিত। সকলো অভিভাৱকৰে সন্তানৰ লগত বহু আশা-আকাংক্ষা জড়িত হৈ থাকে। আনহাতে বহুসংখ্যক অভিভাৱকৰ ভুলৰ বাবেই তেওঁলোকৰ সন্তানসকল বিপথে পৰিচালিত হোৱা দেখা যায়। কিয়নো আদৰ্শ পিতৃ-মাতৃ হোৱাটো পৃথিৱীৰ আটাইতকৈ কঠিন কামবোৰৰ ভিতৰত এটা। সেয়েহে সকলো পিতৃ-মাতৃয়ে নতুনকৈ আদৰ্শ পিতৃ-মাতৃ হোৱাৰ সাধনা কৰিব লাগিব। কাৰণ সন্তানক আদৰ্শ মানুহ কৰি গঢ়ি তুলিবলৈ হ'লে পিতৃ-মাতৃ প্ৰথমে নিজে আদৰ্শ মানুহ হ'ব লাগিব। বৰ্তমান সমাজখন যিহেতু দুৰ্নীতি, ঠগ, প্ৰৱঞ্চনাৰে ভৰি পৰিছে, সেয়েহে নিৰাপত্তাহীন সমাজখনত সন্তানে কি কৰিছে, ক'লৈ গৈছে বা কেনেধৰণৰ বন্ধু-বান্ধৱী নিৰ্বাচন কৰিছে— এই সকলোবোৰ কথা বন্ধুত্বসুলভ আচৰণ কৰাৰ ফলতহে জনাটো সম্ভৱপৰ হৈ উঠে। বন্ধুৰ দৰে ব্যৱহাৰ কৰিলে সন্তানে নিজৰ সকলো সমস্যাৰ কথা লুক-ঢাক নকৰাকৈ মাক-দেউতাকৰ লগত আলোচনা কৰিবলৈ সাহস কৰে। সেয়েহে মাক-দেউতাকে যে সন্তানৰ ভৱিষ্যতৰ উন্নতি বিচাৰে সেয়া বন্ধুত্বপূৰ্ণ আচৰণেৰে ভালদৰে বুজাব লাগে আৰু যিবোৰ সৃজনীশীল প্ৰতিভা সন্তানৰ গাত দেখা যায়, সেই গুণৰাশিৰ বহিৰ্প্ৰকাশ যাতে ভালদৰে ঘটে, তাৰ বাবে সুযোগ-সুবিধা প্ৰদান কৰিব লাগে। সন্তানে আগ্ৰহ প্ৰকাশ নকৰা বিষয়ত যেনে— গান গোৱা বা ছবি আঁকা তেনে বিষয় জোৰকৈ কেতিয়াও শিকিবলৈ দিব নালাগে।

বৰ্তমান তীব্ৰ প্ৰতিযোগিতাৰ দৌৰত দৌৰি থকা অভিভাৱকসকলে নিজ নিজ সন্তানক সকলো বিষয়ৰ স্কুলত নামভৰ্তি কৰি দিয়ে যদিও সন্তানে যেতিয়া কোনো এটা বিষয়তে পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব নোৱাৰে, তেতিয়া সন্তানক দোষাৰোপ কৰি গালি-গালাজ কৰা দেখা যায়। সন্তানে কেনে ধৰণৰ প্ৰতিভা লৈ জন্ম লৈছে। সেয়েহে বন্ধুত্ব সহকাৰে সকলো কথা খোলোচাকৈ পাতিলে সন্তানে সকলোবোৰ কথা মুকলিলৈ ক'ব আৰু তেতিয়া সন্তানক শুদ্ধ পথত আগুৱাই নি সু-নাগৰিক হিচাপে গঢ় দিয়াত পিতৃ-মাতৃসকল সফল হ'ব।■■

ENGLISH SECTION

# PRAYER

Oh God! It is You, in the form of Brahma, have created all creatures. Oh Lord of the Universe! It is only You, in the form of Vishnu, provide sustenance to all. Oh Lard! It is only You, in the form of Maheshwar, bring about the fusion all souls. (With bowed head) I acknowledge your presence and your ominipotence.

Oh God! You have offered me this conscious, bright, healthy, active, beautiful and wonderful human body devoid of disease and defects. (With bowed head) I thank You again and again.

Oh God! You have given me air, water, food, clothing and shelter. (With bowed head) I thank You over and over again.

God! You have given a brain to think and to judge, two eyes to see, two ears to hear and a nose to breathe and smell. Oh Almightly! You have given me a mouth to eat and drink, a tongue and lips to taste and speak. Oh Knowledge supreme! You have given me a heartfull of love and devotion. You have given me to hands to work with. You have given me the organs for of bladder and anus to cleanse my body. Two legs to move around.

Oh God! I am immensely grateful to you for so many invaluable gifts. (With bowed head) I thank You millions of times. I sing your peaises. I bow and touch your divine feet. Oh Lord! give me your blessings so that I may be good.

"Om Shanti! shanti! Shanti"■■

---

## ISVARA NIRNAYA

krsna eka deva duhkhahari kala mayadiro adhikari
krsna bine srestha deva nahi nahi ara /
srsti sthiti antabari deva tanta bine aba nahi keva
janiba visnuse samasta jagate sara // – Nama-ghosa,586

Krishna being Only God removing Only Owner of both time and illusion,
Superior to Krishna no other god is there;
Creator, Preserver, Destroyer is He no mightier one than He
Remeber Vishnu as Essence of whole Universe.

– Nama-ghosa, 586

# MY BEST FRIEND

Preety Phukon, *Class-viii*

Men are many,
Friends are few.
Among the few,
Deepti is the best.
I like her because
She is simple and honest
Very faithful and descent.■

# HAPPINESS

Jibanjyoti, *KG class*

I have a loving mother
And a good brother.
We all are happy
With our great father.■

# SWEET HOME

Mrinal Gohain, *Class-vii*

Home is sweet
Sweet is my home.
Here I was born,
Here I have grown.
There is no other place
For me like my home
My parents and myself
Live in our home.
Sweet, sweet and sweet
Sweet is my home.■

# INDIA

Monjit Doley, *Class-ii*

I am an Indian
India is my county
I love my India.
India is a big land
Full of beauty.
We are living in India
Like brothers and sisters.
I am proud of being
A citizen of India.■

# BULBUL THE FOOL

Monimala Handique, *class-vi*

Bulbul had a nice hen. It used to lay an egg every day. Bulbul used to sale the agg in the market at one rupee and buy goods from the market for him every day what he needs. One day he thought that there must be so many egg in the stomach of the hen and if he finds all eggs together he will be very eich and happy on a single day and he will be able buy the good that he wants. So, he killed the hen and cut the stomach of the hen open. But alsa! He did not find a single agg there. The fool bulbul was sad and began to cry. He lost hen for ever and became very poor.

*(We have learnt from the story that one should not be so greedy and must not do anything without knowing the facts well)*■■

---

# WODERFUL TREE

Prakriti Purna, Class-ii

Onec there was a tree. The name of the tree is Kalpabriksya. The tree was wonderful. Whoever wished anything standing under the said tree, it automatically happened. Many people fulfilled their needs and wants wishing under the said tree. Once a boy was standing under that tree, he saw a tiger jumping towards him. He thought that he would defeat the tiger any how and immediately climbed up the tree. He became safe.

Other day another boy was standing under the said tree. He saw a big lion coming towards him roaring. He was very much afraid of the lion and thought that the lion would eat him up. Immediately, as he thought so, the lion killed him and eat up.

(Message from the story is that our mind is like the Kalpbrikshya. If we wish good things we get the good one. But if we think bad, the result will be bad. See tha fate of the above mentioned two boys. The first one thought that he would win and he won, The later one feared, so he lost himself. Therefore, always be positive, think positive and do positive.)■■

# AIM IN LIFE

**Bidyasagar Das**, *Teacher*

Every child should have an aim in life. What you want to do, do it with a definite aim and objective and complete in within the stipulated time. An aimless one is like a boat without rudder. A rudderless boat has no control over it and it cannot perform the journey smoothly to reach the destination. There is every chance of sinking in the mid of the river.

If you want to undertake a journey, you will have to first fix the destination ie, where you will go and then plan how you will perform the journey and how much time will be necessary etc.

Likewise, life is also a journey, you will have to complete it. At first, think what should be the aim of your life. Before setting the aim, think again and again, discuss with your parents, elders, good friends and your well-wishers, what should be your ideal aim, whether it will be possible for you and good for you etc. While setting your aim you should also see that it will make you happy and you will be able to enjoy your life. After finally setting your AIM, you should always think and try how you can bring your dream into reality, that means, how you will be able to fulfill your dream. You will have to work hard and take care of your health and mind all the way.

Try to do all your work as per routine. Read some good books regularly, see some good program in TV, good Movie, good drama etc and read the life stories of great men, it will inspire you in all respects on attaining your aim.

Always take support of your perents, teachers, friends and well-wishers when necessary. Always be positive. Have a positive mind and think positively. Be determined to fulfill your AIM, you will definitely win.■■

> *Holding on to ANGER is like grasping a hot coal with the intent of throwing it an someone else; you are the one who gets burned.*
> – Gautom Buddha

# DO YOU KNOW ?

Hema Prasad Borah

1. Why is water important for us?

Ans : The human body contains 80% water, which is there in blood and other cells. Since we lose a lot of fluid thrugh sweat, urine and breath, we need to replenish it constantly. Drinking in suficient water can cause immediate problems. The body cells become dry and the skin wrinkles. Blood becomes thicker and the heart bigin to make more effort to pump it through in the body. Since the blood is responsible for transporting oxygen around the body, if oxygen is not supplied adequately to the organs, the heart and the brain react immediately due to a lack of oxygen– They get demaged in just a few minutes.

2. Why do we need blood?

Ans. : Our body consists of mllions of cells, which must be supplied with water propery. This supply is the responsibility of the blood. The red blood cells transport vital oxygen ($O_2$) around the body. The blood also absorbs nutrients from the digestive tract, distributes them to the organs and in return, takes away the waste products from the organs. Blood cells help destroying germs which cause disease.

3. Why are vitamins neccessary in diet?

Ans. Vitamins assist the body in utilizing the nutrients. They are not suppliers of energy like fats or carbohydrates, but help the body in absorbing minerals such as celcium, magnesium or sodium contained in salt and transporting them to the required places. Vitamins also help in the correct functioning of enzymes that help to convert food into components useful for the body. Since the body can not synthesize vitamins, they need to be supplied from outside.

4. Why must we brush our teeth every day?

Ans : When we eat, small particles of food get stuck between the teeth, giving rise to bacteria. They create and reproduce dental problems like caries. At first, these create only holes in the

enamal of the teeth, but as they become deeper they can be very painful, Chewing becomes difficult with bad teeth and the jaw looks deformed if some teeth are missing. If the bacteria are not removed they can enter into body through the mouth.

5. Why is playing game necessary?

Ans : Playing a game is necessary because it trains the muscles, improves blood circulation and increases the supply of oxygen to the body cells. Improve oxygen supply to the brain, improves concentration and physical movement excites the nerve paths in the brain. We therefore, become mentally more efficient. If can strenghen our immune system and are neccessary for our well being.

6. Why must we sleep?

Ans : We may not know exatly why we need to sleep, but we do know that our body needs sleep to rest and recover. If the sleep is inedequate, performance of the brain and the body goes down. One becomes irritable and can not concentrate. After several days of incdequation of sleep depends on the pesson and the age. While most babies sleep for 12 hours an day, some old people need only 5/6 hours sleep.

7. Why do we fall ill?

Ans : Some diseases are caused by bacteria and some, such as AIDS and the common cold, are caused by viruses. Normally our immune system protects us against discases. But sometimes our body become so weak that the immune system can not work properly and we succum to disease. Luckily, we can get ourselves vaccinated against some dangerous diseases.

8. How can we protect ourselves against bacteria?

Ans : We donot need to protect ourselves against all bactaria. Some live inside our body and are even very important to us. We fall ill only if there are too many bacteria or some harmfull bacteria unknown to the body comes from outside. This can happen easily via cuts and bruises on the skin or when our bodies are weak. Antibiotics help against bacterial infection. Unfortunately, they are not always effective because many bacteria here already become resistant to them.

9. How many bones are there in human body?

Ans : An adult has 206 bones, whish together weight about 9 kg. A baby has 350 bones. Bones are made up to different materials

and provide strength and elesticity. The bones mass is covered by a periosteum (bone skin). Which contains nerves, blood vessels and bone building cells. The bone marrow which makes the red blood cell is present inside long bones. The longest bone in our body is the thigh bone.

10. What happens to the food after it is eaten?

Ans : After the food is eaten it gets mixed with saliva, and reaches the stomach through the oesophagus. The food is prossed for digestion in the small intestine, which is connected to the large intestine and ends in the rectum. The undigested remains of the food and urine are excreted from the body.

11. What happens when we donot eat?

Ans : If we donot eat for long time, we lose weight and feel tired and weak. In the absense of food the body starts using its fat reserves. Once these are used up and if there is still no or very little food supply processes the body slow down.

12. What keeps us healthy?

Ans : A lot of things can keep us healthy : a right amount of sleep, exercise, fresh air, having good friedns and good food. Eating healthy food means not eating too much and not eating the some thing always. Our food is composed of three components, fats, carbohydrates and protins. We also need vitamins, to stay healthy. We need to brush our teeth regularly and keep ourselve clean to keep away the bacteria and remain healthy.■■

N.B. : Subjects are colleted and rearranged from 'Knowledge Encyclopaedia.'

*One should live from his very childhood with one whose character is like a blazing fire and should have before him a living example of the highest teaching.*

– Swami Vivekananda

# MORAL EDUCATION : A NEED OF TIME

**Gobinda Medhi**

Today the earth has suffered a lot of uncertainty. Nobody can determine the fate of the earth what have been in future. Every element of the earth, from atoms to larger matters, from nature to animals are suffering and need and it is demand of time that the blue planet must be protected from such pollution. Normally there is a hue and cry about pollution by chemicals, but we ignore about the pollution which is called social pollution. Today the enemy of the people is people themselves. Caste system, racism, ethic problems, religious conflicts are some common and dangerous problems for the human society. Day by day human has lost humanity, they have forgotten their culture and the situation is diabolic. They have also forgot their tradition and run away from moral obligation. Nobody has patience to tolerate anybody or anything, only rolling with own axis. Self-oriented society has no feeling about their neighbour or for their nation. The flow of patriotism is not in their vein. In this regard we can quote few words which was spoken by the great scientist of this time Stefen Hawking- "In any event, by the time the sun blows up, we should have mastered the art of intersteller travel, provided we have not already destroyed ourselves." (Stefen Hawking"-Page-64) That means he is also dubious about the fate of the earth. That is why everybody should give importance on moral education. They have a look on moral education by which child, youth or adult can be educated. With the help of moral education one can learn about humanity, honesty, patriotism, his responsibilities etc.

Today's children are the tomorrow's nation maker. Therefore, if we educate the children from their childhood about humanity, patriotism etc. They must become a good citizen for the nation. It is the special duty for our education planner to emphasis education system on moral values. Education means to construct knowledge and skill; knowledge for all round development. From the very beginning of schooling system if we give importance on curriculum for mental and moral development of child then the nation would progress.

Obviously, the moral education is mostly essential for our new generation today. India has well established tradition and heritage, through which one can build his personality. Again as a secular democratic nation, India has been giving importance on

moral ethics. It is tried to keep harmony amongst different colours of different societies. In education system the nation has also tried to reflect the principle of morality. In 1959-1960, by the committee on Religious and Moral Instruction (Report published by Ministry of Education Govt. of India, New Delhi) is said- "anything that helps us to behave properly toward others is of moral value.", and "Anything that takes us out of ourself, and inspires us to sacrifice for the good of others or for a great cause is of spiritual value." (Para 30) For the fisrt time this committee was set up to meet up between moral education and religion. One of the most important commission in the history of education in India is Education Commission (1964-1966) or Kothari Commission. Moral education clearly reflected in this commission. An extract of this is- "The expanding knowlege and the growing power which it places at the disposal of modern society must, therefore, be combined with strengthening and depending of the sense of social responsibility and keener appreciation of moral and social valuse. (1.74)" In this Commission has also reflected the idea that how can we co-exist in multi-religious system of India. In 1986, National Policy on Education also gives importance on spirituality, secularism, socialism, etc. which enriched in our constitution. From these we have seen that Indian Education System also acknowledge the demand of morality.

India has a glorious past. From the very beginning of human society in India, it has produced a large number of Saint or greatmen. They were the spokepersons for peace and harmony by their saying or writings. Their activities, their faith led the society of ancient for a healthy one with favourable environment. But day-by-day in name of modernisation we have lost our past tradition, we are too much self-centred having negative attitude. For which the society is in a turmoil state and morality is decreased. To overcome the problems, we many ways in our hand. Many saints have already fertilized the soil of our society and our duty is only to sow there.

Land, like Assam, where different ethnic groups are lived; tolerance and co-existence must be there. But during last few decades intolerance become an incurable desease and noticable thing is that it is increasing day by day. Group-clashes are frequent now. With this, other social-evils also are heading up, specially amongst the youth. The youth are running after corruption; they do not care to do anything wrong and give up morality. To recover from these thorny jungles we may seek help from our Mahapurusha Srimanta Sankardeva. He taught us how to live

together, how to keep peace, how to spend everyday life with happiness, etc. Therefore, it is again necessary to recall him. He was the founder of oneness and tried to make a one nation of Assamese.

The teaching of Srimanta Sankardeva can develop our mentality and can reach our moral values. The mass education system of his time was scientific at that time which is also relevant today and he was able to attract the mass under an umbrella. Not only the religious matter but also they, the desciple of him, had discussed their own and social problems sitting in "Namghar" which is referred as 'rural court' of that time. Again he was trying to mould the children in respect to their behaviour from childhood. His writings, specially Prahlad Charit (Story of Prahlad) in Kirtan Ghosa give importance on the subject how a child become a good citizen and asked to do good from their childhood. He wrote that-

"হেন জানি শিশুসৱ এড়া আন কৰ্ম।
ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম।।" ৩৫৭
— প্ৰহ্লাদ চৰিত, কীৰ্ত্তন-ঘোষা

"O children give up then all other works,

Take to Bhagawata-Dharma in boyhood days." 357.

– Kirtan-Ghosa- English Verse Rendering.

Here 'works' means the evil deeds which should be avoided by the children. Srimanta Sankardeva also taught us to live together with respect to eact other. There is no high or no low, all are human being and we should treat us with love and respect. Hence he rightly qouted that-

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।। -কীৰ্ত্তন, ১৮২৩

Down on ground, bow unto the dog, the ass and the jackal,

Knowing it well that their souls are but The Supreme Soul.

– Kirtan-Ghosa- English Verse Rendering.

These ideologies are essential for human life. By the teaching of Srimanta Sankardeva we can prosper in our everyday life. It is our moral obligation to follow him to lead to us or to lead our future. On conclusion, we can say that for a better living we must follow foot prints of our Mahapurusha. For a better society moral education is must. To change the restless system moral education is the only way.■■

**Reference :**

1.The Kirtan-Ghosa- ***An English Verse Rendering*** : Srimanta Sankardeva Sangha.

2. ***Landmarks in the history of Modern Indian Education*** : Vikash Publishing House Co. Ltd., New Delhi-110014

3. ***Stefen Hawking*** : Banalata, Guwahati.

*Thanks*

Uploaded by

The Sahitya Sakha Samity of

Srimanta Sankaeadeva Sangha

2013